सत्यमेव जयते

Government of Assam
অসম চৰকাৰ

# ব্যয়ৰ লেখানুদান

# বাজেট ভাষণ
## ২০২১-২২

ড° হিমন্ত বিশ্ব শৰ্মা
বিত্ত মন্ত্ৰী, অসম

**অধ্যক্ষ মহোদয়,**

২০২১ বৰ্ষৰ লেখানুদান বাজেটখন দাখিল কৰিবলৈ লৈ এই পৱিত্ৰ সদনত আপোনালোকৰ সন্মুখত থিয় হৈ মই ভগৱত গীতাৰ এটি পৱিত্ৰ শ্লোক উচ্চাৰণ কৰিব খোজো—

**কৰ্মণ্যে ৱাধিকাৰস্তে মা ফলেষু কদাচন।**

**মা কৰ্মফলহেতুৰ্ভুৰ্মা তে সংগোস্ত্বকৰ্মণি।।**

ভগৱান শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰৰ যুদ্ধৰ প্ৰাকক্ষণত অৰ্জুনৰ প্ৰতি আগ বঢ়োৱা এই জ্ঞান গম্ভীৰ আৰু চিন্তা উদ্ৰেককাৰী বাণীৰ তাৎপৰ্য সদায়েই অম্লান আৰু এই বাণীয়ে আমাক হাজাৰ হাজাৰ বছৰ ধৰি মাৰ্গ দৰ্শন কৰি আহিছে।

মহোদয়, মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনৰ হৈ পাঁচখন পূৰ্ণাঙ্গ বাজেট দাখিল কৰিবলৈ পোৱাটো মোৰ বাবে এক সৌভাগ্যৰ কথা। ভগৱত গীতাই আমাক কৰ্মৰ শিক্ষা দি কৈছে যে ভয় আৰু পক্ষপাত মুক্ত হৈ, ফলাফল আশা নকৰাকৈ শুদ্ধ উদ্দেশ্য আগত ৰাখি সঠিকভাৱে কৰ্ম কৰি যোৱাটোৱেই হৈছে মানুহৰ একমাত্ৰ কৰণীয়। আমাৰ চৰকাৰে পাঁচ বছৰ সম্পূৰ্ণ কৰিবলৈ লোৱাৰ এই মুহূৰ্তত আৰম্ভণিতে অসমক এক ‘বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত’ ৰাজ্যৰূপে গঢ়ি তুলিবলৈ আমি দিয়া প্ৰতিশ্ৰুতিৰ ওপৰত এক অৱলোকন কৰাৰ সময় উপস্থিত হৈছে।

আমাৰ বাবে জনতা জনাৰ্দন অসমৰ ৰাইজক আমি প্ৰতিশ্ৰুতি দিছিলোঁ যে আমি প্ৰশাসন আৰু ৰাজহুৱা জীৱনৰ সকলো স্তৰত আশাশুধীয়া পৰিৱৰ্তন

সাধন কৰিম। আজি মই বুকুত হাত থৈ সাহসেৰে এই কথা ক'ব পাৰো যে এই চৰকাৰে সুশাসন প্ৰৱৰ্তন  কৰিবলৈ কুণ্ঠাবোধ কৰা নাই আৰু ভয় তথা সকলো প্ৰকাৰৰ পক্ষপাতৰ পৰা দূৰত থাকি ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। ঈশ্বৰ আৰু অসমৰ জনতা আমাৰ এই ঐকান্তিক প্ৰচেষ্টাৰ সাক্ষী হৈ আছে।

এই পৱিত্ৰ সদনৰ সদস্যসকলৰ নিশ্চয় মনত আছে যে ২০১৬ চনৰ ৩ জুনত অসমৰ অৰ্থনৈতিক অৱস্থাৰ এখন চিত্ৰ দাঙি ধৰিবলৈ মই এই সদনত এখন শ্বেতপত্ৰ দাখিল কৰিছিলোঁ। মহোদয়, এই কথা স্পষ্ট যে আমি উত্তৰাধিকাৰসূত্ৰে এনে এখন ৰাজ্য লাভ কৰিছিলোঁ য'ত ৰাজকোষ অৱক্ষয়লৈ গতি কৰিছিল আৰু চৰকাৰী কৰ্মচাৰীৰ দৰমহা দিবলৈকে প্ৰয়োজনীয় পুঁজিৰ অভাৱ ঘটিছিল। ৰাজহৰ ক্ষীণ উৎসৰ বিপৰীতে কিছুমান স্ফীত বাজেট দাখিল কৰা হৈছিল আৰু বিত্তীয় অনুশাসন আৰু ৰাজহ আহৰণৰ বিষয়বোৰৰ প্ৰতি সম্পূৰ্ণৰূপে পিঠি দিয়া হৈছিল। ২০১৫-১৬ বৰ্ষত প্ৰস্তাৱিত বাজেটৰ বিপৰীতে সৰ্বমুঠ ব্যয় কৰা হৈছিল ৫৬ শতাংশ মাত্ৰ। পৰিণতি এয়ে হৈছিল যে ৰাজ্যখনৰ মুঠ বাজেট ব্যয় ৩০ হাজাৰৰ পৰা ৪২ হাজাৰ কোটি টকাৰ মাজতে দোলায়িত হৈ আছিল। জৰুৰী ৰাজহুৱা ব্যয় তথা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিগত ব্যয়সমূহ স্তিমিত হৈ পৰিছিল। ৰাজ্যৰ নিজস্ব ৰাজহ আহৰণৰ উৎসসমূহত এক স্থবিৰতা লক্ষ্য কৰা হৈছিল আৰু কোনোমতে জোৰা-টাপলি মাৰিবলৈ কেন্দ্ৰীয় পুঁজিৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতাৰে বিত্তীয় ক্ষেত্ৰত ৰাজ্যখনে পৰজীৱীৰ দৰে আচৰণ কৰিছিল। আমাৰ ৰাজ্যখনৰ বিত্তীয় অৱস্থাটোৱে অতিকৈ শোচনীয় অৱস্থালৈ গতি কৰিছিল। কিন্তু সেই অৱস্থাতো এই চৰকাৰখনে মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত সপোন দেখিবলৈ সাহস কৰিছিল আৰু অসমৰ হৃত গৌৰৱ ওভতাই আনি দৃঢ়চিত্তে কথাক কামলৈ ৰূপান্তৰ কৰি আগ বাঢ়িবলৈ প্ৰয়াস কৰিছিল। অসমৰ জনতাৰ কল্যাণৰ প্ৰতি আমাৰ দায়বদ্ধতা আৰু সেই কল্যাণ সাধনৰ দিশত আমাৰ সফলতা দৰাচলতে অসমৰ সেইসকল জনতাৰ আশা আকাংক্ষাৰ প্ৰতিফলন, যি জনতাৰ উৎসাহ আৰু প্ৰেৰণাই আমাক সকলো বাধাৰ মাজতো কাম কৰাৰ প্ৰেৰণা দিছে। আজি আমি অসম আৰু ইয়াৰ জনতাৰ সেই অনন্ত জীৱনীশক্তিটোক উদ্‌যাপন কৰিব খুজিছোঁ।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে কৈছিল —

শক্তি পুত্ৰ মই
ভক্তি বুকুত লই
মুক্তি প্ৰয়াসী হই
অৰ্জুন মই, গাণ্ডীবী মই
ময়েই ধনঞ্জয়—মৃত্যুক কৰিছোঁ জয়
ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিময়!!

মহোদয়, এই লেখানুদান বাজেটখনৰ গভীৰলৈ যোৱাৰ আগেয়ে মই আমাৰ দেশ আৰু ৰাজ্যৰ সমষ্টিবাদী অৰ্থনীতি (Macroeconomy) সম্পৰ্কে এক সংক্ষিপ্ত আলোচনা আগবঢ়াবলৈ সদনৰ অনুমতি বিচাৰিছোঁ।

মহোদয়, অতি আনন্দৰে মই জনাব খুজিছোঁ যে আমাৰ ৰাজ্যখনত এনে এক সুস্থিৰ বিকাশৰ হাৰ পৰিলক্ষিত হৈছে যি বিকাশ ৰাষ্ট্ৰীয় বিকাশৰ গড়তকৈ অধিক। ২০১৬-১৭ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষৰ এই সময়ছোৱাত আমাৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ আছিল বছৰি ৭.৭১%। উক্ত সময়ছোৱাত এই বৃদ্ধি হৈছিল স্থিৰ মূল্যত ২,০২,০৮০.৮৫ কোটি টকাৰ পৰা ২,৪৮,৭৯৬.১৫ কোটি টকালৈ। সেই একে সময়ছোৱাত ৰাষ্ট্ৰীয় বাৰ্ষিক বিকাশৰ হাৰ আছিল ৬.১১%। স্থিৰ মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমাণ ১২.৭% বাৰ্ষিক বিকাশেৰে ২০১৬-১৭ বৰ্ষৰ ২,৫৪,৩৮২.৩৬ কোটি টকাৰ পৰা ২০১৯-২০ বৰ্ষত ৩,৫১,৩১৭.৭৭ কোটি টকালৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত সৰ্বভাৰতীয় বিকাশৰ হাৰ আছিল ১০.৭২%। মহোদয়, সেই সময়ছোৱাত ৰাজ্যখনৰ জনমুৰি আয় ২০১৬-১৭ বৰ্ষৰ ৬৬,৩৩০ টকাৰ পৰা ২০১৯-২০ বৰ্ষত ৯০,৬৯২ টকালৈ বৃদ্ধি পাইছিল।

মহোদয়, ওপৰত উল্লেখ কৰা পৰিসংখ্যাকেইটা আপোনালোকৰ আগত দাঙি ধৰি মই এতিয়া আমাৰ ৰাজহ আৰু পুঁজিৰ অন্যান্য উৎস সম্পৰ্কে এটি

সম্যক ধাৰণা দিবলৈ বিচাৰিছোঁ। প্ৰথমতে মই কেন্দ্ৰীয় বাজেটে আমালৈ আগবঢ়োৱা পুঁজি আৰু অনুদান আৰু সেই বাজেটৰ ফলাফলসমূহৰ বিষয়ে বিশ্লেষণ কৰিব খোজোঁ। পঞ্চদশ বিত্ত আয়োগৰ চূড়ান্ত প্ৰতিবেদনত ২০২১-২২ বৰ্ষৰ বাবে অসমলৈ কেন্দ্ৰীয় কৰৰ অংশ হিচাপে ২০,৬০১ কোটি টকা অনুমোদন জনোৱা হৈছে। এই অনুমোদনত মাজুলীৰ সীমামূৰীয়া পথ তথা মথাউৰি নিৰ্মাণৰ বাবে ১,০৭৫ কোটি টকা আৰু কামাখ্যা মন্দিৰৰ সামগ্ৰিক বিকাশৰ বাবে ৩০০ কোটি টকা অনুদান ধাৰ্য কৰা হৈছে। তদুপৰি এই বৰ্ষত মাননীয়া কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ৰাজ্যসমূহলৈ প্ৰদান কৰা ৰাজহ ঘাটি অনুদানৰ পৰিমাণ কেন্দ্ৰীয় বাজেটত যথেষ্ট বৃদ্ধি কৰিছে, যাৰ ফলত আমাৰ বিত্তীয় অৱস্থা বহুখিনি উন্নত হ'ব। মহোদয়, এইসমূহৰ উপৰি কেন্দ্ৰীয় বাজেটত অসমৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। এই বাজেটত আমাৰ ৰাজ্যখনৰ বাবে ১,৩০০ কিঃ মিঃ দৈৰ্ঘ্যৰ অতিৰিক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে ৩৪,০০০ কোটি টকা আবণ্টন দিয়া হৈছে। তদুপৰি অসম আৰু পশ্চিমবংগৰ চাহ শ্ৰমিকসকলৰ কল্যাণৰ অৰ্থে ১০০০ কোটি টকা আবণ্টন দিয়া হৈছে। এনে উদাৰ আবণ্টনৰ বাবে মই আমাৰ ৰাজ্যৰ হৈ মাননীয় প্ৰধানমন্ত্ৰী আৰু মাননীয়া কেন্দ্ৰীয় বিত্ত মন্ত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহোদয়, মই এই বিষয়টোৰ ওপৰতো আলোকপাত কৰিব খোজোঁ যে বিগত পাঁচ বছৰত আমাৰ চৰকাৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি আৰু বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অনুদান বৃদ্ধিৰ জৰিয়তে অধিক বিত্তীয় সহায়তা বৃদ্ধিৰ প্ৰয়াস কৰি আহিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ অধীনত ২০১৬-১৭ বৰ্ষত ভাৰত চৰকাৰৰ পৰা আমি ১০,৪৪৪.০৭ কোটি টকা লাভ কৰিছিলোঁ আৰু ২০১৯-২০ বৰ্ষত এই পৰিমাণ ১৬,১০১.৫৪ কোটি টকালৈ বৃদ্ধি পাইছে। এই কথাই আমাক ব্যয়ৰ সমল বৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে। লগতে একে সময়ছোৱাত বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত আমি লাভ কৰা অনুদানৰ পৰিমাণ ২০১৬-১৭ বৰ্ষৰ ৫১৬.২১ কোটি টকাৰ পৰা ২০১৯-২০ বৰ্ষত ১,৬০৬.০৮ কোটি টকালৈ বৃদ্ধি পাইছে। যিসমূহ বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত আমি পুঁজি আহৰণ কৰিছোঁ সেইবোৰৰ ভিতৰত কেইটামান প্ৰধান প্ৰকল্প হৈছে— অসম নগৰীয়া আন্তঃগাঁথনি বিনিয়োগ প্ৰকল্প (Assam Urban Infrastructure Investment Project- AUIIP), অসম কৃষিবাণিজ্য আৰু গ্ৰাম্য

ৰূপান্তৰণ প্ৰকল্প (Assam Agribusiness and Rural Transformation Project-APART), অসম ৰাজ্যিক পথ প্ৰকল্প (Assam State Road Project) আৰু NDBৰ দ্বাৰা বিনিয়োগকৃত অসম সেতু প্ৰকল্প (Assam Bridge Project)।

ঐতিহাসিক সামগ্ৰী আৰু সেৱা কৰ (GST) বিধেয়ক গৃহীত কৰাৰ ক্ষেত্ৰত অসমেই হ'ল প্ৰথমখন ৰাজ্য। এই বিধেয়কখনে মূল্য সংযোজিত কৰ, কেন্দ্ৰীয় বিক্ৰী কৰ, প্ৰৱেশ কৰ, বিলাস কৰ, প্ৰমোদ কৰৰ লেখীয়া ৫টা বৃহৎ কৰক সামৰি লৈছে। এই ব্যৱস্থাই ৰাজ্যখনৰ কৰৰ গাঁথনিটোত এক উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰিছে। সামগ্ৰী আৰু সেৱা কৰ প্ৰণয়ন হোৱাৰ পাছত আমাৰ ৰাজ্যখনে GST কাউন্সিলৰ সদস্য হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু ১৪% বিকাশৰ হাৰত আমাৰ ৰাজ্যখনে কেন্দ্ৰীয় GST অংশৰ পৰা বুজন পৰিমাণৰ ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম হৈছে। উত্তৰ পূব আৰু পাৰ্বত্য ৰাজ্যবোৰৰ উদ্যোগৰ বাবেও অসমে বিশেষ ৰেহাই আদায় কৰিবলৈ সক্ষম হৈছে।

ৰাজ্যখনৰ নিজস্ব ৰাজহ বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে দেখুওৱা সফলতাসমূহৰ কথা নক'লে বিষয়টোৰ প্ৰতি ন্যায় কৰা নহ'ব। সম্পদ বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে হাতত লোৱা ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে ৰাজ্যৰ মূল ৰাজহ আহৰণকাৰী বিভাগসমূহে ইতিবাচক ফল দেখুৱাবলৈ সক্ষম হৈছে। মুঠ ৰাজহপ্ৰাপ্তিৰ প্ৰায় ২৬ শতাংশই হ'ল ৰাজ্যখনে নিজে উপাৰ্জন কৰা ৰাজহ। ২০১৯-২০ বৰ্ষত ৰাজ্যৰ নিজা কৰ ৰাজহৰ পৰিমাণ ১৬,৫২৯ কোটি টকালৈ বৃদ্ধি পাইছে। আমাৰ কৰ ৰাজহৰ পৰিমাণ সুস্থিৰভাৱে বৃদ্ধি হৈ ২০১৬-১৭ বৰ্ষৰ ১২,০৭৯.৫৬ কোটি টকাৰ পৰা ২০১৯-২০ বৰ্ষত ১৬,৫২৮.৬৯ কোটি টকা হৈছেগৈ। এই সময়ত কৰ ৰাজহৰ সৰ্বমুঠ বাৰ্ষিক বিকাশৰ হাৰ হৈছে ৮.১৬ শতাংশ।

মহোদয়, কৰ ৰাজহৰ উপৰি মূলতঃ ভাৰত চৰকাৰৰ পৰা বকেয়া ৰয়েল্টী লাভ কৰাৰ ফলত ৰাজ্যখনৰ অনাকৰ ৰাজহৰ পৰিমাণো বৃদ্ধি পাইছে। মহোদয়, তেল কোম্পানীসমূহৰ পৰা আমাৰ ৰাজ্যই পাবলগীয়া খাৰুৱা তেলৰ বকেয়া ৰয়েল্টী সম্পৰ্কতো আমাৰ চৰকাৰে নিৰন্তৰভাৱে সচেষ্ট হৈ থকাৰ ফলত বৰ্তমান ২০১৬-১৭ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষলৈকে আমি প্ৰায় ৭,৭৫৬ কোটি টকা ৰয়েল্টী পাবলৈ সক্ষম হ'লোঁ। এই ক্ষেত্ৰত মই মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ক তেখেতৰ হস্তক্ষেপৰ বাবে পুনৰ বাৰ আন্তৰিক ধন্যবাদ জনাব খোজোঁ।

মহোদয়, মই এতিয়া ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি তথা বিত্তমন্ত্ৰী হিচাপে মোৰ কাৰ্যকালত আমাৰ চৰকাৰে হাতত লোৱা পদক্ষেপ সম্পৰ্কে এক বিশ্লেষণ দাঙি ধৰিব বিচাৰিছোঁ। ৰাজ্যখনৰ সমষ্টিবাদী অৰ্থনীতিৰ সুস্থিৰতা আৰু চৰকাৰী ব্যয়ৰ জৰিয়তে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ প্ৰয়োজনীয়তাৰ কথা মনত ৰাখি আমাৰ চৰকাৰে বিত্তীয় সু-ব্যৱস্থাপনাৰ দিশত পদক্ষেপ হাতত লৈছে। ইয়াৰ ফলস্বৰূপে আমি বিগত ৫ বছৰত বিত্তীয় আৰু ৰাজহ ঘাটি ৰোধ কৰিবলৈ সক্ষম হৈছো। কঠোৰ বিত্তীয় ব্যৱস্থাপনা সত্ত্বেও আমাৰ চৰকাৰে বাজেট ধাৰ্য ব্যয়ৰ পৰিমাণ ২০১৬-১৭ বৰ্ষত ৮৩,০১৭ কোটি টকা; ২০১৭-১৮ বৰ্ষত ৯৯,৪৫৩ কোটি টকা; ২০১৮-১৯ বৰ্ষত ১,০৮,৪৯০ কোটি টকা; ২০১৯-২০ বৰ্ষত ১,১৯,৭২০ কোটি টকা আৰু ২০২০-২১ বৰ্ষত ১,২২,৩৪১ কোটি টকা লৈ যাবলৈ সক্ষম হৈছে। ইয়াৰ ফলত আমাৰ চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালত বাজেট সম্বন্ধীয় ব্যয় ৪৭.৩৭% লৈ বৃদ্ধি পাইছে। ই হৈছে অৰ্থনৈতিক উন্নয়নৰ দিশত আমাৰ চৰকাৰে হাতত লোৱা কাৰ্যকৰী আৰু কঠোৰ পদক্ষেপৰ ফল। মহোদয়, এই তথ্যবোৰে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰে। মহোদয়, অসমে নিজৰ সম্ভাৱনাক বাস্তৱলৈ পৰিৱৰ্তন কৰিব লাগিব আৰু নিজকে এখন উন্নত ৰাজ্যৰূপে গঢ়ি তুলিবলৈ দৃঢ় পদক্ষেপ ল'ব লাগিব। এখন '**সুজলা, সুফলা, শস্য শ্যামলা অসম**'ৰ কথা কৈ বহু দশক পাৰ কৰা হ'ল। কিন্তু তেনে এখন অসমৰ অনিৰুদ্ধ যাত্ৰাৰ পথ আমি এতিয়াহে দেখিবলৈ পাইছোঁ। মই দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ যে আমাৰ চৰকাৰে কেৱল বাজেটৰ আকাৰ বৰ্দ্ধন কৰিয়েই ক্ষান্ত থকা নাই, বৰং সেই বাজেটৰ ৰূপায়ণৰ ওপৰতো গুৰুত্ব দিছে। ২০১৯-২০ বৰ্ষত প্ৰস্তাৱিত বাজেটৰ প্ৰায় ৬৮ শতাংশ ৰূপায়ণ হোৱাটো পূৰ্বৰ বৰ্ষবোৰৰ তুলনাত এক উল্লেখযোগ্য প্ৰাপ্তি। প্ৰকৃত বাজেট ব্যয়ৰ ক্ষেত্ৰত ২০১৫-১৬ বৰ্ষৰ ৪১,৯৩১.৩২ কোটি টকাৰ বিপৰীতে ২০১৯-২০ বৰ্ষত এই ব্যয় প্ৰায় দুগুণ বৃদ্ধি হৈ ৮১,০৮৮ কোটি টকা হয়গৈ। আমাৰ চৰকাৰৰ চাৰি বছৰীয়া কাৰ্যকালতে এই কথা সম্ভৱ হৈছে। অধ্যক্ষ মহোদয়, ৰাজহুৱা পুঁজিৰ ব্যৱহাৰৰ প্ৰমাণপত্ৰ প্ৰদান নিশ্চিতকৰণত চৰকাৰে দিয়া গুৰুত্বৰ বিষয়ে মই বিশেষভাৱে উল্লেখ কৰিবলৈ বিচাৰিছোঁ। সাম্প্ৰতিক সময়ত পোনপ্ৰথমবাৰৰ বাবে ২০১৬-১৭ বিত্তীয় বৰ্ষত মুঠ ১৮৬৩টা পুঁজি ব্যয়ৰ ভিতৰত

১৮৩৯খন ব্যৱহাৰ প্ৰমাণপত্ৰ মহাগাণনিকৰ ওচৰত দাখিল কৰা হৈছে। এয়া হ'ল মুঠ পুঁজি ব্যয়ৰ ৯৮.৭১ শতাংশ। একেদৰে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাবে মুঠ ২২৬৭টা পুঁজি ব্যয়ৰ বিপৰীতে মহাগাণনিকৰ ওচৰত ২০৩১খন ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল কৰা হৈছে যি মুঠ পুঁজি ব্যয়ৰ প্ৰায় ৯০ শতাংশ। এনে ব্যৱহাৰৰ প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰক সক্ৰিয় কৰি তোলাৰ বাবে অসমৰ মহাগাণনিকক মই ধন্যবাদ জনাইছোঁ।

মহোদয় এইখিনিতে এখন্তেক সময় লৈ মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে - বিগত পাঁচ বছৰত বিভিন্ন শিতানত আমি আমাৰ ব্যয় বহুগুণে বৃদ্ধি কৰিছোঁ। এনে ব্যয়ৰ গাঁথনিৰ ক্ষেত্ৰতো নাটকীয় পৰিৱৰ্তন আহিছে। মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত আমাৰ চৰকাখনে কেৱল ৰাজহ ব্যয় বৃদ্ধিৰ পৰিৱৰ্তে সম্পদ সৃষ্টি আৰু মূল্য সংযোজনত অধিক গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যখনৰ বিত্তীয় অৱস্থা সম্পৰ্কত ২০১৮-১৯ বৰ্ষৰ মহাগাণনিকৰ প্ৰতিবেদনত স্পষ্টকৈ কোৱা হৈছে যে চাৰি বছৰত আমাৰ মূলধনী ব্যয়ৰ পৰিমাণ ২০১৬-১৭ বৰ্ষৰ ৬০০১ কোটি টকাৰ পৰা দুগুণলৈ বৃদ্ধি হৈ ২০১৯-২০ বৰ্ষত ১৩,৫০১ কোটি টকা হয়।

অধ্যক্ষ মহোদয়, যোৱা চাৰিটা বৰ্ষত বিত্ত বিভাগে সু-প্ৰশাসন, বৰ্দ্ধিত স্বচ্ছতা আৰু সহজসাধ্য কাৰ্য সম্পাদনৰ অৰ্থে প্ৰণালীবদ্ধ ভাৱে সংস্কাৰ সাধন কৰিছে। আমি সংহত বিত্তীয় ব্যৱস্থাপনা তথ্য প্ৰণালী (IFMIS) প্ৰৱৰ্ত্তন কৰিছোঁ, যাৰ জৰিয়তে অনলাই বাজেট ব্যৱস্থাপনা, অনলাইন বাজেট বিতৰণ আৰু পুনৰ গ্ৰহণ, পুনৰ বিনিয়োজন, ই-চিলিং ব্যৱস্থাপনা, অনলাইন দৰমহা বিল আৰু ই-বাজেট আদি সকলো এটা পদ্ধতিৰ আওতালৈ অনা হৈছে। তদুপৰি, ৰাজ্যখনৰ প্ৰশাসনীয় অনুমোদন আৰু বিত্তীয় মঞ্জুৰিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে বৈদ্যুতিন অনুমোদন ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে আমি তৎপৰতাৰে কাম কৰি আছোঁ। কম্পিউটাৰকৃত কোষাগাৰ ব্যৱস্থাপনা তথ্য প্ৰণালী (CTMIS)য়ে কোষাগাৰৰ সকলো কাম-কাজ স্বয়ংক্ৰিয় কৰি তুলিছে। ইয়াৰ জৰিয়তে দৰমহাৰ বিল আৰু অন্যান্য দেয়কসমূহ বিভিন্ন বিভাগৰ মাজত ফাইলৰ আদান-প্ৰদান নোহোৱাকৈ অনলাইন প্ৰক্ৰিয়াৰে সম্পন্ন কৰিব পৰা হৈছে। আজি মোৰ কেবিনেটৰ

সতীৰ্থসকলে এই কথা নিশ্চিতভাৱে স্বীকাৰ কৰিব যে - বাজেট আৰু ব্যয়ৰ প্ৰক্ৰিয়া এতিয়া অধিক সৰল আৰু নিপুণ হৈছে। এই চিলিং ব্যৱস্থাপনা আৰু দেয়ক মুকলিকৰণৰ গোটেই প্ৰক্ৰিয়াটো অধিক স্বচ্ছ কৰাৰ আৰু সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত এই পদক্ষেপে আমাক সহায় কৰিছে আৰু এইধৰণে প্ৰতিবছৰৰ মাৰ্চ মাহত হোৱা বিত্তীয় কাৰ্যৱলীৰ হেঁচা কম কৰাত সহায়ক হৈছে।

মহোদয়, বিত্ত বিভাগে সাধন কৰা আন এটা প্ৰধান সংস্কাৰ হ'ল— eGRAS (চৰকাৰী প্ৰাপ্তি আৰু হিচাপ-নিকাচ ব্যৱস্থা)ৰ ৰূপায়ণ। ই হৈছে ৰাজ্যখনৰ ৰাজকোষত সকলো ধৰণৰ ৰাজহ জমাৰ বাবে এক সমূহীয়া ৰাজহ সংগ্ৰহ প'ৰ্টেল। নাগৰিকসকল আৰু কৰদাতাসকলে এতিয়া তেওঁলোকৰ কৰ, মাচুল, জৰিমনা আৰু অন্যান্য দিবলগীয়া ধন অনলাইনযোগে এই প'ৰ্টেলৰ জৰিয়তে আদায় দিব পাৰে আৰু ইয়াৰ পৰা তেওঁলোকে এখন ৰছিদ লাভ কৰে। Ease of doing business সুনিশ্চিত কৰাৰ অৰ্থে ই হৈছে এক বৃহৎ সংস্কাৰমূলক পদক্ষেপ, যাতে সাধাৰণ নাগৰিক আৰু কৰদাতাসকলে ধন প্ৰদানৰ বাবে দীঘলীয়া শাৰীত থিয় হ'ব নালাগে।

মহোদয়, চৰকাৰখনক ৰাইজৰ অধিক কাষ চপাই নিয়াটো আমাৰ এক সপোন আছিল। এই দৰ্শনৰ কথা মনত ৰাখি নাগৰিকসকলৰ সুবিধা অধিক বৃদ্ধিৰ উদ্দেশ্যে আমি ২১ টা নতুন উপ-কোষাগাৰ মুকলি কৰাৰ লগতে কাৰ্যক্ষম কৰি তুলিছো।

মহোদয়, ৰাজহুৱা ক্ৰয় ব্যৱস্থাৰ ক্ষেত্ৰত স্বচ্ছতা বৃদ্ধি আৰু Ease of Doing Bussiness সহজসাধ্য কৰি তুলিবলৈ আমাৰ চৰকাৰে যুগান্তকাৰী সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছে। বিভিন্ন বিভাগৰ ক্ৰয় ব্যৱস্থা অধিক সহজসাধ্য কৰি তুলিবলৈ চৰকাৰে 'Government e-Market Place (GeM)' পৰ্টেলৰ ফলপ্ৰসূ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই ব্যৱস্থাত বৰ্তমানলৈকে সক্ৰিয় ক্ৰেতাৰ সংখ্যা হৈছে ১৩১ আৰু সক্ৰিয় বিক্ৰেতাৰ সংখ্যা হৈছে ১২,৭৯১। অধ্যক্ষ মহোদয়, মুঠ ১৯২৬ সংখ্যক লেনদেনসহ অসমৰ বাবে GeMৰ জৰিয়তে কৰা মুঠ ক্ৰয়ৰ বৰ্তমান মূল্য হৈছে ৪০০.৬৪ কোটি টকা। এইখিনিতে উল্লেখ কৰিব পাৰি যে দক্ষিণ কোৰিয়াৰ পৰা গ্ৰহণ কৰা আৰ্হিৰে অসমে ৰাজহুৱা ক্ৰয়

ব্যৱস্থাপনাত দেখুওৱা শ্ৰেষ্ঠ পাৰদৰ্শিতাৰ বাবে বিশ্ব বেংকে তেওঁলোকৰ কাৰ্যসূচীৰ ৰূপায়ণৰ বাবে আমাৰ ৰাজ্যখনক ৫টা চৰকাৰী সংস্থাৰ ভিতৰত অন্যতম বুলি চিনাক্ত কৰিছে।

তদুপৰি মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱালদেৱৰ ‘দুৰ্নীতিমুক্ত অসম’ৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে আমাৰ চৰকাৰে অসম ৰাজহুৱা ক্ৰয় আইন, ২০১৭ শীৰ্ষক এখন আইন আৰু ইয়াৰ নিয়মাৱলী প্ৰণয়ন কৰি উলিয়াইছে যাৰ উদ্দেশ্য হ’ল ৰাজহুৱা ক্ৰয় প্ৰক্ৰিয়াৰ সম্পূৰ্ণ স্বচ্ছতা, ক্ষিপ্ৰতা আৰু দক্ষতা সুনিশ্চিত কৰা। এই আইনখন ৰূপায়ণৰ বাবে যাৱতীয় বিধিসমূহো যোৱা বছৰৰ ছেপ্টেম্বৰত অধিসূচিত কৰা হৈছে। মহোদয়, এয়া নিশ্চয়কৈ আমাৰ আটাইৰে বাবে গৌৰৱৰ বিষয় যে ৰাজহুৱা ক্ৰয়ৰ বাবে এনে ধৰণৰ উৎসৰ্গিত ক্ৰয় আইন আৰু নিয়মাৱলী থকা অসম হৈছে দেশৰ ভিতৰত চতুৰ্থখন ৰাজ্য। এই ক্ষেত্ৰত অঞ্চলটোত অসম এক অন্যতম পথ প্ৰদৰ্শনকাৰী ৰাজ্য হিচাপে চিহ্নিত হৈছে। আইনখন হাতে কামে বলবৎ কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিষয়াবৰ্গৰ সক্ষমতা গঢ়ি তোলা আৰু লগতে ক্ৰয় প্ৰক্ৰিয়া সম্পৰ্কীয় তথ্যাৱলী ৰাইজে সহজে ঢুকি পোৱাটো নিশ্চিত কৰিবলৈও আমি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষটো মানৱ ইতিহাসত এক দুৰ্যোগপূৰ্ণ বছৰ হিচাপে চিহ্নিত হৈছে। ক’ভিড-১৯ মহামাৰীয়ে মাথো জীৱন আৰু স্বাস্থ্যৰ প্ৰতিয়েই ভাবুকি কঢ়িয়াই অনা নাছিল, ই ভাৰতকে ধৰি সমগ্ৰ বিশ্বকে নোহোৱা-নোপজা লক্‌ডাউনৰ পৰিস্থিতিলৈ ঠেলি দিছিল। ইয়াৰ ফলত আমাৰ মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ বিকাশত ঋণাত্মক প্ৰভাৱ পৰিছিল। আমাৰ ৰাজ্যখনো চলিত বিত্তীয় বৰ্ষৰ বিশেষকৈ প্ৰথম দুটা ত্ৰিমাসিকত বিকাশৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱৰ কবলত পৰিছিল যাৰ ফলত ৰাজহ সংগ্ৰহৰ লক্ষ্যপূৰ্তিৰ ক্ষেত্ৰত আমি বাৰুকৈয়ে বাধাৰ সন্মুখীন হৈছিলোঁ। অৱশ্যে, আমাৰ ৰাজ্যখনে অৰ্থনৈতিক ক্ষেত্ৰত দৃষ্টান্তমূলক উদ্যম আৰু কাৰ্যদক্ষতা দেখুওৱাত সফল হৈছিল। মই গৌৰৱান্বিত যে আন কিছুমান ৰাজ্যৰ দৰে আমি চৰকাৰী কৰ্মচাৰীসকলৰ দৰমহা কৰ্তন কৰিবলগা নহ’ল আৰু লগতে পেঞ্চনাৰসকলকো আমি সময়মতে পেঞ্চন প্ৰদান কৰিবলৈ সক্ষম হ’লোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই ভাবোঁ যে সদনত উপস্থিত থকা মোৰ সতীৰ্থসকল এই কথাত সন্মত হ'ব যে বিগত ১২ মাহৰ সময়ছোৱা সমগ্ৰ মানৱ জাতিৰ বাবে মানসিক, আৰোগিক, শাৰীৰিক আৰু আৰ্থিকভাৱে এক বৃহৎ প্ৰত্যাহ্বান আছিল। এই অতিমাৰীৰ কালত ৰাজ্যখনক নেতৃত্ব দিয়াটো ৰাজহুৱা জীৱনতো এক অন্যতম প্ৰত্যাহ্বান আছিল। এই সংকটকালৰ পৰা পৰিত্ৰাণ পাবলৈ আমাৰ চৰকাৰে তিনিটা 'T'— Test, Trace আৰু Treat ৰে গঠিত এক ত্ৰিকোণীয় ৰণকৌশল হাতত লৈছিল। এই সময়ছোৱাত আমি 'আই চি ইউ' আৰু 'ভেণ্টিলেছন'ৰ সুবিধাকে ধৰি আন্তঃগাঁথনি নিৰ্মাণ, সন্মুখৰ যোদ্ধাসকলৰ দক্ষতা বৃদ্ধি, ক'ভিড-১৯ৰ লগত জড়িত প্ৰট'কল আৰু 'সৰ্বোৎকৃষ্ট ব্যৱস্থাৱলী' গ্ৰহণ কৰা আৰু ক্ষেত্ৰীয় পৰ্যায়ত উৎসাহ-উদ্দীপনা যোগোৱাৰ ওপৰত নিৰৱচ্ছিন্নভাৱে গুৰুত্ব আৰোপ কৰিছিলোঁ। ক'ভিড অতিমাৰীৰ বিৰুদ্ধে আমি লাভ কৰা সফলতাৰ কাৰণে অক্লান্তভাৱে কাম কৰা লোকসকলৰ বাবে মই গৌৰৱান্বিত। 'ক'ভিডৰ বিৰুদ্ধে যথোপযুক্ত সাৱধানতা' লোৱাৰ বাবে সমূহীয়া সজাগতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আমাৰ লগত ঐক্যবদ্ধভাৱে কাম কৰা অসমৰ জনসাধাৰণক মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহোদয়, ৰাজহুৱা জীৱনত সম্ভৱতঃ এয়া মোৰ সৰ্বোচ্চ সন্তুষ্টি। এই ছেগতে মই চিকিৎসক, পেৰা-মেডিকেল কৰ্মী আৰু নাৰ্ছ, এনফ'ৰ্চমেণ্ট বিভাগ, জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু এন এইচ এম কৰ্মীসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ। জীৱন ৰক্ষাৰ ক্ষেত্ৰত চিকিৎসক আৰু নাৰ্ছসকলৰ ভূমিকা নিশ্চয়কৈ অত্যন্ত গুৰুত্বপূৰ্ণ; কিন্তু একে সময়তে চিকিৎসা সেৱাৰ সা-সুবিধাসমূহ সচল কৰি ৰখাটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত আন স্বাস্থ্যকৰ্মীসকলে আগ বঢ়াই অহা সেৱাও কোনো গুণে কম নহয়। এওঁলোক হ'ল সঁচা অৰ্থত নেপথ্যৰ নায়ক। মই এয়াও উল্লেখ কৰিব লাগিব যে ক'ভিড-১৯ মহামাৰীৰ তীব্ৰতা সৰ্বাধিক হোৱাৰ কালছোৱাত অতিৰিক্তভাৱে অধিক সংখ্যক লেব'ৰেটৰী টেকনিচিয়ান, ডাটা এণ্ট্ৰী অপাৰেটৰ, ক্লীনাৰ, ৱাৰ্ড বয় আৰু ৱাৰ্ড গাৰ্লৰ জৰুৰী প্ৰয়োজনীয়তা উদ্ভৱ হৈছিল। এই প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে অস্থায়ী কৰ্মী নিযুক্তিৰ বাবে আমি জনোৱা আহ্বানলৈ অনেকেই সঁহাৰি জনাইছিল। সেই তমসাচ্ছন্ন কালছোৱাত তেওঁলোকৰ আটায়ে আগ বঢ়োৱা নিষ্ঠাপূৰ্ণ সেৱাৰ

বাবে অসমৰ ৰাইজ তেওঁলোকৰ প্ৰতি গভীৰভাৱে কৃতজ্ঞ। তেওঁলোকৰ এনে একনিষ্ঠ সেৱাৰ ফলস্বৰূপে ক'ভিড-১৯ৰ পৰা আৰোগ্যৰ ক্ষেত্ৰত আমি ৯৮.৭৩ শতাংশৰ এক উচ্চ হাৰ আৰু মৃত্যুৰ ক্ষেত্ৰত ০.৫০ শতাংশৰ সৰ্বনিম্ন হাৰ ৰক্ষা কৰাত আৰম্ভণিৰ পৰাই সফল হৈছোঁ আৰু ইয়াৰ বাবে আমাৰ ৰাজ্যখন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বহুলভাৱে সমাদৃত হৈছে। মহোদয়, অলপতে কৰা শিৱসাগৰ ভ্ৰমণৰ সময়ছোৱাত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়ায়ো ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত দেখুওৱা সফলতাৰ বাবে ৰাজ্যখনক ভূয়সী প্ৰশংসা কৰে।

এই প্ৰসংগত মই উল্লেখ কৰিব বিচাৰোঁ যে ক'ভিড-১৯ৰ বিৰুদ্ধে হোৱা যুঁজখনৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ পৰা আমি ২০১৯-২০ বৰ্ষৰ বাবে ৭২.৭৩ কোটি টকাৰ অনুদান লাভ কৰিছোঁ। ইয়াৰ উপৰি ক'ভিড-১৯ ব্যৱস্থাপনাৰ উদ্দেশ্যে ২০২০-২১ বৰ্ষৰ বাবে অলপতে আমি ১৮২ কোটি টকা লাভ কৰিছোঁ। তদুপৰি আমাৰ ক'ভিড যুদ্ধৰ সমুখ সেনানীসকলক প্ৰথম পৰ্যায়ত টিকাকৰণৰ বাবে ভাৰত চৰকাৰে ২.৪৬ কোটি টকাৰ অনুদান প্ৰদান কৰিছে। এইক্ষেত্ৰত সহায় আগ বঢ়োৱাৰ বাবে মই ভাৰত চৰকাৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি ক'ভিড-১৯ৰ ব্যৱস্থাপনাৰ বাবে আমি উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন (DONER) মন্ত্ৰালয় আৰু GIZ Indiaৰ পৰা ৪.৯৯ কোটি টকা আৰু ৮.৩৬ কোটি টকা লাভ কৰিছোঁ। অধ্যক্ষ মহোদয়, লগতে মই এই পবিত্ৰ সদনক জনাব বিচাৰোঁ যে ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধ আৰু ব্যৱস্থাপনাৰ বাবে স্বাস্থ্য বিভাগলৈ আবণ্টন দিয়া ৬,১২৬ কোটি টকাৰ উপৰি সাধাৰণ বাজেটলৈ আমাৰ চৰকাৰে অতিৰিক্ত ৭৬০ কোটি টকা আবণ্টন দিছে।

অধ্যক্ষ মহোদয়, ক'ভিড কালছোৱা আছিল এছোৱা জটিল সময়। সংক্ৰমিত লোকৰ সংখ্যা প্ৰতিদিনে দ্ৰুতভাৱে বৃদ্ধি পাইছিল, কিন্তু এই পৰিস্থিতিৰ বিৰুদ্ধে যুঁজিবলৈ আমাৰ সম্পদৰ পৰিমাণ আছিল তাকৰীয়া। এনে এক জটিল সময়ত আমাৰ কাষত দৃঢ়তাৰে থিয় দিছিল অসমৰ নাগৰিকসকল। তেওঁলোকে আমালৈ কেৱল নৈতিক সমৰ্থন আগ বঢ়োৱাই নহয়, তাৰ লগতে নিচেই কম সময়ৰ ভিতৰতে অসম আৰোগ্য নিধিলৈ সৰ্বমুঠ ১১৬.৮৯ কোটি টকাৰ বৰঙনি

উদাৰ হস্তে আগ বঢ়াইছিল। এই সংকটৰ কালত আমালৈ দান-বৰঙনি যোগোৱা সকলো সন্মানীয় দাতালৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। একে সময়তে এই পৱিত্ৰ সদনক আৰু লগতে অসমৰ ৰাইজক জনাবলৈ বিচাৰিছোঁ যে ঈশ্বৰৰ কৃপাত আমি এতিয়ালৈ এই পুঁজিত হাত দিবলগীয়া হোৱা নাই। এই সমগ্ৰ পুঁজি এতিয়াও আমাৰ হাতত সংৰক্ষিত হৈ আছে। ভৱিষ্যতৰ সময়ছোৱাত ক'ভিডৰ বিৰুদ্ধে যুঁজ দিবলৈ এই পুঁজি আমি সৰ্বাধিক সম্ভৱপৰ সতৰ্কতাৰে ব্যৱহাৰ কৰিম।

মই উল্লেখ কৰিব খোজোঁ যে সমগ্ৰ বৰ্ষটোতে এই মহামাৰীৰ বিৰুদ্ধে হোৱা যুদ্ধখনত ১০০০খন ICU বিছনা, ৪,৫০০খন নিয়মীয়া হাস্পতালৰ বিছনা, ১৪০৮ ভেণ্টিলেটৰ আৰু ৪৫৪১টা অক্সিজেন চিলিণ্ডাৰৰ ব্যৱস্থা কৰিবলৈ আমি সক্ষম হৈছোঁ। এই মৌলিক আন্তঃগাঁথনিগত সংযোজনসমূহে আমাক মহামাৰীৰ বিৰুদ্ধে হোৱা যুঁজখনত সহায় কৰাৰ লগতে ই অহা দিনসমূহত বৰ্তমানে থকা স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনিতো অতিৰিক্ত হিচাপে সহায়ক হ'ব। অধ্যক্ষ মহোদয়, এই মুহূৰ্তত মই গুৰুত্ব সহকাৰে ক'ব বিচাৰোঁ যে এই ভাইৰাছবিধৰ বিৰুদ্ধে হোৱা যুদ্ধখন শেষ হ'বলৈ অথবা ই অনা ভাবুকিৰ পৰা পৰিত্ৰাণ পাবলৈ এতিয়াও বহুত বাকী আছে। এইক্ষেত্ৰত আমি শিথিলতা প্ৰদৰ্শন কৰাৰ সময় এতিয়াও আহি পৰা নাই। আমি যথেষ্ট সতৰ্ক হৈ থাকিব লাগিব আৰু এই ৰোগৰ বিৰুদ্ধে হোৱা যুদ্ধখনৰ পিছৰ পৰ্যায়টোৰ বাবে আমি সাজু হ'ব লাগিব। ইয়াৰ পিছত আমাৰ লক্ষ্য হৈছে টিকাকৰণৰ দ্বাৰা আমাৰ ৰাজ্যখনৰ লোকসকলক সামৰি লোৱা তথা তেওঁলোকক প্ৰয়োজনীয় সুৰক্ষা প্ৰদান কৰা। ইয়াৰ বাবে ৬.৬ লাখ ভেকচিন ড'জৰ ব্যৱস্থা কৰা হৈছে। মই এই পবিত্ৰ সদনক জনাবলৈ পাই সুখী যে এতিয়ালৈ ১.১৫লাখ ক'ভিড-১৯ প্ৰতিযেধকৰ ড'জ প্ৰদান কৰা হৈছে। ইয়াৰ ফলত আমাৰ ৰাজ্যখন এই ভাইৰাছৰ পৰৱৰ্তী সংক্ৰমণৰ পৰা ৰক্ষা পৰিব।

**মহোদয়,** আমাৰ সংবিধানৰ নিৰ্ণায়ক আদৰ্শৰাজিয়ে অন্তৰ্মুখী উন্নয়ন আৰু অৰ্থনৈতিক উত্থানৰ সংবৃদ্ধিৰ পথ নিৰ্দেশ কৰে আৰু এয়াই আমাৰ চৰকাৰৰ কৰ্মসঞ্চালন প্ৰণালীৰ আধাৰ। লগতে আমি দীনদয়াল উপাধ্যায়ৰ

সাৰ্বজনীন মানৱতাবাদৰ ধাৰণাৰ দ্বাৰাও উদ্বুদ্ধ। মহোদয়, মাননীয় প্ৰধানমন্ত্ৰীৰ '*সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস*' শীৰ্ষক দৃষ্টিভংগীৰ ছত্ৰচায়াত আমাৰ চৰকাৰে ৰাজ্যশাসন প্ৰণালীৰ দৰ্শনৰ ভেটি নিৰ্মাণ কৰিছে আৰু মই এই পৱিত্ৰ সদনৰ মজিয়াত উপস্থাপন কৰা প্ৰতিখন বাজেটত ওপৰুক্ত দৰ্শন, আদৰ্শ, দৃষ্টিভংগী আৰু ধাৰণাৰ সম্যক প্ৰতিফলন ঘটে।

মহোদয়, বিগত পাঁচ বছৰত মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত আমি সৰ্বাত্মক ৰূপান্তৰ আৰু বিকাশৰ সপোন দেখিছিলোঁ আৰু আকাংক্ষা পোষণ কৰিছিলোঁ। ইয়াৰ ফলশ্ৰুতিতেই আমি আমাৰ ৰাজ্যৰ সৰ্বাত্মক পৰিৱৰ্তনক লক্ষ্য হিচাপে লৈ বিভিন্ন ধ্বজাবাহী আঁচনি প্ৰৱৰ্তন কৰিবলৈ প্ৰেৰণা লাভ কৰিছিলোঁ। আমি এই আঁচনিবোৰক '**অষ্টাদশ মুকুতাৰ উন্নয়নী মালা**' নামেৰে নামকৰণ কৰিছোঁ। ভক্তিতত্ত্ব নিৰূপক মহাগ্ৰন্থ শ্ৰীমদ্ভাগৱত গীতাৰ ওঠৰটা অধ্যায়ৰ ওঠৰ সংখ্যাৰ দ্বাৰা অনুপ্ৰাণিত হৈ প্ৰত্যেক বৰ্ষতে আমি ওঠৰখনকৈ ধ্বজাবাহী আঁচনিৰ প্ৰৱৰ্তন কৰিছিলোঁ। সকলোকে সামৰি গ্ৰহণ কৰা উচ্চাভিলাষী আঁচনিসমূহ ফলপ্ৰসু কৰি তোলাৰ অংগীকাৰ আমি প্ৰতিবছৰে ৰক্ষা কৰি আহিছোঁ আৰু এই ধ্বজাবাহী আঁচনিসমূহ গতিশীল, সৰ্বাত্মক আৰু অসমৰ সৰ্বাংগীন বিকাশৰ লক্ষ্যত উপনীত হোৱাতো আমি নিশ্চিত কৰিছোঁ। এতিয়া মই এই ধ্বজাবাহী আঁচনিসমূহৰ কিছু উল্লেখযোগ্য সফলতা দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ।

## ১। মহিলা সবলীকৰণ

অধ্যক্ষ মহোদয়, আমাৰ সংবিধানৰ জনক বাবাচাহেব আম্বেদকাৰে কৈছিল 'মই মহিলাসকলে সাধন কৰা প্ৰগতিৰ জোখেৰে এখন সমাজৰ প্ৰগতি নিৰ্দ্ধাৰণ কৰোঁ'। যিখন সমাজে ইয়াৰ জনসংখ্যাৰ ৫০%ক সবলীকৰণ কৰিব নোৱাৰে সেইখন সমাজে সৰ্বাত্মক অথবা প্ৰগতিশীল উন্নয়নৰ কথা ভাবিব নোৱাৰে। এইদৰে আমাৰ ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাত মহিলাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা নিশ্চিত কৰিবলৈ আমাৰ চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। এই কথা মনত ৰাখি অষ্টাদশ মুকুতা উন্নয়নী মালাৰ অধীনত কেতবোৰ উল্লেখযোগ্য আঁচনি আৰম্ভ কৰা হৈছে।

*(১.১) অৰুণোদয়*

মাননীয় অধ্যক্ষ মহোদয়, মোৰ পূৰ্বৱৰ্তী বৰ্ষত বাজেটৰ মই অৱগত কৰিছিলোঁ যে আমাৰ শত-সহস্ৰ লোকক দাৰিদ্ৰতাৰ পৰা উত্তৰণ ঘটোৱাৰ আটাইতকৈ ফলপ্ৰসূ উপায় হৈছে সেইসকল লোকলৈ এককালীনভাৱে পৰ্যাপ্ত ধন হস্তান্তৰ কৰা। মহোদয়, আমাৰ মাতৃ আৰু ভগ্নীসকলৰ বিশেষকৈ আমাৰ সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকক সহায়ৰ উদ্দেশ্যে আমাৰ চৰকাৰে যোৱা বৰ্ষৰ বাজেটত অভিলাষী অৰুণোদয় আঁচনিখন মুকলি কৰিছিল। আমাৰ সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল মহিলাসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে এই আঁচনিখনে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (DBT) মাধ্যম গ্ৰহণ কৰিছে। অধ্যক্ষ মহোদয়, অৰুণ-উদয় অৰ্থাৎ উদিত সূৰ্যই প্ৰকৃততে এই মহিলাসকললৈ প্ৰতিকীৰূপত আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। এই পৰ্যন্ত বেংকৰ সক্ৰিয় সহযোগিতাত ১৭,২৫,৫৯০ গৰাকীৰো অধিক হিতাধিকাৰীৰ বেংকৰ একাউণ্টত ধন জমা হোৱা আৰম্ভ হৈছে। এইটো আমাৰ চৰকাৰে অৰ্জন কৰা এটা অভূতপূৰ্ব উন্নয়নৰ মাইলৰ খুঁটি যিটোত অৰ্থনৈতিক সবলীকৰণ, বিত্তীয় সাক্ষৰতা, পুষ্টিসাধন, সাহায্যৰ সম্প্ৰসাৰণ আৰু সৰ্বোপৰি প্ৰতিটো ঘৰ আৰু প্ৰতিটো পৰিয়াললৈ উন্নয়নৰ ধাৰা বোৱাই নিয়াৰ লেখীয়া বহুতো সুবিধা বিদ্যমান।

মহোদয়, মই পূৰ্বতে উল্লেখ কৰা অনুসৰি অৰুণোদয় হৈছে এখন অভিলাষী আঁচনি, যিখন আঁচনিয়ে আমাৰ সমাজৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ লোকসকলক সামৰি লৈছে। নিৰ্ধাৰিত লক্ষ্য সম্পৰ্কীয় সীমাবদ্ধতাৰ বাবে সমাজৰ যিসকল লোক ইতিমধ্যে অন্য আঁচনিৰ অধীনত যোগ্য বিবেচিত হৈছে, সেইসকল লোকক বৰ্তমান এই আঁচনিৰ অধীনত সামৰি লোৱা হোৱা নাই। আমি এই দিশত কাম কৰি আছোঁ আৰু অনাগত দিনবোৰত এই অভিলাষী আঁচনিখনৰ আওতাত অধিক হিতাধিকাৰীক সামৰি আমাৰ নিৰ্ধাৰিত লক্ষ্য বৃদ্ধি কৰিবলৈ বিচাৰিছোঁ। তদুপৰি এই আঁচনিখনৰ মূল উদ্দেশ্যৰ লগত সংগতি ৰাখি অন্যান্য কল্যাণমূলক আঁচনিসমূহক 'অৰুণোদয়' আঁচনিৰ অধীনত

সামৰি লোৱা হ'ব। আহি থকা দিনবোৰত এই আঁচনিৰ অধীনত মাহিলি প্ৰদান কৰি অহা ধনৰ পৰিমাণ ৩০০০ টকালৈ বৃদ্ধি কৰিবলৈ আমি প্ৰস্তাৱ লৈছোঁ। অৱশ্যে, এদিনতেই এই লক্ষ্যত উপনীত হ'ব পৰা নাযাব। ইয়াৰ বাবে পৰ্যায়ক্ৰমে সতৰ্কতামূলক পৰিকল্পনা আৰু ৰূপায়ণৰ প্ৰয়োজন হ'ব।

### *(১.২) অৰুন্ধতী স্বৰ্ণ আঁচনি*

মহোদয়, 'অৰুন্ধতী' হ'ল আকাশৰ এক উজ্বল নক্ষত্ৰ। এই 'অৰুন্ধতী' নামৰ অভিলাষী আঁচনিখন উজ্বলাই তোলাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা লোকসকলক এই আঁচনিখনৰ অৰ্থনৈতিক নায্যতা সম্পৰ্কে মই পুনৰ বাখ্যা কৰিব বিচাৰিছোঁ। যেতিয়া এগৰাকী কন্যাই বিবাহপাশত আৱদ্ধ হয়, তেতিয়া উজ্বল ভৱিষ্যতৰ বাবে তেওঁৰ এটা সপোন থাকে আৰু বহুতো আশা-আকাংক্ষা থাকে। এটা নতুন জীৱন আৰম্ভ কৰিবলৈ যাওঁতে তেওঁৰ ওপৰত পিতৃ-মাতৃৰো আশীৰ্বাদ থাকে। আমাৰ চৰকাৰে 'অৰুন্ধতী' স্বৰ্ণ আঁচনিখন আৰম্ভ কৰিছে। এই আঁচনিখন হাতত লোৱাৰ কাৰণ হৈছে, আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ পৰা অহা কন্যাগৰাকীকে আদি কৰি সকলো ছোৱালীয়ে তেওঁলোকৰ নতুন জীৱন যাত্ৰাত নিজৰ জীৱনটো সুখ-স্বাচ্ছন্দ্যৰে অতিবাহিত কৰিব বিচাৰে। এই আঁচনিৰ অধীনত ৫ লাখতকৈ তলৰ বৰ্ষিক উপাৰ্জনক্ষম পৰিয়ালৰ বিবাহপাশত আৱদ্ধ হোৱা কন্যা হিতাধিকাৰীলৈ এক তোলা সোণৰ পৰিৱৰ্তে ৪০,০০০ টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হয়। এই পৱিত্ৰ সদনক মই গৌৰৱেৰে ক'ব বিছাৰো যে এই অভিলাষী আঁচনিখনৰ দ্বাৰা ১৮১৫ গৰাকী কন্যা আৰু তেওঁৰ পৰিয়াল ইতিমধ্যে উপকৃত হৈছে। আজিলৈকে এই আঁচনিৰ বাবে ব্যয় হৈছে ৭২৬ লাখ টকা। এই প্ৰশংসনীয় সফলতাক লৈ আমি গৌৰৱবোধ কৰিছোঁ। লগতে এই কথাও স্বীকাৰ কৰোঁ যে এই আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰাৰ এতিয়াও যথেষ্ট প্ৰয়োজনীয়তা আছে। আহি থকা দিনবোৰত ৰাজহ বিভাগে এই আঁচনি সম্পৰ্কে গণ সজাগতা সৃষ্টিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব যাতে নতুনকৈ বিবাহ পাশত আবদ্ধ হোৱা অধিক সংখ্যক ছোৱালীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব পাৰে।

### *(১.৩) কনকলতা মহিলা সবলীকৰণ যোজনা*

মহোদয়, মহাত্মা গান্ধীয়ে কৈছিল যে প্ৰকৃত ভাৰতবৰ্ষখন আমাৰ গাঁওসমূহতহে প্ৰতিফলিত হয়। গ্ৰাম্য অঞ্চলসমূহৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন অবিহনে আমাৰ দেশখনে কেতিয়াও অৰ্থনৈতিক উন্নয়নৰ শিখৰত উপনীত হ'ব নোৱাৰে। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে এইটোও বিশ্বাস কৰে যে গাঁও অঞ্চলত বসবাস কৰা মহিলাসকলৰ সবলীকৰণ অবিহনে আমি কেতিয়াও দেশৰ অৰ্থনৈতিক উচ্চাকাংক্ষা পূৰণ কৰিব নোৱাৰো। ১৬ বছৰীয়া বীৰাংগনা কনকলতাৰ নামেৰে নামকৰণ কৰা 'কনকলতা মহিলা সবলীকৰণ যোজনা'ৰ লক্ষ্য হ'ল— ৰাজ্যখনৰ মহিলাসকলক অৰ্থনৈতিকভাৱে সবল কৰা। ইয়াৰ অধীনত আত্মসহায়ক গোটসমূহক ২৫ হাজাৰ টকাৰ এককালীন সাহায্য আৰু বেংক ঋণ লোৱা আত্মসহায়ক গোটসমূহক মূলধনৰ ক্ষেত্ৰত ৫০,০০০ টকাৰ ৰাজসাহায্য আগবঢ়োৱা হয়। ১,৯৯,৭০৫টা আত্মসহায়ক গোটক উপকৃত কৰি এই আঁচনিখনে ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতিত সঁচাকৈয়ে এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। এই আঁচনিৰ অধীনত ব্যয় কৰা মুঠ পুঁজিৰ পৰিমাণ ২৮৭.৭৪ কোটি টকা আৰু ইয়াৰ জৰিয়তে ১ লাখ আত্মসহায়ক গোটক সামৰি লোৱাৰ প্ৰাৰম্ভিক লক্ষ্য পাৰ হৈ যাবলৈ আমি সক্ষম হৈছোঁ। ৬৭,৮৩৭টা আত্মসহায়ক গোটে সুতৰ ক্ষেত্ৰত ৩ শতাংশ ৰাজসাহায্যৰ সৈতে বেংক ঋণ লাভ কৰিছে। অধ্যক্ষ মহোদয়, এয়া সঁচাকৈয়ে আমাৰ চৰকাৰৰ বাবে এক উল্লেখযোগ্য সফলতা আৰু ইয়াৰ বাবে মই গৌৰৱান্বিত।

## ২। আন্তঃগাঁথনি উন্নয়ন

মহোদয়, আন্তঃগাঁথনি হৈছে উন্নয়নৰ প্ৰাথমিক চৰ্ত। অৰ্থনৈতিক ৰূপান্তৰৰ লগতে দেশৰ ঊৰ্ধ্বগামী আৰ্থিক বিকাশৰ বাবে ই অপৰিহাৰ্য। বিগত চাৰে চাৰি বছৰত আমি বাজেটত ৰাজহৰ ওপৰত গুৰুত্ব কমাই আনি মূলধনী ব্যয় অধিক কৰাৰ ওপৰত অবিৰতভাৱে গুৰুত্ব আৰোপ কৰি আহিছোঁ। ২০১৬-১৭ বৰ্ষত ৬,০০১ কোটি টকাৰ পৰা ২০১৯-২০ বৰ্ষত মূলধনী ব্যয় ১৩,৫০১ কোটি টকালৈ বৃদ্ধি হৈছে। এক ধ্বজাবাহী আঁচনি 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা'ৰ অধীনত লোৱা বিভিন্ন আঁচনিয়ে এই সফলতাৰ আঁৰৰ মূল কাৰণ।

*(২.১) অসম দৰ্শন*

কবি মিত্রদেৱ মহন্তই তেখেতৰ স্মৰণীয় কবিতাত আমাৰ ৰাজ্যখনক গুণানুকীৰ্তন কৰিছে এইদৰে—

চিৰ চেনেহী মোৰ ভাষা জননী
আই ধন্যে পুণ্যে হৃৎ-পাৱনী
প্ৰকৃতি পৰশে ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল

অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্যৰে অসম সঁচাকৈয়ে এক স্বৰ্গভূমি। পৰ্যটনৰ সম্ভাৱনীয়তাসমূহক সঠিক দিশেৰে আগুৱাই নিব পাৰিলে এইক্ষেত্ৰত আমাৰ ৰাজ্যখন দেশৰ ভিতৰতে এক লেখত ল'বলগীয়া স্থান লাভ কৰিবলৈ সক্ষম হ'ব। অসমক এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়াৰ উদ্দেশ্যে আমি আৰম্ভ কৰা ধ্বজাবাহী আঁচনিসমূহৰ ভিতৰত 'অসম দৰ্শন' আঁচনিখনে উল্লেখযোগ্য সফলতা লাভ কৰিছে। এই আঁচনিখনৰ মূল স্তম্ভসমূহ হ'ল— (ক) দেৱালয়সমূহলৈ বাৰ্ষিক অনুদান, (খ) ধৰ্মীয়, প্ৰাকৃতিক আৰু ঐতিহাসিক স্থানসমূহৰ মূল আন্তঃগাঁথনিৰ উন্নীতকৰণ আৰু (গ) এই স্থানসমূহলৈ ভ্ৰমণৰ বাবে যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণ। মহাশয়, এই আঁচনিৰ অধীনত মন্দিৰ, সত্ৰ, নামঘৰ, মছজিদ, গীৰ্জা আৰু গুৰুদ্বাৰসমূহক সামৰি মুঠ ৯১৫টা ধৰ্মীয় অনুষ্ঠানলৈ তীৰ্থযাত্ৰীসকলৰ সা-সুবিধা আৰু আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে প্ৰথম কিস্তি হিচাপে আমি ১০ লাখ টকাকৈ আগবঢ়াইছোঁ।

অধ্যক্ষ মহোদয়, বিভিন্ন জাতি-উপজাতিক ঐক্যবদ্ধ কৰিবৰ বাবে অসমৰ ধৰ্মগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নামঘৰসমূহ স্থাপন কৰিছিল। যুগ যুগ ধৰি বৃহত্তৰ অসমীয়া সমাজক উজ্জীৱিত কৰি সংঘবদ্ধ কৰি ৰখাত আমাৰ নামঘৰসমূহৰ ভূমিকা অপৰিসীম। মই জনাবলৈ পাই সুখী হৈছোঁ যে এতিয়ালৈকে ৮,৭৫৬টা নামঘৰলৈ আন্তঃগাঁথনি আৰু সা-সুবিধাসমূহৰ উন্নয়নৰ বাবে আমি ২১৮.৯ কোটি টকা আগবঢ়াইছোঁ। তদুপৰি এই নামঘৰসমূহক যাতায়াত ব্যৱস্থাৰে সংযোগ

কৰিবলৈ ১২৮ কিঃ মিঃ ৰাস্তাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। মই জনাবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ যে মোৰ পূৰ্বৰ বাজেটত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২০২০ চনৰ ডিচেম্বৰ মাহত ভাৰতৰ মাননীয় গৃহমন্ত্ৰী মহোদয়ে ১৮৮ কোটি টকা ব্যয় সাপেক্ষ বটদ্ৰৱা থান উন্নয়ন প্ৰকল্পৰ শুভাৰম্ভ কৰে।

ৰাজ্যখনৰ প্ৰত্যেকটো নামঘৰ 'অসম দৰ্শন' আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ বাবে অনাগত দিনত 'অসম দৰ্শন' আঁচনিখন সম্প্ৰসাৰণ কৰিবলৈ মনস্থ কৰিছোঁ। আমাৰ জনজাতি সম্প্ৰদায়সমূহৰ থলুৱা সংস্কৃতি আৰু পৰম্পৰাসমূহ সুৰক্ষিত কৰাৰ অৰ্থে তেওঁলোকৰ আধ্যাত্মিক স্থানসমূহ উন্নীত কৰাৰ প্ৰয়োজন আছে বুলি মই বিবেচনা কৰোঁ।

### *(২.২) অসম মালা*

অধ্যক্ষ মহোদয়, পথবোৰ হৈছে সঁচা অৰ্থত ৰাষ্ট্ৰৰ স্বাস্থ্য, সম্পদ আৰু প্ৰগতিৰ স্নায়ুস্বৰূপ। পথে জনসাধাৰণৰ মাজত সংযোগ স্থাপন কৰাৰ লগতে তেওঁলোকক একত্ৰিত কৰি তোলে। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে যোৱা ৭ ফেব্ৰুৱাৰী, ২০২১ত ঢেকিয়াজুলিত শুভাৰম্ভ কৰা 'অসম মালা' ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত এটি মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। মহোদয়, ৰাজ্যখনৰ বিকাশৰ পথত ক্ৰমবৰ্ধমান প্ৰভাৱ পেলাবলৈ আৰু আমাৰ মন-মগজু একত্ৰিত কৰি তোলাৰ বাবে আমাৰ চৰকাৰে অসম মালা আঁচনি প্ৰৱৰ্তন কৰিছে। পৰৱৰ্তী ১৫ বছৰৰ ভিতৰত এই আঁচনিখনে ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু গুৰুত্বপূৰ্ণ জিলা পথসমূহৰ উন্নয়নসাধন কৰিব। ইয়ে দ্ৰুত গতিসম্পন্ন পথৰ সৈতে ৰাষ্ট্ৰীয় ঘাইপথ আৰু গ্ৰাম্য পথসমূহৰ মাজত আন্তঃসংযোগ ঘটাই অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হোৱাত অৰিহণা যোগাব। এই আঁচনিখনে ৰাজ্যিক পথ আন্তঃগাঁথনিক দক্ষিণ-পূব এছিয়াৰ অৰ্থনীতিৰ সমপৰ্যায়লৈ উন্নীত কৰাত অৰিহণা যোগাব। নিৰন্তৰ ক্ষেত্ৰীয় তথ্য সংগ্ৰহ আৰু Road Asset Management System (RAMS)ৰ সংযোগ সাধনৰ জৰিয়তে ফলপ্ৰসু পৰিচালনাৰ ভিত্তিত যিদৰে গুৰুত্ব প্ৰদান কৰা হৈছে, ই অতুলনীয় বিবেচিত

হৈছে। আৰম্ভণিতে, ৰাজ্য চৰকাৰ আৰু দুটাকৈ বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প যেনে— Assam Secondary Road Network Improvement Project আৰু Assam Road Network Imrovement Projectৰ পৰা লাভ কৰা পুঁজিৰে ৮৯০ কিলোমিটাৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু ইয়াৰ বিত্তীয় ব্যয় হ'ল ৮,২১০ কোটি টকা। এই আঁচনিখনৰ অধীনত আমি ৩৪৩ কিলোমিটাৰ পথ নিৰ্মাণত মঞ্জুৰি দিছোঁ, যাৰ ভিতৰত প্ৰায় ১৫০ কোটি টকা ব্যয়ৰে ২৬ কিলোমিটাৰ পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু প্ৰায় ৫৫ কিলোমিটাৰ পথ নিৰ্মাণৰ কাম চলি আছে।

### *(২.৩) উত্তৰণ আঁচনি*

সদনৰ সকলো সদস্যই এই কথাৰ শলাগ ল'ব যে ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰাৰ লগতে জনপ্ৰতিনিধিসকলক তেওঁলোকৰ সমষ্টিসমূহৰ সৈতে অধিক কাষ চপাই নিয়াৰ ক্ষেত্ৰত ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা উত্তৰণ আঁচনিখনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই আঁচনিখনৰ অধীনত সমগ্ৰ ৰাজ্যখনৰ ১২৪টা সমষ্টিত ১২৪টা ছিগনেছাৰ প্ৰকল্প আৰম্ভ কৰা হৈছে। ইয়াৰে ছিদ্‌লী, ওদালগুৰি, জাগীৰোড, ধিং, নগাঁও (সদৰ) আৰু ডিব্ৰুগড় বিধানসভা সমষ্টিত ৬টা প্ৰকল্পৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।

### *(২.৪) ১০০০খন কাঠৰ দলং পকী দলঙলৈ উন্নীতকৰণ আৰু ৰে'লৰে অভাৰব্ৰীজ নিৰ্মাণ*

মহোদয়, দীৰ্ঘদিন ধৰি অসমে কাঠৰ দলঙৰ বাবে বতৰ অনুকূল সংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। আন্তঃগাঁথনিগত এই ব্যৱধান দূৰ কৰাৰ লগতে এক দীৰ্ঘদিনীয়া অভাৱ পূৰণৰ উদ্দেশ্যে আমাৰ চৰকাৰে জৰাজীৰ্ণ কাঠৰ দলংসমূহ স্থায়ী পকী দলঙলৈ উন্নীতকৰণৰ পদক্ষেপ হাতত লৈছে। ইয়াৰ লগতে নতুন পকী দলং নিৰ্মাণৰ ক্ষেত্ৰতো অগ্ৰাধিকাৰ প্ৰদান কৰিছে। মই আজি পৱিত্ৰ সদনক জনাব বিচাৰোঁ যে এতিয়ালৈ ২,০৪১খন দলঙৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰে ৮৭০খন দলঙৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে যিটো আমাৰ চৰকাৰৰ এক উল্লেখযোগ্য সফলতা।

### *(২.৫) মহানগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি (চি আই ডি এফ)*

মহোদয়, আমি আধুনিকতাৰ দিশত আগবঢ়াৰ লগে লগে বৰ্ধিত নগৰীয়া কেন্দ্ৰসমূহ আমাৰ জাতীয় জীৱনৰ স্নায়ুকেন্দ্ৰ আৰু অৰ্থনৈতিক বিকাশৰ এক চালিকাশক্তিত পৰিণত হৈছে। নগৰ আৰু চহৰসমূহৰ শক্তিক উপযুক্তভাৱে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে মহানগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি গঠন কৰা হৈছে। ইয়াৰ অধীনত দীৰ্ঘস্থায়ী সম্পদ হিচাপে ৰাজহুৱা উদ্যান, লেণ্ডমাৰ্ক পথ, জিলা পুথিভঁৰাল, ষ্টেডিয়াম ইত্যাদিৰ নিৰ্মাণ কৰিবলৈ পদক্ষেপ হোৱা হৈছে। ইয়ে আমাৰ নাগৰিকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে সমবিকাশতো সহায় কৰিব। ৰাজ্যখনৰ ১ লাখতকৈ অধিক জনসংখ্যা থকা ৬খন নগৰত আৰু ৪০ হাজাৰতকৈ অধিক জনসংখ্যা থকা ৮খন দ্বিতীয় স্তৰৰ চহৰত আমি এই আঁচনিখন আৰম্ভ কৰিছোঁ। মহানগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিয়ে এতিয়ালৈকে এইবোৰ নগৰীয়া কেন্দ্ৰত ১১.১৬ কোটি টকা মূল্যৰ দীৰ্ঘস্থায়ী সম্পদ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। একেদৰে এই নগৰ আৰু চহৰসমূহত আন ৭১০.৪৫ কোটি টকা মূল্যৰ সম্পদ সৃষ্টিৰ বাবে নিৰ্মাণকাৰ্য চলি আছে। এই আঁচনিৰ অধীনত ৭৭৫.৪০ কোটি টকাৰে ১৮৭টা প্ৰকল্পৰ প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হৈছে।

## ৩। চাহ জনজাতি কল্যাণ

অধ্যক্ষ মহোদয়, আমাৰ মাজত এনে কোন আছে যিয়ে অসমৰ চাহবাগান তথা চাহপাতৰ সুবাসৰ দ্বাৰা মোহিত হোৱা নাই। অসমৰ পৰা ৰপ্তানি কৰা চাহ হৈছে বৈদেশিক বিনিময় মুদ্ৰা উপাৰ্জনৰ ক্ষেত্ৰত এক প্ৰধান আহিলা আৰু ই হৈছে পূৰ্বৰে পৰাই আমাৰ ৰাজ্যখনৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ। অসমত প্ৰায় ৬০ লাখ চাহ জনজাতি সম্প্ৰদায়ৰ লোক আছে। তাহানিৰ পৰা এই সম্প্ৰদায়ৰ লোকসকল হৈছে আমাৰ জাতীয় জীৱনৰ এৰাব নোৱাৰা অংগ। জাতিৰ পিতা মহাত্মা গান্ধীয়ে আধুনিক ভাৰতৰ সৌধ হিচাপে ‘সৰ্বোদয়া’ অথবা ‘সকলোৰে উত্থান’ ধাৰণাটো দাঙি ধৰিছিল। শ্ৰীদীনদয়াল উপাধ্যায়ে

'অন্ত্যোদয়া' নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ আক্ষৰিক অৰ্থ হ'ল 'শেষ গৰাকী লোকৰ উন্নতি'। শ্ৰীদীনদয়াল উপাধ্যয়ে আৰু কৈছিল 'অৰ্থনৈতিক পৰিকল্পনা আৰু বিকাশক অৰ্থনৈতিক ভাৱে সবল লোকসকলক লৈ জুখিব নোৱাৰি, বৰং অৰ্থনৈতিক ভাৱে দুৰ্বল লোকসকলকলৈহে এই কাম কৰিব পাৰি'। 'সৰ্বোদয়া' আৰু 'অন্ত্যোদয়া' - এই দুয়োটা স্তম্ভ হৈছে আমাৰ চৰকাৰৰ অৰ্থনৈতিক বিকাশ আৰু সামাজকি কল্যাণ আঁচনিসমূহৰ মূল ভেঁটি। আমাৰ চাহ জনজাতিৰ ভাই-ভনীসকলৰ উন্নয়ন সাধনৰ অৰ্থে ইয়াৰ ৰূপায়ণ কৰা হৈছে।

### *(৩.১) চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে কল্যাণমূলক আঁচনি*

অধ্যক্ষ মহোদয়, মোৰ প্ৰতিখন বাজেটতে আমাৰ চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলৰ বাবে থকা কল্যাণমূলক আঁচনিৰ সংখ্যা বৃদ্ধি কৰি আহিছোঁ। মহোদয়, শিক্ষাৰ্থীসকল শৈক্ষিক দিশত আগ বাঢ়ি যোৱাত সহায়ক হোৱাকৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱা চাহ জনজাতি আৰু আদিবাসীৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ 'ছাইমন সিং হোৰো জলপানি আঁচনি'ৰ অধীনত আমাৰ চৰকাৰে ১০ হাজাৰকৈ টকাৰ এককালীন সাহায্য আগ বঢ়াইছে। ২০১৯ চনৰ পৰা আজিলৈকে এই আঁচনিৰ দ্বাৰা মুঠ ২০৫১ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ যুৱক-যুৱতীসকলৰ মাজত উদ্যমিতাক উৎসাহিত কৰাৰ অৰ্থে আমাৰ চৰকাৰে এনে যোগ্য যুৱক-যুৱতীক ক্ষুদ্ৰ উদ্যোগিক কাম-কাজ আৰম্ভ কৰাৰ অৰ্থে 'শ্বহীদ দয়াল দাস পাণিকা স্বনিয়োজন আঁচনি'ৰ অধীনত ২৫,০০০ টকাকৈ এককালীন মঞ্জুৰি প্ৰদান কৰিছে। ইয়াৰ অধীনত ২০১৯-২০ চনৰ সময়ছোৱাত ১১,০৯০ গৰাকী হিতাধিকাৰীয়ে মূলধন লাভ কৰিছে আৰু এই ক্ষেত্ৰত মুঠ ব্যয় হৈছে ২৭৭.২৫ লাখ টকা।

অধ্যক্ষ মহোদয়, চাহ বাগান এলেকাসমূহত কায়িক আৰু ডিজিটেল যোগাযোগ ব্যৱস্থাটো এতিয়াও প্ৰধান সমস্যাৰূপে পৰিগণিত হৈ আছে। এই সমস্যাটো লাঘৱ কৰাৰ অৰ্থে আমাৰ চৰকাৰে ১১,৮৫৮ গৰাকী লাইন চৰ্দাৰলৈ

স্মাৰ্ট ফোন প্ৰদান কৰিছে। তদুপৰি, ৰাজ্যৰ লোকনিৰ্মাণ বিভাগে চাহ বাগানৰ শ্ৰমিক লাইনত ৮৯৬ কিঃমিঃ দৈৰ্ঘ্যৰ পেভাৰ ব্লক ৰোড নিৰ্মাণৰ কাম হাতত লৈছে। ইয়াৰ ৬২৫ কিঃমিঃ দৈৰ্ঘ্যৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। এই কাম-কাজসমূহে চাহ জনজাতিৰ হিতাধিকাৰীসকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছে।

### *(৩.২) ব্যয়সাধ্য পৰিপুষ্টি আৰু পুষ্টি সাহায্য যোজনা (Anna Scheme)*

মহোদয়, আমি সকলোৱে সচেতন আৰু জ্ঞাত যে চাহ বাগিছা অঞ্চলত পৰিপুষ্টি সম্পৰ্কত কেতবোৰ অতি উদ্বেগজনক তথ্য পোৱা যায়। প্ৰগতিশীল আৰু সকলো শ্ৰেণীৰ লোকক সামৰি লোৱা এখন চৰকাৰ হিচাপে এনে ব্যৱধান আঁতৰাবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। মহোদয়, আমি ইয়াৰ বাবে ব্যয়সাধ্য পৰিপুষ্টি আৰু পুষ্টি সাহায্য যোজনা নামৰ এখন আঁচনি প্ৰৱৰ্তন কৰিছোঁ। এই আঁচনিৰ লক্ষ্য হৈছে প্ৰতি কিলোগ্ৰাম চাউল এক টকা মূল্যত আগবঢ়োৱা আৰু পিছলৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীসকলক বিনামূলীয়াকৈ চাউল যোগান ধৰা। এই লক্ষ্যৰ জৰিয়তে আমাৰ চৰকাৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে ধাৰ্য কৰা প্ৰতি কিলোগ্ৰামত ৩ টকা দৰৰ ৰাজসাহায্যপ্ৰাপ্ত চাউলৰ যোগান ব্যৱস্থাৰো এনেদৰে উৰ্ধ্বলৈ লৈ গৈছে।

এই পদক্ষেপে আমাৰ চাহ-জনজাতিৰ ভাই-ভনীসকলৰ মাজত প্ৰচুৰ প্ৰাথমিক পৰিপুষ্টি যোগানত সহায়ক হৈছে। এই কথা সদনত জনাবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ যে এই আঁচনিৰ অধীনত মুঠ ৭৬৭.৯৮ কোটি টকা ৰাজসাহায্যৰে ৫৮,৮৫,২৮৯টা পৰিয়াল উপকৃত হৈছে।

### *(৩.৩) চাহ বাগিচাৰ গৰ্ভৱতী/অস্থায়ী মহিলা শ্ৰমিকৰ বাবে প্ৰসৱকালীন সাহায্য*

মহোদয়, চাহ জনজাতিৰ সম্প্ৰদায়ৰ মহিলাসকলক গৰ্ভৱতী অৱস্থাত আৰু প্ৰসৱৰ পিছৰ সময়ছোৱাৰ বিপদ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাত সহায় কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে চাহ বাগিচা অঞ্চলৰ প্ৰতিগৰাকী গৰ্ভৱতী

মহিলাৰ বাবে ১২,০০০ টকাৰ এককালীন সাহায্যৰ ব্যৱস্থা আৰম্ভ কৰিছে যাৰ বাবে আজি এই মহিলাসকলে তেওঁলোকৰ জীৱিকাৰ সৈতে কোনো আপোচ নকৰাকৈ নিজৰ স্বাস্থ্যৰ যতন ল'ব পাৰে। মহোদয়, মই এই পৱিত্ৰ সদনক জনাব বিচাৰোঁ যে এই আঁচনিখনৰ অধীনত ৩২.৭৪ কোটি টকা ব্যয়সাপেক্ষে ৪৭.৫২০গৰাকী গৰ্ভৱতী মহিলা উপকৃত হৈছে। আমি এইটো নিশ্চিতি দিব খোজোঁ যে আগন্তুক বৰ্ষসমূহত প্ৰতিখন চাহ বাগিচাতে সকলো প্ৰয়োজনীয় সা-সুবিধা থকা শিশুৰ তদাৰক কৰিব পৰা নিৰ্ভৰযোগ্য শিশু ভৱন স্থাপন কৰিম, যাতে কৰ্মৰত মহিলাসকলে চিন্তামুক্ত হৈ কৰ্মক্ষেত্ৰলৈ যাব পাৰে।

### *(৩.৪) অসম চাহ বাগিচা ধন পুৰস্কাৰ যোজনা*

মহোদয়, আৰ্থিক বাধা আৰু 'সাপ্তাহিক নগদী চক্ৰ' (Weekly Cash Cycle) চাহ জনজাতিৰ লোকসকলৰ বাবে এক দীৰ্ঘদিনীয়া বিপৰ্যয়। আমাৰ চৰকাৰে অৰ্থনৈতিক বঞ্চনাৰ এই চক্ৰ নোহোৱা কৰাৰ ওপৰত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে আৰু কিছু ফলপ্ৰসূ নিবাৰণী পদক্ষেপ হাতত লৈছে। আমি গ্ৰহণ কৰা পদক্ষেপৰ ফলত আজি চাহ শ্ৰমিকসলৰ বাবে ৭.৩ লাখ বেংক একাউণ্ট খোলা হৈছে। ইয়াৰ উপৰি এই একাউণ্টসমূহ নিষ্ক্ৰিয় হৈ নোযোৱাটো সুনিশ্চিত কৰাৰ অৰ্থে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে আমি অসম চাহ বাগিচা ধন পুৰস্কাৰ যোজনা প্ৰৱৰ্তন কৰিছোঁ। হিতাধিকাৰীসকলৰ লগত সম্পৰ্ক স্থাপন কৰাৰ এই পোনপটীয়া পদ্ধতি আৰু বেংকৰ সহযোগত চাহ জনজাতিৰ সকলো উপযুক্ত লোকলৈ প্ৰতিটো কিস্তিত ২,৫০০ টকাকৈ দুটা পৰ্যায়ত আমি ৩৮২.৪১ কোটি টকা মোকলাই দিছোঁ। প্ৰায় ৭.৫ লাখ হিতাধিকাৰীয়ে তেওঁলোকৰ একাউণ্টত এই টকা লাভ কৰিছে। ইয়াৰ উপৰি তৃতীয় পৰ্যায়ত প্ৰতিগৰাকীলৈ ৩,০০০ টকাকৈ মুঠ ২৩১.১৪ কোটি টকা হস্তান্তৰ কৰা হৈছে। এই আঁচনিখনৰ প্ৰভাৱ বহুদিশযুক্ত আৰু সেইবাবে ই কেৱল বিত্তীয় অন্তৰ্ভুক্তিৰে সহায় কৰাই নহয় বৰঞ্চ প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ দৰে আঁচনিসমূহে চাহ বাগিচাৰ বনুৱাসকলক সামাজিক নিৰাপত্তা প্ৰদান কৰিবলৈও সক্ষম হৈছে।

## ৪। সামাজিক নিৰাপত্তা

আন্তৰ্জাতিক শ্ৰমিক সংস্থাই সামাজিক নিৰাপত্তাৰ বিষয়টোক ব্যক্তি আৰু পৰিয়াললৈ সমাজে আগবঢ়োৱা সুৰক্ষা হিচাপে অভিহিত কৰিছে, যিয়ে স্বাস্থ্য সেৱা আৰু আয়ৰ নিশ্চিতি প্ৰদান কৰে।

বিশেষকৈ বৃদ্ধ, নিবনুৱা, ৰোগী, অকাৰ্যক্ষম ব্যক্তি, কৰ্মৰত অৱস্থাত আঘাতপ্ৰাপ্ত ব্যক্তি, প্ৰসূতি আৰু উপাৰ্জনকাৰী ব্যক্তিজনৰ মৃত্যু হোৱা পৰিয়ালৰ লোকলৈ সামাজিক সুৰক্ষা প্ৰদান কৰাটো অতি প্ৰয়োজন। আমাৰ ৰাজ্যত দীৰ্ঘদিন ধৰি অৰ্থনৈতিক নিৰাপত্তাৰ দিশটো উপেক্ষা কৰি অহা হৈছিল। এই দীৰ্ঘদিনীয়া অভাৱৰ কথা অনুভৱ কৰি আমাৰ চৰকাৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকললৈ ৰাজহুৱা সুবিধা প্ৰদানৰ উদ্দেশ্যে বহুমুখী পদক্ষেপ গ্ৰহণ কৰিছে। মই এতিয়া প্ৰশাসনৰ এই গুৰুত্বপূৰ্ণ দিশটো সন্দৰ্ভত আমাৰ চৰকাৰে লাভ কৰা প্ৰগতিৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছোঁ।

### *(৪.১) বিধৱাসকললৈ তৎকালীন পৰিয়াল সাহায্য*

মহোদয়, একমাত্ৰ উপাৰ্জনকাৰীক হেৰোৱা পৰিয়াললৈ সামাজিক নিৰাপত্তা প্ৰদানৰ উদ্দেশ্যে আমাৰ চৰকাৰে বিধৱাসকললৈ ২৫ হাজাৰ টকাৰ তৎকালীন পৰিয়াল সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। আঁচনিখনৰ অধীনত ৪৫ বছৰ বয়সৰ তলৰ স্বামীহাৰা মহিলাসকলক এই এককালীন সাহায্য প্ৰদান কৰা হ'ব।

### *(৪.২) ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন*

মহোদয়, ৪৫ বছৰ বয়সৰ তলৰ বিধৱাসকলক এককালীন অনুদান আগবঢ়োৱাৰ উপৰি আমাৰ চৰকাৰে তেওঁলোকলৈ ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সনৰ অধীনত মাহিলি ২৫০ টকাকৈ পেন্সন দিয়াৰো পদক্ষেপ হাতত লৈছে। আমাৰ মাতৃ আৰু ভগ্নীসকলে ৬০ বছৰলৈকে এই সুবিধা লাভ কৰিব আৰু ইয়াৰ পিছত তেওঁলোকে বৃদ্ধ পেন্সন লাভ কৰিব। মহোদয়,

এইটো মোৰ বাবে আত্মসন্তুষ্টিৰ বিষয় যে আমি ১,৬৯,৯৩০গৰাকী স্বামীহাৰা মহিলাক সহায় কৰিবলৈ সক্ষম হৈছোঁ। আমি মাথোঁ ২০২০-২১ বৰ্ষতে ইয়াৰ বাবে ৪০.৯৪ কোটি টকা ব্যয় কৰিছোঁ।

*(৪.৩) দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি*

মহোদয়, আমাৰ সমাজখন এখন সহানুভূতিশীল সমাজ হিচাপে পৰিচিত আৰু সমাজৰ সম্পদৰ ওপৰত দিব্যাংগসকলৰ অধিকাৰ প্ৰণিধানযোগ্য বুলি গণ্য কৰি তেওঁলোকক সুৰক্ষা প্ৰদান কৰা হয়। আমাৰ চৰকাৰে দিব্যাংগ ভাতৃ-ভগ্নীসকলক মাহিলি ভাত্তা হিচাপে ১,০০০ টকাকৈ আগবঢ়াবলৈ দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনিখন আৰম্ভ কৰিছে। এতিয়ালৈকে এই আঁচনিৰ অধীনত মুঠ ৯৬.৩৬ কোটি টকা ব্যয়েৰে ১,৬০,৬১২গৰাকী হিতাধিকাৰীক সাহায্য আগবঢ়োৱা হৈছে। কালি অসমৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই ঘোষণা কৰাৰ দৰে মহাত্মা গান্ধী এনৰেগাত দিব্যাংগসকলৰ অন্তৰ্ভুক্তি সুগম কৰাৰ বাবে আমি এক বিশেষ অভিযান আৰম্ভ কৰিব বিচাৰিছোঁ। ইয়াৰ বাবে আমি জিলা পৰ্যায়ত এজন বিষয়াক দায়িত্ব অৰ্পণ কৰিম আৰু এনে প্ৰতিটো পৰিয়ালক বিশেষ জৱ কাৰ্ড প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। এই পদক্ষেপৰ প্ৰথম প্ৰায় ১ লাখ দিব্যাংগ পৰিয়াল সামৰি লোৱা হ'ব।

***(৪.৪) বৃদ্ধ পেন্সনৰ সাৰ্বজনীনকৰণ***

মহোদয়, আমাৰ ধৰ্মশাস্ত্ৰত কোৱা হৈছে—

'অভিবাদন শীলস্য নিত্যম্ বৃধোপসেৱিন।

চত্বাৰি তস্য বৰ্দ্ধন্তে আয়ুৰ্বিদ্যা য়শো বলম্।।'

*(যিসকল বিনয়ী আৰু বয়োজ্যেষ্ঠক সদায় সেৱা আগবঢ়ায়, তেওঁলোকৰ চাৰিটা বস্তু সদায় নিয়মিতভাৱে বৃদ্ধি পাই থাকে— আয়ু, জ্ঞান, যশস্যা আৰু শক্তি।)*

আমাৰ সমাজত বয়োজ্যেষ্ঠসকলৰ তত্ত্বাৱধান লোৱাটো আমাৰ নৈতিক কৰ্তব্য। যিখন সমাজে বয়োজ্যেষ্ঠসকলক পৰিত্যাগ কৰে, সেইখন সমাজে এখন মানৱীয় আৰু সংস্কৃতিৱান সমাজ হিচাপে দাবী কৰিব নোৱাৰে। আমাৰ চৰকাৰে জ্যেষ্ঠ আৰু বয়োজ্যেষ্ঠ নাগৰিকসকলক উপকৃত কৰিব পৰাকৈ কেবাখনো সংস্কাৰমুখী আইন আৰু আঁচনি আৰম্ভ কৰিছে। আমি প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকক তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা নিৰ্বিশেষে মাহিলি ২৫০ টকাকৈ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে। চৰকাৰী পেঞ্চনাৰ আৰু প্ৰণাম আইনৰ অধীনত সামৰি লোৱাসকলৰ বাহিৰে সকলো বয়োজ্যেষ্ঠ নাগৰিকে এই মাহিলি পেঞ্চনৰ সুবিধা লাভ কৰিব। ২০২০-২১ বৰ্যত মুঠ ১২,৫৬,৬৯৮গৰাকী হিতাধিকাৰীয়ে এই পেঞ্চনৰ সুবিধা লাভ কৰিছে আৰু ইয়াৰ বাবে ব্যয় হৈছে ৭৭৪.৪৮ কোটি টকা। আমি এইটো প্ৰত্যক্ষ কৰিছোঁ যে আমাৰ বহুসংখ্যক বয়োজ্যেষ্ঠ নাগৰিকৰ তেওঁলোকক শেষ বয়সত চোৱা-চিতা কৰিবলৈ কোনো নাথাকে। এনেধৰণৰ বয়োজ্যেষ্ঠ নাগৰিকসকলক তদাৰক কৰাৰ উদ্দেশ্যে আগন্তুক বৰ্ষসমূহত প্ৰতিখন জিলা সদৰত বৃদ্ধাশ্ৰম স্থাপন কৰাটো প্ৰয়োজনীয় বুলি চৰকাৰে বিবেচনা কৰে।

## ৫। শিক্ষা

প্ৰয়াত ৰাষ্ট্ৰপতি ড° আব্দুল কালামে কৈছিল “শিক্ষাই হৈছে আটাইতকৈ শক্তিশালী অস্ত্ৰ, যাক আপুনি সমগ্ৰ পৃথিৱীখনকে সলনি কৰি দিয়াৰ বাবে ব্যৱহাৰ কৰিব পাৰে”। শিক্ষাই এখন ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যতক গঢ় দিব পাৰে। এটা সভ্যতা হিচাপে ভাৰতবৰ্ষই সদায়েই জ্ঞানৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। মহোদয়, এইটোও কথিত আছে যে যুৱ শক্তিৰ বাবে কৰা বিনিয়োগেই এখন ৰাষ্ট্ৰই কৰিব পৰা আটাইতকৈ উৎকৃষ্ট বিনিয়োগ। আমি সকলোৰে জ্ঞাত যে সমগ্ৰ ভাৰতবৰ্ষৰ দৰে আমাৰ ৰাজ্য অসমখনিও বৈচিত্ৰ্যময় জনগাঁথনিৰ আঁকৰস্বৰূপ। জনগাঁথনিৰ এনে বিভিন্নতাক আমি উৎপাদনশীল কৰি গঢ়ি তোলাৰ অলেখ সুবিধা আছে। এই বিভিন্নতাক ফলদায়ক আৰু কাৰ্যক্ষম কৰি তুলিবলৈ আমাৰ নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। এই লক্ষ্যত উপনীত হ'বলৈ অসমত মাধ্যমিক আৰু উচ্চ শিক্ষাক সাৰ্বজনীন কৰাটো হৈছে আমাৰ ৰাজ্যৰ উজ্জ্বল আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ প্ৰথম চৰ্ত।

*(৫.১) প্ৰজ্ঞান ভাৰতী*

অধ্যক্ষ মহোদয়, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে যিসকল লোকৰ আয় ২ লাখতকৈ কম, তেনে লোকসকলৰ সন্তানৰ নামভৰ্ত্তি মাচুল ৰেহাইকে ধৰি বিভিন্ন সা-সুবিধাৰ কথা ঘোষণা কৰিছে। সৰ্বমুঠ ১৭,৮৪,৮৯০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মাচুল ৰেহাইৰ এই সুবিধা লাভ কৰি উচ্চ শিক্ষা লাভৰ লক্ষ্যৰ দিশলৈ ধাৱিত হৈছে। চৰকাৰে স্নাতক পৰ্যায়লৈকে বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ কথাও ঘোষণা কৰিছে। এই বিনামুলীয়া পাঠ্যপুথি আঁচনিৰ অধীনত বৰ্তমানলৈ ১,০৮,৮৩,৯১৪ গৰাকী হিতাধিকাৰী আছে। সমান্তৰালভাৱে আমাৰ চৰকাৰে চৰকাৰী বিদ্যালয়ৰ অষ্টম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া সমবেশ (ইউনিফৰ্ম) দিয়াৰ কথা ঘোষণা কৰিছে। প্ৰতিযোৰ ইউনিফৰ্মৰ বাবদ ৭০০ টকা নিৰ্দ্ধাৰণেৰে এই আঁচনিখন এতিয়া চৰকাৰী বিদ্যালয়ত দশম শ্ৰেণীলৈকে নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও প্ৰযোজ্য কৰা হৈছে। এই আঁচনিৰ অধীনত এতিয়ালৈ ৪৪,৩২,৩৬৮ গৰাকী ছাত্ৰী-ছাত্ৰী উপকৃত হৈছে। অনাগত দিনবোৰত আমি বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক খাদ্য আৰু পৰিবহণ ব্যয়ৰ বাবে মাহিলি ভাত্তা যোগান ধৰাৰ কথা চিন্তা-চৰ্চা কৰিছোঁ।

তদুপৰি, চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰাৱাস-ছাত্ৰীনিৱাসত থাকি অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলক আৰ্থিক অৱস্থা নিৰ্বিশেষে বছৰত ১০ মাহৰ বাবে প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীক প্ৰতিমাহে ৭০০ টকাকৈ খোৰাকী প্ৰদান কৰাৰ বাবেও আমাৰ চৰকাৰে ঘোষণা কৰিছে। এই ব্যৱস্থাই ১৩,৪১৪ গৰাকী ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছে।

কন্যা শিক্ষাৰ প্ৰসঙ্গৰ বাবে উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগ বা তাৰ ওপৰত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সকলো ছাত্ৰীলৈ স্কুটী প্ৰদানৰ এখন আঁচনি হাতত লোৱা হৈছে। এতিয়ালৈকে মুঠ ২৩,২৪৫ খন স্কুটী বিতৰণ কৰা হৈছে। আমি এই আঁচনিখন অব্যাহত ৰাখিব বিচাৰিছোঁ, যিখন আঁচনি অনাগত দিনত ফলপ্ৰসূ আঁচনি হিচাপে পৰিলক্ষিত হ'ব।

মই দৃঢ়তাৰে বিশ্বাস কৰো যে আমাৰ চৰকাৰে গ্ৰহণ কৰা এই প্ৰচেষ্টাই আমাৰ ৰাজ্যখনৰ ছাত্ৰীসকলৰ মাজত এক নতুন উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিব। তেওঁলোকেই আমাৰ ভৱিষ্যত।

*(৫.২) বিদ্যালক্ষ্মী আঁচনি*

মহোদয়, আমাৰ এক বৃহৎ সংখ্যক যুৱক-যুৱতীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰে বা তেওঁলোকৰ পৰিয়ালে সন্তানক ইচ্ছা অনুসৰি শিক্ষা লাভৰ সুবিধা দিয়াৰ অৰ্থে ঋণৰ বোজা সহিব লগীয়া হয়। মহোদয় এই অৱস্থাৰ অৱসান ঘটোৱাৰ বাবে আমাৰ ৰাজ্যত বিদ্যালক্ষ্মী আঁচনিখন প্ৰৱৰ্ত্তন কৰা হৈছিল। মোৰ ২০১৬-১৭ বৰ্ষৰ বাজেটত গ্ৰহণ কৰা এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক চৰকাৰী সাহায্যৰে ৪% সুতৰ হাৰত ১০ লাখ টকালৈকে শিক্ষা ঋণ প্ৰদানৰ ব্যৱস্থা কৰা হয়। এই আঁচনিৰ অধীনত এতিয়ালৈ ৫৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি মুঠ ৩৭.৬০ কোটি টকাৰ ঋণ অনুমোদন দিয়া হৈছে।

*(৫.৩) অভিনন্দন*

আমাৰ চৰকাৰে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো শিক্ষাঋণৰ বিপৰীতে থকা ঋণ একাউণ্টত ৫০,০০০ টকাকৈ এককালীন অৰ্থ-সাহায্য দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ লক্ষ্য হৈছে ২০২০-২১ বৰ্ষলৈ অনুমোদন দিয়া প্ৰতিটো শৈক্ষিক ঋণৰ বাবে ৰাজ সাহায্য প্ৰদান কৰা। এই আঁচনিৰ অধীনত ৫,৭৯৯ টা একাউণ্টত মুঠ ৩২.৫৯ কোটি টকা প্ৰদান কৰা হৈছে।

***(৫.৪) তেজস্বী-নৱধিতমস্তু এডু ইনফ্ৰা ফাণ্ডছ্ (TNEIF)***

মহোদয়, আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষাৰ সুবিধা অধিক ফলপ্ৰসূ কৰি তোলাৰ উদ্দেশ্যে আমাৰ বৃত্তিমূলক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰাত আমাৰ চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে। মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবৰ বাবে আমি ৩৫ খন শিক্ষা প্ৰতিষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ অৰ্থে ৫৭৬ কোটি

টকাৰে তেজস্বী-নৱধিতমস্তু এডু ইনফ্ৰা ফাণ্ডছ্ (TNEIF) নামেৰে এক বিশেষ অনুদান আমি মুকলি কৰিছোঁ যিটো তিনিটা কিস্তিত ভাগ কৰা হৈছে।

মহোদয়, মই এই পৱিত্ৰ সদনত মোৰ সতীৰ্থ বৰ্গক উদাহৰণ হিচাপে ক'ব খোজোঁ যে- তেজস্বী নৱধিতমস্তু আঁচনিৰ অধীনত গুৱাহাটী বিশ্ববিদ্যালয়লৈ ২৫ কোটি টকাৰ আবণ্টন দিয়া হৈছে। বিশ্ববিদ্যালখনে এই পুঁজি ব্যৱহাৰ কৰি দুটা শিক্ষণ বিভাগ আৰু এটা সভাগৃহ নিৰ্মাণ কৰিছে। ইয়াৰ উপৰি বিশ্ববিদ্যালয়খনে ইয়াৰ পৰীক্ষাগাৰসমূহ অত্যাধুনিক ৰূপত গঢ়ি তোলাৰ কামো আৰম্ভ কৰিছে। একেদৰে, ভূগৰ্ভৰে ফাইবাৰ অপ্টিক কেবল বহুৱাই এটা বিশ্ববিদ্যালয় নেটৱৰ্ক ব্যৱস্থাও গঢ়ি তুলিছে। এই ব্যৱস্থাৰ জৰিয়তে অকল ছাত্ৰ-ছাত্ৰীসকলকে সেৱা আগবঢ়াইছে, তেনে নহয়, বৰঞ্চ দূৰৱৰ্তী শিক্ষাৰ ব্যৱস্থা কৰাৰ লগতে অনলাইনযোগে শিক্ষাদান কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় কৰ্তৃপক্ষকো সহায় কৰিছে। আমাৰ ৰাজ্যখনৰ জ্ঞানভিত্তিক সমাজ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই আঁচনিখন কেনেদৰে কাৰ্যক্ষম হৈ উঠিছে, ই এটা সৰু উদাহৰণ মাত্ৰ।

অধ্যক্ষ মহোদয়, তেজস্বী নৱধিতমস্তু এডু ইনফ্ৰা ফাণ্ডছ্‌ৰ জৰিয়তে ৰূপান্তৰ ঘটা আন এক শিক্ষানুষ্ঠানৰ কথা মই এইখিনিতে সদনত উল্লেখ কৰিব বিছাৰিছোঁ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আমাৰ চৰকাৰে প্ৰতিখন প্ৰতিষ্ঠানলৈ ১০০ কোটি টকাকৈ (মুঠ ৩০০ কোটি টকা) পুঁজিৰ অনুমোদন জনাইছিল। মহোদয়, এতিয়ালৈকে আমাৰ চৰকাৰে নাগৰিকসকলৰ সুচিকিৎসা আৰু অধিক ফলপ্ৰসূ আৰু খৰতকীয়া ৰোগ নিৰ্ণায়ক সেৱা আগবঢ়োৱাৰ বাবে তিনিখন চিকিৎসা মহাবিদ্যালয়লৈ ২৮৪.০৩ কোটি টকাৰে অত্যাধুনিক সা-সৰঞ্জাম যেনে— গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বাবে কেথ্ লেব আৰু থ্ৰি টেছ্‌লা এম আৰ আই লগতে আন অগ্ৰণী চিকিৎসা প্ৰতিষ্ঠানলৈ চি আৰ্ম ৰঞ্জন ৰশ্মি যন্ত্ৰ, উচ্চ আৰু আল্ট্ৰা ছাউণ্ড যন্ত্ৰ, এনাছ্থেছিয়া ওৱাৰ্কষ্টেছন, ডিজিটেল মেমোগ্ৰাফী আৰু অন্যান্য অত্যাৱশ্যকীয় সা-সৰঞ্জাম ক্ৰয় কৰিছে।

অধ্যক্ষ মহোদয়, যোৱা বছৰৰ বাজেটত ৫খন নতুন বিশ্ববিদ্যালয় স্থাপনৰ আমি দিয়া প্ৰতিশ্ৰুতি অনুসৰি পাঠশালাত ভট্টদেৱ বিশ্ববিদ্যালয়, হোজাইত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, নাৰায়ণপুৰত মাধৱদেৱ বিশ্ববিদ্যালয়, ডিব্ৰুগড়ৰ চাবুৱাত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু মাজুলীত শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। গোলাঘাটত বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয় আৰু গোলকগঞ্জত বীৰ চিলাৰায় বিশ্ববিদ্যালয় স্থাপনৰ প্ৰক্ৰিয়াও চলি আছে। ভৱিষ্যতে অঞ্চলটোৰ কৃষকসকলৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ উদ্দেশ্যে বৰাক উপত্যকাত এখন কৃষি বিশ্ববিদ্যালয় স্থাপনৰ পৰিকল্পনাও কৰা হৈছে।

### *(৫.৫) শিক্ষকসকলৰ পদ প্ৰাদেশিকীকৰণ*

*গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণু গুৰুৰ্দেৱো মহেশ্বৰা*

*গুৰুৰ্সাক্ষাত পৰব্ৰহ্ম তস্মৈ শ্ৰী গুৰৱে নমঃ*

আমাৰ সমাজৰ প্ৰতিগৰাকী শিক্ষকৰ ওচৰত মই শিৰণত কৰিছো, কিয়নো আমাৰ ৰাষ্ট্ৰ তথা ৰাজ্যখনৰ ভৱিষ্যত তেওঁলোকৰ হাততেই আছে। শিক্ষকসকলৰ কল্যাণৰ বিষয়টো আমাৰ চৰকাৰে এক অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰি আহিছে। মহোদয়, আমাৰ চৰকাৰে ৰাজ্যখন ১৬,৫০৮সংখ্যক শিক্ষক/টিউটৰ/বিদ্যালয়ৰ বাকী কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ কৰাৰ লগতে প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ শিক্ষা খণ্ডৰ ১৩,২১৭সংখ্যক সহকাৰী শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰিছে। ইয়াকে ধৰি ৰাজ্যখনত মুঠ ২৯,৭২৫সংখ্যক পদ প্ৰাদেশিকীকৰণ হৈছে। সদনৰ সকলো সদস্য নিশ্চয় মোৰ লগত একমত হ'ব যে প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ ধৰণ বৰ্তমান পৰিৱৰ্তন কৰিবলগা হৈছে। ভৱিষ্যতলৈ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ প্ৰয়োজনভিত্তিক হ'বই লাগিব। শিক্ষা বিভাগে এই সন্দৰ্ভত সংশোধনী পদ্ধতিৰ বাবে কাম কৰি আছে যিয়ে সামাজিক প্ৰয়োজনীয়তাৰ বিষয়টো বিবেচনা কৰি চাব।। এই যুক্তিসংগত ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰাৰ লগতে সমাজখনৰো কল্যাণ সাধন কৰিব। ইয়াৰ উপৰি, আমাৰ চৰকাৰৰ বিগত পাঁচ বছৰৰ কাৰ্যকালত মুঠ ৩৩,৯৯৩ গৰাকী শিক্ষকক নিযুক্তি দিয়া হৈছে।

## ৬। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ

মহোদয়, স্বাস্থ্যই পৰম ধন। এখন দায়িত্বশীল চৰকাৰ হিচাপে আমাৰ সকলো নাগৰিকৰ বাবে প্ৰতিৰোধমূলক আৰু প্ৰতিকাৰক চিকিৎসা নিশ্চিত কৰিবলৈ আমি নৈতিক কৰ্তব্য হিচাপে ইয়াক গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছোঁ। আমাৰ জনসাধাৰণলৈ ব্যয়সাধ্য আৰু গুণগত স্বাস্থ্য যতনৰ পৰ্যাপ্ত সুবিধা আগবঢ়োৱাটো আমাৰ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ। এই উদ্দেশ্যে আমাৰ চৰকাৰে দুখন বৃহৎ ধ্বজাবাহী আঁচনি আৰম্ভ কৰিছে আৰু মই এই পৱিত্ৰ সদনত ইয়াৰ অৱলোকন কৰিব বিচাৰিছোঁ।

### *(৬.১) কৰ্কট ৰোগীৰ পৰিচৰ্যা*

মই ঘোষণা কৰিবলৈ পাই নথৈ আনন্দিত যে অসম কৰ্কট সেৱা কাৰ্যসূচীৰ ৰূপায়ণে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। অসমত সৰ্বশ্ৰেষ্ঠ মানৰ কৰ্কট চিকিৎসা সেৱা উপলব্ধ কৰোৱাৰ লক্ষ্যত আমি আজি উপনীত হোৱাৰ পথত। পৰিকল্পনা অনুসৰি ২০২১ বৰ্ষৰ ছেপ্টেম্বৰ মাহৰ ভিতৰত গুৱাহাটী, ডিব্ৰুগড়, বৰপেটা, ডিফু, তেজপুৰ, লখিমপুৰ, যোৰহাট, মঙলদৈ আৰু কোকৰাঝাৰত কৰ্কট সেৱা কেন্দ্ৰসমূহ কাৰ্যক্ষম হৈ উঠিব। প্ৰকৃততে, পৰিকল্পনা অনুযায়ী গুৱাহাটী ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানৰ প্ৰথম পৰ্যায়ৰ উন্নীতকৰণ চলিত বৰ্ষতে সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। নিৰ্মাণকাৰ্যৰ লগতে ৰোগ নিৰ্ণয় তথা নিৰাময়ৰ বাবে অত্যাধুনিক সা-সৰঞ্জাম স্থাপন আৰু চিকিৎসক আৰু নাৰ্ছসকলক প্ৰশিক্ষণ তথা নিয়োগৰ জৰিয়তে মানৱ সম্পদ পৰিচালনাৰ এক বিস্তৃত পৰিকল্পনা ইতিমধ্যে কৰি থকা হৈছে, যাতে নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ লগে লগে এই কেন্দ্ৰসমূহ তৎকালীনভাৱে কাৰ্যক্ষম হৈ উঠে। আন আন অঞ্চলৰ কৰ্কটসেৱা কেন্দ্ৰসমূহৰ প্ৰস্তুতিমূলক কাম-কাজেও অগ্ৰগতি লাভ কৰিছে। আমাৰ কৰ্কট ৰোগীসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গই ৰাজ্যৰ বাহিৰলৈ গৈ চিকিৎসা কৰোঁতে অত্যধিক মানসিক কষ্টৰ লগতে প্ৰচুৰ ধন ব্যয় কৰিবলগীয়া হয়। এনে অসুবিধাৰ পৰা তেওঁলোকক পৰিত্ৰাণ দিব পৰাটো মোৰ বাবে অতিশয় সন্তুষ্টিদায়ক হ'ব। অধ্যক্ষ মহোদয়, দেশৰ আন কোনো ৰাজ্যই এনেকুৱা বিস্তৃত পৰ্যায়ৰ এক কৰ্কট সেৱা কাৰ্যসূচী হাতত লোৱাৰ বিষয়ে মই

অৱগত নহয়। মই আগতে উল্লেখ কৰাৰ ধৰণে বিভিন্ন পৰ্যায়ৰ এই কৰ্কট ৰোগ চিকিৎসালয়সমূহ এবাৰ কাৰ্যক্ষম হ'লে ই মাথোঁ অসমৰে নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লাখ লাখ কৰ্কট ৰোগীক উপকৃত কৰিব। এই কাৰ্যসূচীৰ গুৰুত্বৰ প্ৰতিও লক্ষ্য ৰাখি আমি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক এই আটাইবোৰ কেন্দ্ৰ একেসময়তে এখন মঞ্চৰ পৰাই উন্মোচন কৰাৰ বাবে অনুৰোধ জনাম।

*(৬.২) অটল অমৃত অভিযান*

মহোদয়, ২০১৬-১৭ বৰ্ষৰ বাজেটত আমি আমাৰ মহান প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ নামেৰে নামকৰণ কৰা এই গুৰুত্বপূৰ্ণ আঁচনিখন আৰম্ভ কৰিছিলোঁ। আমাৰ সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ নিৰ্দিষ্ট জটিল ৰোগৰ ব্যয়সাধ্য আৰু মান সম্পন্ন চিকিৎসাৰ সুবিধা দিয়াটোয়ে এই আঁচনিৰ লক্ষ্য। এই আঁচনিখন হৈছে বাৰ্ষিক ৫ লাখ টকাতকৈ কম আয়ৰ পৰিয়ালৰ লোকসকলৰ বাবে এখন নগদ ধনবিহীন স্বাস্থ্য বীমা আঁচনি। মহোদয়, এইটো মোৰ বাবে গৌৰৱ আৰু সন্তুষ্টিৰ বিষয় যে আজি আমাৰ নাগৰিকসকলে ৬টা জটিল ৰোগৰ ক্ষেত্ৰত বিশ্বমানৰ বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি ৰাজ্যৰ ভিতৰৰ আৰু বাহিৰৰ চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত আই চি ইউ পেকেজ, আঘাতজনিত চিকিৎসা, জটিল ৰোগৰ চিকিৎসা, শিশু চিকিৎসা, শিশুৰ শল্য চিকিৎসা আৰু অস্থি-মজ্জা (Bone Marrow) সংৰোপনৰ ক্ষেত্ৰত অত্যাধুনিক সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে।

মহোদয়, ২০১৯-২০ বিত্তীয় বৰ্ষত মূল আঁচনিখনৰ পৰিধি সম্প্ৰসাৰণ কৰি তলত দিয়া বিশেষ সা-সুবিধাসমূহ সামৰি আমি 'বিস্তাৰিত অটল অমৃত অভিযান' আঁচনিখন মুকলি কৰিছোঁ—

(ক) আই চি ইউ পেকেজ
(খ) আঘাতজনিত চিকিৎসা
(গ) শিশুৰ জটিল ৰোগৰ চিকিৎসা
(ঘ) শিশুৰ শল্য চিকিৎসা

(ঙ) জাপানীজ এনকেফেলাইটিছ আৰু একিউট এনকেফেলাইটিছ ছীনড্ৰ'ম

(চ) পৰিপূৰক পেকেজ

এতিয়ালৈকে এই আঁচনিৰ অধীনত ১,৪৫,২২০গৰাকী হিতাধিকাৰী উপকৃত হৈছে আৰু এওঁলোকৰ ভিতৰত ৪,৮৬০গৰাকী হিতাধিকাৰীক 'বিস্তাৰিত অটল অমৃত অভিযান'ৰ অধীনত সামৰি লোৱা হৈছে।

এইখিনিতে মই 'আয়ুষ্মান ভাৰত' নামেৰে বহুলভাৱে খ্যাত 'প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা'ৰ অধীনত আমাৰ নাগৰিকসকলে লাভ কৰা সা-সুবিধাবোৰৰ বিষয়ে অৱগত কৰিব বিচাৰিছোঁ। 'প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা' আঁচনিখন মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ বৰ্ষৰ ২৩ ছেপ্টেম্বৰত শুভাৰম্ভ কৰিছিল। এই আঁচনিৰ অধীনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসাৰ বাবে প্ৰত্যেক পৰিয়াললৈ বছৰি ৫ লাখ টকালৈকে সাহায্য আগবঢ়োৱা হয়। এতিয়ালৈকে এই আঁচনিৰ অধীনত ১,৫০,৯৭৩গৰাকী হিতাধিকাৰীয়ে নগদ ধনবিহীন চিকিৎসা সেৱা লাভ কৰিছে। ইয়াৰ বাবে মই নথৈ আনন্দিত যে এই আঁচনি দুখনৰ অধীনত প্ৰয়োজনৰ সময়ত আমি ৰাজ্যখনৰ জনসাধাৰণক সহায়ৰ হাত আগবঢ়াবলৈ সক্ষম হৈছোঁ।

*(৬.৩)* যি সময়ত আমি স্বাস্থ্য খণ্ডৰ সা-সুবিধাসমূহক এক উচ্চ পৰ্যায়লৈ লৈ যোৱাত প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছিলোঁ, সেই সময়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত খালী হৈ থকা বিভিন্ন পদ, বিশেষকৈ চিকিৎসা মহাবিদ্যালয়সমূহৰ চিকিৎসক আৰু ফেকাল্টীৰ সংখ্যাই এক প্ৰধান বাধা হিচাপে থিয় দিছিল। সামগ্ৰিকভাৱে কেৱল যে চিকিৎসকৰে অভাৱ হৈছিল এনে নহয়, লগতে বিভিন্ন বিভাগৰ দীঘলীয়া মকৰল প্ৰক্ৰিয়াৰ বাবে এ পি এছ চিয়ে অনুষ্ঠিত কৰিবলগীয়া এই নিযুক্তি প্ৰক্ৰিয়াত বিলম্ব ঘটিছিল। এই সমস্যা দূৰ কৰিবলৈ ৰাজ্য চৰকাৰে 'চিকিৎসা আৰু স্বাস্থ্য নিয়োগ ব'ৰ্ড' গঠন কৰিছে। ২০১৮ বৰ্ষৰ পৰা ফাষ্ট ট্ৰেক ভিত্তিত চিকিৎসা আৰু স্বাস্থ্য নিয়োগ ব'ৰ্ডে ১,৪১২গৰাকী চিকিৎসক আৰু ফেকাল্টীৰ অনুমোদন জনোৱাৰ ক্ষেত্ৰত এই আঁচনিখনে প্ৰভূত বৰঙণি আগবঢ়াইছে। এই ব্যৱস্থাই বিভাগৰ বাবে খালী পদসমূহৰ বিপৰীতে নিয়মিতভাৱে

বিজ্ঞাপন দিয়াটো সম্ভৱ কৰি তুলিছে আৰু ইয়াৰ ফলস্বৰূপে নতুনকৈ উত্তীৰ্ণ হোৱা যুৱক-যুৱতীসকল অধিক সময় অপেক্ষা নকৰাকৈয়ে পদসমূহত আৱেদন কৰিবলৈ সক্ষম হ'ব। এয়া আশা কৰা হৈছে যে ড্ৰাগ্‌ছ পৰিদৰ্শক আৰু খাদ্য সুৰক্ষা বিষয়া পদৰ বাবে বাছনি প্ৰক্ৰিয়া অতি সোনকালে সম্পূৰ্ণ কৰা হ'ব আৰু ই প্ৰশাসন যন্ত্ৰক শক্তিশালী কৰিব।

**৭। গ্ৰামোন্নয়ন**

অধ্যক্ষ মহোদয়, অসমৰ অৰ্থনীতি যিহেতু মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে ৰাজ্যখনৰ জনসাধাৰণক দৰিদ্ৰতাৰ পৰা মুক্ত কৰাৰ বাবে গ্ৰাম্য অৰ্থনীতিক প্ৰাথমিকতা প্ৰদান আৰু কৃষিখণ্ডৰ বিকাশ সাধন কৰা অপৰিহাৰ্য। এই খণ্ডৰ বিকাশৰ বাবে নিম্ন ব্যয়ৰ প্ৰাতিষ্ঠানিক ঋণৰ সুবিধাৰ লগতে অন্যান্য আন্তঃগাঁথনিৰ উন্নয়ন একান্ত প্ৰয়োজনীয়।

***(৭.১) অসম কৃষক ক্ৰেডিট ৰাজসাহায্য আঁচনি (AFCSS) ২০১৮***

এই আঁচনিৰ অধীনত অসম চৰকাৰে কৃষকসকলে পৰিশোধ কৰা মুঠ পৰিমাণৰ ২৫% নাইবা ২৫,০০০ টকাৰ যিটো কম, সেই ধনৰাশি প্ৰতিটো একাউণ্টত জমা কৰিবলৈ সিদ্ধান্ত লৈছে। মই এই পৱিত্ৰ সদনত জনাবলৈ পাই সুখী হৈছো যে এই আঁচনিৰ অধীনত মুঠ ১,৩৯,১৩০গৰাকী কৃষক উপকৃত হৈছে আৰু আমাৰ ফালৰ পৰা ১৬৪ কোটি টকা মোকলাই দিয়া হৈছে। অধ্যক্ষ মহোদয়, ঋণ লাভৰ ক্ষেত্ৰত থকা বাধাসমূহ আঁতৰাই এই অভিলাষী আঁচনিখনে সমগ্ৰ ৰাজ্যৰ কৃষকসকলক প্ৰাতিষ্ঠানিক ঋণ লাভ কৰাত সহায় কৰিব। তদুপৰি ইয়াৰ দ্বাৰা কৃষকসকলৰ মাজত ঋণ সম্পৰ্কীয় সজাগতা নিশ্চিতভাৱে বৃদ্ধি পাব

***(৭.২) কিষাণ ক্ৰেডিট কাৰ্ড ব্যৱহাৰেৰে কৃষকৰ বাবে বিত্তীয় উদগনি***

গ্ৰাম্য অৰ্থনীতিত আনুষ্ঠানিক ঋণ প্ৰদান ত্বৰান্বিত কৰাৰ বাবে আমাৰ চৰকাৰে পূৰ্বতে কাৰ্যক্ষম হৈ নথকা কিষাণ ক্ৰেডিট কাৰ্ড সক্ৰিয়কৰণৰ পদক্ষেপ লৈছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে অকাৰ্যক্ষম কিষাণ ক্ৰেডিট কাৰ্ডসমূহ নৱীকৰণৰ বাবে প্ৰতিগৰাকী কৃষকক ১০,০০০ টকাকৈ এককালীন উদগনিমূলক

ধন প্ৰদান কৰা হৈছে। ইয়াৰ ফলশ্ৰুতিতে ২০১৮-১৯ বৰ্ষৰ সময়ছোৱাত ৪৮.১৬ কোটি টকাৰ এককালীন উদগনিৰে ৰাজ্যখনে ১১,৮২,৬৪০ খন সক্ৰিয় কিষাণ ক্ৰেডিট কাৰ্ডৰ বিতৰণ কৰাৰ গৌৰৱ অৰ্জন কৰিব পাৰিছে।

### *(৭.৩) শস্য ঋণত শূন্য সুদ*

মহোদয়, নিয়মীয়া শস্য ঋণৰ উন্নয়নৰ বাবে আমি এক বহুমুখী পদক্ষেপ গ্ৰহণ কৰিছিলোঁ। এই ক্ষেত্ৰত এক অন্যতম আঁচনি হ'ল— ২ লাখ টকালৈকে এককালীন শস্য ঋণৰ বাবে ১০০% সুদ ৰেহাই প্ৰদান কৰা। এই কথা সন্মানীয় সদনক জনাবলৈ পাই সুখী হৈছো যে সৰ্বমুঠ ৫,৯৭৮.৭৩ কোটি টকা পৰিমাণৰ ঋণেৰে ৰাজ্যখনৰ ১০,০৬,৩০৫ গৰাকী কৃষক উপকৃত হৈছে।

### *(৭.৪) মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা*

মহোদয়, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা হ'ল আমাৰ চৰকাৰৰ অধীনত একাধিক খণ্ডৰ লগত জড়িত হৈ থকা এখন অভিলাষী আঁচনি। ইয়াৰ জৰিয়তে ৫ বছৰৰ ভিতৰত আমাৰ কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এক মেগা মিছন ছ'চাইটীৰ পৰিচালন পৰিষদ গঠন কৰা হৈছে।

ৰাজ্যৰ কৃষিখণ্ডক উপকৃত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত আমি ৪৫৪.৫৩ কোটি টকা ব্যয়ৰে ৯,১৩৫ খন ট্ৰেক্টৰ বিতৰণ কৰিছোঁ।

মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ মীন খণ্ডৰ অধীনৰ 'ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ' আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক আত্মসংস্থাপন দিয়াৰ জৰিয়তে তেওঁলোকৰ বিত্তীয় অৱস্থাৰ উন্নীতকৰণৰ বাবে হিতাধিকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে আৰু লগতে তেওঁলোকৰ মাজত ৬০ লাখ টকা বিতৰণ কৰা হৈছে।

তদুপৰি, এই আঁচনিৰ অধীনত আমি ৰাজ্যৰ ভিতৰুৱা গ্ৰাম্য অঞ্চলত ৪৪৪ খন খেলপথাৰ উন্নয়ন কৰিছো। ইয়াৰ বাবে ৬৬ কোটি টকা ব্যয় কৰা হৈছে।

পশুধন খণ্ডত যুৱক-যুৱতীসকলৰ জীৱিকা আৰু নিয়োগ সৃষ্টিৰ বাবে বিশেষ পদক্ষেপৰ অংশ হিচাপে বোকাখাত, চতিয়া, জালুকবাৰী বিধানসভা সমষ্টিত বিভিন্ন প্ৰকল্প হাতত লোৱা হৈছে। তদুপৰি মৰিগাঁও জিলাৰ সীতাজখলা দুগ্ধ পামত সংহত দুগ্ধ মূল্য শৃংখল আৰম্ভ কৰা হৈছে। এই সন্দৰ্ভত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ 'কণ্যকা' বহুমুখী পামৰ অধীনত আৰম্ভ কৰা ক্ষুদ্ৰ দুগ্ধ সংসাধন প্ৰকল্প আৰু অন্যান্য কাম-কাজৰ বিষয়ে উল্লেখ কৰিব পাৰি। ই সঁচাকৈয়ে ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিত বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে।

*(৭.৫)* অধ্যক্ষ মহোদয়, গ্ৰাম্য অসমৰ ৰূপান্তৰৰ বাবে আমি 'অসম আদৰ্শ গ্ৰাম যোজনা' নামেৰে আন এক গুৰুত্বপূৰ্ণ আঁচনিও ঘোষণা কৰিছোঁ। 'কা' (CAA)ৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ লগতে ক'ভিড-১৯ দুৰ্যোগৰ বাবে যদিও এই আঁচনিখন আৰম্ভ কৰা সম্ভৱ হোৱা নাছিল, তথাপি ক্ষেত্ৰীয় পৰ্যায়ৰ কাৰ্যকৰ্তাসকলৰ জৰিয়তে এই আঁচনিখন ৰূপায়ণৰ বাবে আমি ইতিমধ্যে বিত্তীয় উৎসৰ ব্যৱস্থা কৰিছোঁ। আমাৰ মাননীয় বিধায়ক আৰু জিলা উপাযুক্তসকলৰ সহযোগিতাৰে আমি অনাগত দিনবোৰত এই আঁচনিখন ৰূপায়ণ কৰিম।

### *(৭.৬) গাঁও পঞ্চায়তসমূহক সবলীকৰণৰ প্ৰচেষ্টা*

যি সময়ত আমাৰ চৰকাৰে গাঁও পঞ্চায়ত পৰ্যায়ত মানৱ সম্পদ বৃদ্ধিৰ বাবে উল্লেখযোগ্য পদক্ষেপ লৈছে, একেসময়তে বিকাশৰ এই যাত্ৰাত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ বাবেও আমি প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। এই প্ৰচেষ্টাৰ এক অংশ হিচাপে আমি প্ৰত্যেক গাঁও পঞ্চায়তত কৃষক সংঘ, মহিলা সংঘ আৰু ক্ৰীড়া সংঘ স্থাপনৰ পৰিকল্পনা লৈছোঁ। ইয়াৰ উপৰি অধ্যয়ন কক্ষ আৰু কম্পিউটাৰ সা-সুবিধাৰ সৈতে প্ৰত্যেক পঞ্চায়তত এটাকৈ পুথিভঁৰালৰ ব্যৱস্থা কৰা হ'ব। এই পদক্ষেপে ভৱিষ্যৎ জীৱন আৰু জীৱিকাৰ বাবে আমাৰ গাঁৱৰ যুৱক-যুৱতীসকলক প্ৰস্তুত কৰিবলৈ এক উপযুক্ত পৰিৱেশৰ সৃষ্টি কৰিব।

## ৮। যুৱ সবলীকৰণ

"সকলো শক্তি তোমাৰ ভিতৰতেই অন্তৰ্নিহিত হৈ আছেঃ তুমি যিকোনো আৰু সকলো কাম কৰাৰ বাবে সমৰ্থ"— এই উক্তিৰে স্বামী বিবেকানন্দই যুৱশক্তিৰ সম্ভাৱনীয়তাৰ গুণগান গাই গৈছে। যুৱশক্তি স্বচ্ছ আৰু মহান আৰু মহোদয়, আমাৰ দেশ, আমাৰ সমাজ ৰূপান্তৰ কৰিবলৈ আমাৰ যুৱচাম সামৰ্থৱান। সমাজৰ যুৱশক্তি সঠিক দিশত আগুৱাই নিয়াৰ বাবে আমাৰ চৰকাৰ সংকল্পবদ্ধ। এই উদ্দেশ্যেৰে আমি 'স্বয়ম' (SVAYEM) আঁচনিখন আৰম্ভ কৰিছোঁ যাৰ বিষয়ে মই ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ।

### *(৮.১) পুনঃপৰিকল্পিত স্বামী বিবেকানন্দ যুৱ সবলীকৰণ যোজনা*

যুৱ সবলীকৰণ আৰু উন্নয়নৰ বাবে আত্মসহায়ক গোটক ভেটি হিচাপে লৈ আমি 'স্বয়ম' আঁচনিখন প্ৰৱৰ্তন কৰিছিলোঁ। তদুপৰি পূৰ্বৰ 'স্বয়ম' আঁচনিখনত থকা দোষ-ক্ৰটিৰ পৰা শিক্ষা লাভ কৰি আমি নতুন 'স্বয়ম' আঁচনিখনৰ ধাৰণাটো গ্ৰহণ কৰিছোঁ। এই আঁচনিৰ লক্ষ্য হৈছে— আত্মসহায়ক গোটৰ প্ৰতিগৰাকী সদস্য (হিতাধিকাৰী)লৈ আগবঢ়োৱা আৰ্থিক সাহায্য ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰা। প্ৰশিক্ষণ প্ৰদানৰ জৰিয়তে হিতাধিকাৰীসকলক উদ্যোগী হিচাপে গঢ়ি তোলাৰ বাবে আমি এক পৰামৰ্শ প্ৰদান আৰু প্ৰশিক্ষণ কাৰ্যসূচী হাতত লৈছোঁ। আমাৰ লক্ষ্য হ'ল—সমাজৰ যুৱচামে চাকৰি বিচাৰি ফুৰাতকৈ তেওঁলোকে যাতে আনক চাকৰি দিবলৈ সক্ষম হৈ উঠে, তাক নিশ্চিত কৰা। এই পৱিত্ৰ সদনক জনাব বিচাৰোঁ যে অলপতে Re-SVAYEM আঁচনিখনৰ প্ৰথম কিস্তিৰ ধন মুকলিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু এই ক্ষেত্ৰত অভূতপূৰ্ব সঁহাৰি লাভ কৰা হৈছে। বৰ্তমানলৈকে প্ৰথম কিস্তিত ১,৪২,৭৯০গৰাকী হিতাধিকাৰীৰ প্ৰতিগৰাকীয়ে ৩০,০০০ টকাকৈ লাভ কৰিছে। ইয়াৰ বাবে মুঠ ৪৩৩.৩৬ কোটি টকা ব্যয় হৈছে। একে সময়তে হিতাধিকাৰীসকলৰ ঋণ লাভ কৰাৰ উপযুক্ততা পৰীক্ষা কৰাৰ এক উপযুক্ত প্ৰক্ৰিয়াৰ জৰিয়তে ঋণদাতাসকলৰ আৰ্থিক নিৰাপত্তাও আমি সুনিশ্চিত কৰিছোঁ।

এই আঁচনিখন হৈছে অসমৰ যুৱক-যুৱতীসকলৰ ওপৰত থকা আস্থা আৰু ইতিবাচক শক্তিক একত্রিত কৰাৰ আমাৰ সংকল্পৰ এক চানেকি যিহেতু ই পুঁজিৰ উপলব্ধতাৰ সৈতে যুৱ উদ্যমীসকলৰ দক্ষতা বৃদ্ধিৰ ধাৰণাক সংযুক্ত কৰিছে।

আমি অনুভৱ কৰো যে বৰ্তমান 'A' শাখাত অন্তৰ্ভুক্ত কেতবোৰ আত্মসহায়ক গোট এই আঁচনিখনৰ অধীনত সুবিধা লোৱাৰ বাবে যোগ্য নহয়। এইক্ষেত্ৰত মই যুৱচামক সন্মুখলৈ আহি নিজকে তালিকাভুক্ত কৰাৰ প্ৰচেষ্টাৰ শলাগ লওঁ। তেওঁলোকক নিশ্চিতি প্ৰদান কৰিব বিচাৰো যে এই আঁচনিখন চলি থাকিব আৰু তেওঁলোকক '$A^{+}$' শাখালৈ উন্নীত কৰাৰ বাবে আমি প্ৰয়োজনীয় উদ্যমিতাজনিত প্ৰশিক্ষণৰ লগতে আন সহযোগিতা আগবঢ়াম, যাতে পুনঃপৰিকল্পিত 'স্বয়ম' আঁচনিৰ অধীনত তেওঁলোক উপকৃত হয়।

*প্ৰধান পদক্ষেপসমূহ*

মাননীয় মহোদয়, মই ইতিমধ্যে উল্লেখ কৰা ধ্বজাবাহী আঁচনিসমূহৰ উপৰি এই চৰকাৰে বিভিন্ন খণ্ডৰ কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছে। এই পদক্ষেপবোৰৰ কিছুমানৰ ক্ষেত্ৰত লাভ কৰা সফলতা সম্পৰ্কে মই পৱিত্ৰ সদনক অৱগত কৰিব বিচাৰিছোঁ।

**৯। ৰাজহ আৰু ভূমি ব্যৱস্থাপনা খণ্ড**

ভূমি হৈছে এক প্ৰাথমিক আৰু সীমিত সম্পদ আৰু ইয়াৰ কাৰ্যকৰী ব্যৱস্থাপনা যিকোনো প্ৰশাসনৰ মূল লক্ষ্য। সৰ্বাংগীন অৰ্থনৈতিক বিকাশৰ বাবে ভূমি হৈছে বুনিয়াদী উপাদান। এই ক্ষেত্ৰত মই 'জাতি-মাটি-ভেটি' ৰক্ষা কৰা আমাৰ সংকল্পৰ বিষয়ে দোহাৰিব বিচাৰো। চৰকাৰে আমাৰ ৰাজ্যৰ ভূমিহীন লোকসকললৈ স্থায়ী ভূমিৰ অধিকাৰ প্ৰদান কৰাত গুৰুত্ব দি আহিছে। এই প্ৰচেষ্টাৰ বিষয়ে আমাৰ সদনৰ প্ৰতিগৰাকী সদস্য জ্ঞাত আৰু মই উল্লেখ কৰিব বিচাৰো যে— আমাৰ চৰকাৰে বিগত বিগত ৫ বছৰত ৩,৩৫,১০৮খন ম্যাদী পট্টা/আবণ্টন প্ৰমাণপত্ৰ প্ৰদান কৰিছে। ইয়াৰ দ্বাৰা ভূমিহীন লোকসকললৈ ভূমি প্ৰদানৰ নিচিনা এক গুৰুত্বপূৰ্ণ লক্ষ্যত উপনীত হ'ব পৰা গৈছে আৰু ই

জনসাধাৰণৰ প্ৰতি প্ৰতিশ্ৰুতি পালনৰ ক্ষেত্ৰত আমাৰ আন্তৰিকতা প্ৰতিফলিত কৰে। ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে তেখেতৰ ব্যস্ততাপূৰ্ণ কাম-কাজৰ মাজতো যোৱা মাহত অনুষ্ঠিত হৈ যোৱা ভূমি পট্টা আৰু আবণ্টন পত্ৰৰ আনুষ্ঠানিক বিতৰণ সমাৰোহত উপস্থিত থকাৰ বাবে মই তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

### *(৯.১) গাঁওবুঢ়াসকললৈ ম'বাইল ফোন*

গাঁও পঞ্চায়ত ব্যৱস্থা আমাৰ প্ৰশাসনৰ মেৰুদণ্ড আৰু গাঁওবুঢ়াসকল এই ব্যৱস্থাৰ কৃতকাৰ্যতাৰ চাবিকাঠি। গাঁওবুঢ়াসকলে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা বিবেচনা কৰি তেওঁলোকলৈ স্মাৰ্ট ফোন প্ৰদানৰ বিষয়ে আমি ঘোষণা কৰিছোঁ। যাতে, তেওঁলোকে জিলা প্ৰশাসনৰ সৈতে ক্ষিপ্ৰতাৰে যোগাযোগ ৰক্ষা কৰি থাকিব পাৰে। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে আজিৰ তাৰিখলৈ ৩.৯২ কোটি টকা ব্যয়েৰে ৫,৬১৭টা ম'বাইল ফোন বিতৰণ কৰা হৈছে।

### *(৯.২) নতুন জিলা গঠন*

মহোদয়, সু-প্ৰশাসন নিশ্চিত কৰাৰ উদ্দেশ্যে বজালীক এখন নতুন জিলা হিচাপে গঠন কৰাটো হৈছে আমাৰ চৰকাৰে হাতত লোৱা আন এক প্ৰধান পদক্ষেপ। এই পদক্ষেপে আৰ্থিক কাম-কাজ বৃদ্ধি কৰাৰ লগতে অধিক সক্ষম প্ৰশাসনিক নিয়ন্ত্ৰণত সহায় কৰিব।

### ***(৯.৩) ধলা-শদিয়া আৰু বগীবিল দলং মুকলি কৰাৰ ফলত ক্ষতিগ্ৰস্ত নাৱৰীয়া, ৰেস্তোৰাঁ ইত্যাদিৰ কৰ্মচাৰীসকলৰ বাবে সাহায্য পেকেজ***

অধ্যক্ষ মহোদয়, মই এই কথাও অৱগত কৰিব বিচাৰো যে ধলা-শদিয়া আৰু বগীবিল দলং মুকলি কৰাৰ ফলস্বৰূপে জীৱিকা হেৰুৱাই ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ পুনৰ সংস্থাপনৰ অৰ্থে আমাৰ চৰকাৰে ২০১৯-২০ বৰ্ষত ৫ কোটি টকা আবণ্টন দিছে। মই জনাব বিচাৰো যে এই পেকেজৰ অধীনত ৩.৩ কোটি টকা ব্যয়েৰে ৯৩৫গৰাকী হিতাধিকাৰী উপকৃত হৈছে।

## ১০। ঔদ্যোগিক খণ্ড

মহোদয়, এখন আধুনিক ৰাষ্ট্ৰৰ অৰ্থনীতিক পুনৰুজ্জীৱিত কৰা আৰু অৰ্থনৈতিক বিকাশৰ গতি অক্ষুণ্ণ ৰখাত উদ্যোগ আৰু সংশ্লিষ্ট বাণিজ্য খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই দিশত আমাৰ চৰকাৰে বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। উদ্যোগ আৰু বাণিজ্য খণ্ডক উৎসাহিত কৰাৰ উদ্দেশ্যে আমি গ্ৰহণ কৰা পদক্ষেপসমূহ হ'ল এনে ধৰণৰ—

### *(১০.১) অসমত এম এছ এম ই (MSME) উদ্যোগৰ নতুন সম্ভাৱনা ঃ বাঁহ*

মহোদয়, ৰাজ্যখনৰ সকলো ঠাইতে সহজে উপলব্ধ হোৱা বাঁহৰ ব্যাপক সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আমি ৰাজ্যিক বাঁহ মিছ্ন স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছোঁ। ইয়াৰ অধীনত আমি এতিয়ালৈকে ৫৮৫ হেক্টৰ ভূমিত বাঁহ খেতি কৰিবলৈ ৬.১৩ কোটি টকা ব্যয় কৰিছোঁ আৰু এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা নিয়মীয়াকৈ পুঁজিৰ যোগান লাভ কৰি আছোঁ। এতিয়ালৈ আমি এই উদ্দেশ্যে কেন্দ্ৰৰ পৰা মুঠ ৭ কোটি টকাৰ পুঁজি লাভ কৰিছোঁ।

### *(১০.২) অসমৰ বিভিন্ন থলুৱা সম্পদৰ বাবে ভৌগোলিক সূচক চিহ্ন (Geographical Indicator Tag)*

মহোদয়, আমাৰ অনন্য ভৌগোলিক বৈশিষ্ট্য আৰু কৃষি জলবায়ু অৱস্থাৰ সম্ভাৱনীয়তাক উপযুক্তভাৱে সদ্ব্যৱহাৰ কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত চৰকাৰে বিভিন্ন থলুৱা উৎপাদন আৰু অদ্বিতীয় সামগ্ৰীৰ বাবে ভৌগোলিক সূচক চিহ্ন (Geographical Indicator Tag) লাভ কৰাৰ বাবে পদক্ষেপ লৈছে। মই আজি সদনক জনাবলৈ পাই সুখী যে চাহকে ধৰি ১০টা থলুৱা সামগ্ৰীৰ ভৌগোলিক সূচক চিহ্ন লাভ কৰাৰ প্ৰক্ৰিয়া চলি আছে।

### *(১০.৩) সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্প আৰু আন হস্তশিল্প*

মহোদয়, আমাৰ স্থানীয় কাৰুশিল্পীসকলক সহায় কৰাৰ উদ্দেশ্যে আমি কাঁহ-পিতল উদ্যোগক পুনৰুজ্জীৱিত কৰাত গুৰুত্ব প্ৰদান কৰিছোঁ। এই উদ্দেশ্যে

আমি ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত ১৭.৫ কোটি টকা ধাৰ্য কৰিছিলোঁ। ইয়াৰে ১ কোটি টকা এই উদ্যোগৰ সৈতে জড়িত ১৯১৮ গৰাকী কাৰুশিল্পী আৰু কৰ্মীক সহায়ৰ উদ্দেশ্যে ব্যয় কৰা হৈছে।

### *(১০.৪) ঘাই (Capital) প্ৰকল্পসমূহৰ সম্প্ৰসাৰণৰ বাবে মূলধন সংযোজন (Equity Infusion)*

ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ লাভদায়ক প্ৰতিষ্ঠান অসম পেট্ৰ'কেমিকেল্‌ছ লিমিটেডৰ ক্ষমতা বৃদ্ধিৰ উদ্দেশ্যে আৰু ইয়াৰ উৎপাদিত সামগ্ৰীৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰে এই প্ৰতিষ্ঠানত নতুন মূলধন বিনিয়োগ কৰিবলৈ সিদ্ধান্ত লৈছে। ইয়াকে ধৰি মুঠ ১,৩৭৭ কোটি টকা মূল্যৰ এই প্ৰতিষ্ঠানটোত চৰকাৰৰ বিনিয়োগৰ পৰিমাণ ১৭৭ কোটি টকালৈ বৃদ্ধি পাইছে।

### *(১০.৫) কথাছবি প্ৰেক্ষাগৃহ উদ্যোগীলৈ সাহায্য*

মহোদয়, চলচ্চিত্ৰ হ'ল প্ৰতিগৰাকী ভাৰতীয় আৰু বিশেষকৈ অসমীয়াৰ অতি প্ৰিয় কলা আৰু অসমৰ চলচিত্ৰ উদ্যোগ এই ক্ষেত্ৰত পথিকৃৎ। এই উদ্যেগৰ শিল্পী আৰু উদ্যোগীসকলৰ উন্নয়নৰ বাবে অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ জৰিয়তে আমাৰ চৰকাৰে ১০টা চিনেমা হল পুনৰুজ্জীৱিত কৰাৰ বাবে ৪.৪৩ কোটি টকাৰ ৰাজসাহায্য আগ বঢ়াইছে।

## ১১। শিক্ষা খণ্ড

অধ্যক্ষ মহোদয়, শিক্ষা খণ্ডত অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখি আমাৰ চৰকাৰে শিক্ষা ব্যৱস্থাৰ উন্নীতকৰণৰ বাবে স্পষ্ট আৰু ঐক্যবদ্ধ প্ৰচেষ্টা চলাই আছে। শিক্ষা খণ্ডক প্ৰসাৰৰ বাবে আমি লোৱা কিছু প্ৰধান পদক্ষেপ সম্পৰ্কত এতিয়া মই অৱলোকন কৰিব বিচাৰিছোঁ।

### *(১১.১) গুণোৎসৱ*

মহোদয়, আমাৰ চৰকাৰ প্ৰাথমিক শিক্ষাৰ মান উন্নীত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই সংকল্প ৰূপায়ণৰ বাবে আমি গুণোৎসৱ শীৰ্ষক এক মূল্যাংকন অভিযান আৰম্ভ কৰিছিলোঁ। এই অভিযানৰ জৰিয়তে তিনিটা পৰ্যায়ত অসমৰ

তেতিয়াৰ ৩৩খন জিলাৰ ৪৬,৪০৪খন বিদ্যালয়ৰ ৩৪,১৩,৯১০গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হৈছিল। মহোদয়, এই মূল্যাংকন ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতে এই বিদ্যালয়সমূহৰ দক্ষতা বঢ়াবৰ বাবে শিক্ষা বিভাগে ব্যৱস্থা গ্ৰহণ কৰি এক কাৰ্যসূচী ৰূপায়ণ কৰি আছে।

গুণোৎসৱৰ অংশ হিচাপে লোৱা পদক্ষেপৰ অংশস্বৰূপে প্ৰাথমিক বিদ্যালয়সমূহত অতিৰিক্ত শ্ৰেণীকোঠা, বিভাজক দেৱাল, ল'ৰাৰ শৌচালয় নিৰ্মাণ আৰু বৈদ্যুতিকীকৰণৰ বাবে ২০১৯-২০ বিত্তীয় বৰ্ষত আমাৰ চৰকাৰে ২১৯ কোটি টকা ঘোষণা কৰিছিল। এই পুঁজিৰ জৰিয়তে ২৮,৭৬৬টা এনে গোট উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। এতিয়ালৈকে ৮,৯৩৮টা গোটৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।

***(১১.২)*** মহোদয়, অধ্যাপক শ্ৰীনাথ বৰুৱাৰ নেতৃত্বত গঠন কৰা সমিতিৰ পৰামৰ্শ অনুযায়ী আমাৰ চৰকাৰে অসম মাধ্যমিক শিক্ষা পৰিষদৰ বিভিন্ন সংস্কাৰ সাধন কৰিছে। এই সংস্কাৰসমূহৰ ভিতৰত আছে পৰীক্ষা সম্বন্ধীয় সংস্কাৰ, তথ্য যোগাযোগ আহিলাৰ ব্যৱহাৰ তথা পৰিষদৰ প্ৰশাসনীয় আৰু সংৰচনাৰ সংস্কাৰ।

***(১১.৩)*** অধ্যক্ষ মহোদয়, ইংৰাজী বা আন মাধ্যমৰ বিদ্যালয়সমূহত দশম শ্ৰেণীলৈকে অসমীয়া এটা বাধ্যতামূলক বিষয় হিচাপে লোৱাটো নিশ্চিত কৰিবলৈ এখন আইন প্ৰণয়নৰ পদক্ষেপ সম্পৰ্কত মই ২০১৯-২০ বিত্তীয় বৰ্ষত উল্লেখ কৰিছিলোঁ। মই ঘোষণা কৰিবলৈ পাই সুখী যে অসমীয়া ভাষা আইনখন ইতিমধ্যে অধিসূচিত কৰা হৈছে আৰু চলিত ২০২১ বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হৈছে।

***(১১.৪)*** মহোদয়, মধ্যাহ্ন ভোজনৰ লগত জড়িত কৰ্মীসকলৰ মজুৰি প্ৰতিমাহে অতিৰিক্তভাৱে ৫০০টকাকৈ বঢ়াবৰ বাবে যোৱা বছৰৰ বাজেটত আমাৰ চৰকাৰে ৫৯.৪৬ কোটি টকাৰ পুঁজি ঘোষণা কৰিছিল। এতিয়ালৈকে ১,১৮,৯৯৮ গৰাকী ৰান্ধনি আৰু সহায়কাৰীলৈ তেওঁলোকৰ অসাধাৰণ সেৱাৰ স্বীকৃতিস্বৰূপে এই অতিৰিক্ত পাৰিতোষিক প্ৰদান কৰা হৈছে।

***(১১.৫)*** মহোদয়, আমাৰ শিক্ষকসকলৰ সামৰ্থ্যৰ সঠিক ব্যৱহাৰৰ লগতে ৰাজ্যখনৰ শিক্ষাৰ মান উন্নীত কৰাৰ বাবে আমাৰ চৰকাৰে অসম প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় শিক্ষক (মকৰল আৰু বদলিৰ নিয়মীয়াকৰণ) আইন, ২০২০ উপস্থাপন কৰিছিল। এই আইনৰ সহায়ত প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত শিক্ষকৰ প্ৰয়োজনীয়তাৰ মূল্যাংকনৰ ভিত্তিত তেওঁলোকৰ নিযুক্তি আৰু বদলি কৰাৰ ব্যৱস্থা কৰিবলৈ বিচৰা হৈছে। এই আইনখন ইতিমধ্যে ২০২০ বৰ্ষৰ ২২ মে'ত অধিসূচিত কৰা হৈছে।

***(১১.৬)*** বিদ্যালয়লৈ কন্যা সন্তান যোৱাটো নিশ্চিত কৰা আৰু কিশোৰী ছাত্ৰীসকলৰ মাহেকীয়াৰ সময়ত অধিক পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ লক্ষ্যৰে ১২-২০ বছৰীয়া কিশোৰীসকলৰ বাবে ছেনিটাৰী নেপকিন কিনিবৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটত মই মাহিলি ভাত্তা ঘোষণা কৰিছিলোঁ। অৱশ্যে বিভিন্ন কাৰণত ইয়াৰ ৰূপায়ণত কিছু পলম হ'ল। মহোদয়, মই এতিয়া ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছোঁ যে এই শিতানত আবণ্টিত ২৩.৭৫ কোটি টকা চলিত বৰ্ষত অনুমোদন কৰা হৈছে আৰু আঁচনিখন অতি সোনকালে ৰূপায়ণ কৰা হ'ব।

***(১১.৭) নতুন শিক্ষা প্ৰতিষ্ঠান***

মহোদয়, ৰাজ্যখনৰ শিক্ষাজনিত আন্তঃগাঁথনিৰ বিকাশ সাধনৰ বাবে আমাৰ চৰকাৰে ইতিমধ্যে থকা আমাৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নীতকৰণ কৰাৰ উপৰি নতুন শিক্ষা প্ৰতিষ্ঠান স্থাপনৰো পদক্ষেপ গ্ৰহণ কৰিছে। এনে কেইটামান প্ৰধান পদক্ষেপ হৈছে —

(ক) ধুবুৰী, নলবাৰী, ৰঙিয়া, নগাঁও, ডিফু, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ, শিলচৰ আৰু উত্তৰ লখিমপুৰ — এই ১০খন স্থানত ১০খন চৰকাৰী আইন মহাবিদ্যালয় স্থাপনৰ কাম আগ বাঢ়িছে আৰু ইতিমধ্যে এইসমূহৰ আধাৰশিলা স্থাপন কৰা হৈছে।

(খ) সোণাই, চেঙা, বটদ্ৰৱা, জলেশ্বৰ, গোলকগঞ্জ, বিলাসীপাৰা, মণ্ডলদৈ, হাইলাকান্দি আৰু কৰিমগঞ্জ—এই সংখ্যালঘুপ্ৰধান এলেকাসমূহত ৯খন আদৰ্শ মহিলা মহাবিদ্যালয় স্থাপন কৰিবলৈ লোৱা আমাৰ আন এক

উল্লেখযোগ্য ঘোষণা। এই প্ৰস্তাৱিত মহাবিদ্যালয় কেইখনৰ আধাৰশিলা স্থাপন কৰা হৈছে আৰু দ্ৰুত গতিত নিৰ্মাণ সম্পন্ন কৰা হ'ব।

(গ) তদুপৰি বৰছলা (শোণিতপুৰ), ডুমডুমা (তিনিচুকীয়া), মাজুলী, বাক্সা, চিৰাং আৰু ওদালগুৰিত- ৬খন নতুন স্নাতক মহাবিদ্যালয়ৰ কাম দ্ৰুত গতিত আগ বাঢ়িছে। তিনিচুকীয়াৰ মহাবিদ্যালয়খন ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে আৰু আনকেইখনৰো আধাৰশিলা স্থাপন কৰা হৈছে।

***(১১.৮)*** ২০২০-২১ বিত্তীয় বৰ্ষত আমি ৭খন নতুন চৰকাৰী মহাবিদ্যালয় স্থাপনৰ কথা ঘোষণা কৰিছিলোঁ। ইয়াৰে কাছাৰৰ বৰখলা, কাৰ্বি আংলঙৰ দে'ইথোৰ, তিনিচুকীয়াৰ কাকপথাৰ আৰু হাইলাকান্দিৰ কাট্‌লিচেৰাত স্থাপন কৰা মহাবিদ্যালয়কেইখন ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে। আনহাতে মৰিগাঁৱৰ লাহৰীঘাট, নগাঁৱৰ চামগুৰি আৰু দক্ষিণ শালমাৰাৰ মাজেৰ আল্‌গাত নিৰ্মাণ কৰি থকা মহাবিদ্যালয়কেইখনৰ কাম আগবাঢ়ি আছে।

***(১১.৯)*** মহোদয়, চৰকাৰী শিক্ষা প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ ব্যৱস্থাৰ লগতে ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানসমূহত অত্যধিক মাচুল লোৱা আৰু অন্যান্য অনিয়মসমূহ ৰোধ কৰাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিছোঁ। ইয়াৰ বাবে আমি অসম বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠান (মাচুল নিয়মীয়াকৰণ) আইন, ২০১৮ বলবৎ কৰিছোঁ। মাচুল নিয়মায়ীকৰণ আইনৰ ধাৰামতে চৰকাৰে এখন মাচুল নিয়মীয়াকৰণ সমিতি গঠন কৰিব আৰু সমিতিখনে বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ যিকোনো পৰ্যায় বা পাঠ্যক্ৰমৰ মাচুলৰ হাৰ পৰীক্ষা আৰু নিৰ্ধাৰণ কৰিব। এই আইন অনুসৰি ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানসমূহৰ সৰ্বাধিক বছৰেকীয়া মাচুল তলত দিয়া ধৰণে নিৰ্দ্ধাৰণ কৰা হৈছে—

| | | |
|---|---|---|
| (ক) প্ৰাক্-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ | ঃ | ২৭,০০০ টকা |
| (খ) ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ | ঃ | ৩২,০০০ টকা |
| (গ) বিজ্ঞান শাখাৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে | ঃ | ৩৭,০০০ টকা |
| (ঘ) কলা শাখাৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে | ঃ | ৩২,০০০ টকা |
| (ঙ) বাণিজ্য শাখাৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে | ঃ | ৩৩,০০০ টকা |
| (চ) অন্যান্য শাখাৰ বাবে | ঃ | ৩৫,০০০ টকা |

**১২। নিয়োগ আৰু সমবায় খণ্ড**

অধ্যক্ষ মহোদয়, বিগত ৫ বছৰত আমাৰ চৰকাৰে অসমৰ যুৱক-যুৱতীসকলৰ বাবে পৰ্যাপ্ত নিয়োগৰ সুবিধা বৃদ্ধি কৰিবলৈ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। সামাজিক-ৰাজনৈতিক সুস্থিৰতাৰ ওপৰত ব্যক্তিগত খণ্ডৰ আস্থা স্পষ্টভাৱে পৰিলক্ষিত হৈছে আৰু নতুন প্ৰতিষ্ঠান তথা বাণিজ্যিক গোটসমূহৰ ৰাজ্যখনলৈ আগমন ঘটিছে। এইক্ষেত্ৰত কিছুমান উল্লেখযোগ্য সফলতা হ'ল—

***(১২.১)*** ২০১৮-১৯ বৰ্ষৰ পৰা আমাৰ চৰকাৰে কৰ্মৰত অৱস্থাত অকালতে মৃত্যুবৰণ কৰা ঠিকাভিত্তিক কৰ্মচাৰীৰ বাবে বীমাৰ পৰিমাণ ৫ লাখ টকা হ'ব বুলি ঘোষণা কৰিছে। মহোদয়, চলিত বিত্তীয় বৰ্ষত আমাৰ চৰকাৰে ২০২১ৰ জানুৱাৰীলৈকে ৯৩টা পৰিয়ালক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ সক্ষম হৈছে।

***(১২.২)*** মহোদয়, বিগত বৰ্ষৰ বাজেটত ঘোষণা কৰা ধৰণে খালী হৈ থকা ৩য় আৰু ৪ৰ্থ বৰ্গৰ চৰকাৰী চাকৰিৰ বাবে বয়সৰ ঊৰ্ধ্ব সীমা ৩৮ বছৰৰ পৰা ৪০ বছৰ কৰা হৈছে। মহোদয়, আমি ৩য় আৰু ৪ৰ্থ বৰ্গৰ পদৰ নিযুক্তিৰ বাবে ট্ৰেজাৰী চালানৰ ব্যৱস্থা বিলোপ কৰিছোঁ।

***(১২.৩)*** মহোদয়, অসমৰ যুৱক-যুৱতীসকলৰ প্ৰতি আমাৰ দায়বদ্ধতাৰ পৰিপ্ৰেক্ষিতত মই ঘোষণা কৰিছোঁ যে সকলো বিভাগৰ মঞ্জুৰিকৃত পদবোৰ চৰকাৰে সুচাৰুৰূপে পূৰণ কৰাৰ বাবে সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰিব। এইক্ষেত্ৰত মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে বিগত বিত্তীয় বৰ্ষত বিত্ত বিভাগে ৬০টা প্ৰস্তাৱৰ অধীনত ২১,৪৪৭টা পদ সৃষ্টি কৰাৰ বাবে বিত্তীয় অনুমোদন প্ৰদান কৰিছে আৰু বিভাগসমূহৰ পৰা লাভ কৰা ১৩৬টা প্ৰস্তাৱৰ অধীনত ১৪,৩৫৩টা পদ পূৰণ কৰিবলৈ অনুমোদন প্ৰদান কৰিছে।

***(১২.৪)*** মহোদয়, কৰ্মচাৰীসকল হৈছে আমাৰ সম্পদ আৰু তেওঁলোকে আমাৰ ৰাজ্যখনৰ সু-প্ৰশাসনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিগত ৫টা বৰ্ষত আমি কৰ্মচাৰীকসকলৰ বাবে বহুসংখ্যক কল্যাণমূলক পদক্ষেপ গ্ৰহণ কৰিছোঁ। আমাৰ চৰকাৰে 'মাষ্টাৰ ৰোল'ৰ কৰ্মচাৰীসকলৰ সৰ্বাংগীন কল্যাণত

গুৰুত্ব দিছে আৰু সেয়ে আমি তেওঁলোকলৈ সংশোধিত ন্যূনতম দৰমহা আগবঢ়াইছো। ইয়াৰ উপৰি আমি অটল অমৃত অভিযানৰ অধীনত তেওঁলোকলৈ স্বাস্থ্য সেৱাৰ সা-সুবিধা আবঢ়াইছোঁ।

*(১২.৫)* অধ্যক্ষ মহোদয়, ২০১৭-১৮ বৰ্ষৰ বাজেটত আমি অনুকম্পামূলক পৰিয়াল পেন্সন আঁচনিখনৰ কথা ঘোষণা কৰিছিলোঁ। এই আঁচনিৰ অধীনত এগৰাকী কৰ্মৰত চৰকাৰী কৰ্মচাৰীৰ মৃত্যু ঘটিলে তেওঁৰ নিকটতম নিৰ্ভৰশীল ব্যক্তিগৰাকীয়ে চাকৰিৰ সলনি পৰলোকগামী কৰ্মচাৰীগৰাকীৰ শেষৰ দৰমহাটো লাভ কৰে। যদি উক্ত কৰ্মচাৰীগৰাকী জীয়াই থাকিলহেঁতেন, তেতিয়া তেওঁ যি তাৰিখত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলেহেঁতেন, সেই তাৰিখলৈকে এই সুবিধা উপলব্ধ হৈ থাকিব। মই এই পৱিত্ৰ সদনক জনাব বিচাৰোঁ যে এতিয়ালৈকে এই আঁচনিৰ অধীনত ৪,৬৩৬গৰাকী এনে কৰ্মচাৰীৰ পৰিয়াল উপকৃত হৈছে।

### *(১২.৬) ৰাজ্যিক পৰ্যায়ৰ বৃহৎ দক্ষতা উন্নয়ন আঁচনি*

অধ্যক্ষ মহোদয়, সঠিক দক্ষতা উন্নয়নৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ যুৱক-যুৱতীসকলক সবল কৰিবলৈ আমাৰ চৰকাৰে পদক্ষেপ লৈছে। প্ৰতি বছৰতে ৰাজ্যখনৰ ৫০,০০০ যুৱক-যুৱতীক দক্ষ কৰি তোলাৰ লক্ষ্যৰে ২০১৮-১৯ বৰ্ষৰ বাজেটত মই ৭৭ কোটি টকাৰ প্ৰস্তাৱ কৰিছিলোঁ। মই ঘোষণা কৰিবলৈ পাই অত্যন্ত সুখী যে এতিয়ালৈকে ১০০কোটি টকা ব্যয়েৰে ৮৬,০০০ যুৱক-যুৱতীক দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

## ১৩। স্বাস্থ্য খণ্ড

অধ্যক্ষ মহোদয়, স্বাস্থ্য খণ্ডত হাতত লোৱা প্ৰধান পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰাৰ আগতে, মহামাৰীৰ বিৰুদ্ধে হোৱা যুঁজখনত স্বাস্থ্যকৰ্মীসকলে প্ৰদৰ্শন কৰা পিছ হুঁহকি নোযোৱা মানসিকতা আৰু প্ৰশংসনীয় উৎসৰ্গীকৃত মনোভাবৰ বাবে মই তেখেতসকলৰ শলাগ লৈছোঁ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ক'ভিড-১৯ মহামাৰীৰ বিৰুদ্ধে হোৱা যুঁজখনত তেখেতসকলেই হৈছে প্ৰধান ঢাল। আমাৰ চৰকাৰ জনস্বাস্থ্যৰ প্ৰতি সুৰক্ষা প্ৰদান আৰু ৰাজ্যখনৰ

জনসাধাৰণৰ কল্যাণ সাধনৰ প্ৰতি দায়বদ্ধ। এই লক্ষ্যৰে আমাৰ চৰকাৰে বিভিন্ন পদক্ষেপ হাতত লৈছে।

***(১৩.১)*** মহোদয়, ৰাজ্যখনত বিশ্ব মানৰ স্বাস্থ্য সেৱা উপলব্ধ কৰাৰ অৰ্থে এইম্ছৰ লেখীয়া মানসম্পন্ন উৎকৰ্ষতাৰ এক প্ৰতিষ্ঠান স্থাপনৰ প্ৰতি আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মই এই সদনক অৱগত কৰিবলৈ পাই সুখী হৈছো যে এই প্ৰতিষ্ঠানৰ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম নিৰ্ধাৰিত সময়, অৰ্থাৎ ২০২১ চনৰ জুন মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। গুৱাহাটীৰ এইম্ছৰ এম বি বি এছৰ প্ৰথম শৈক্ষিক বৰ্ষৰ পাঠদান গুৱাহাটীৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ চাৰিসীমাৰ ভিতৰত থকা পেৰা-মেডিকেল বিজ্ঞান প্ৰতিষ্ঠানৰ অস্থায়ী চৌহদত ২০২১ৰ ১২ জানুৱাৰীত আৰম্ভ হৈছে।

***(১৩.২)*** মহোদয়, আমাৰ চৰকাৰে ডিফু, ধুবুৰী, উত্তৰ লখিমপুৰ, নগাঁও, কোকৰাঝাৰ, নলবাৰী, তিনিচুকীয়া, শিলচৰ আৰু ডিব্ৰুগড়ত সাতখন নতুন চিকিৎসা মহাবিদ্যালয় আৰু দুখন নতুন দন্ত্য চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথাও ঘোষণা কৰিছিল। ইয়াৰে ডিফু চিকিৎসা মহাবিদ্যালয়ত ইতিমধ্যে শৈক্ষিক বৰ্ষ আৰম্ভ হৈছে। উত্তৰ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত ২০২১-২২ শিক্ষাবৰ্ষৰ পৰা পাঠদান আৰম্ভ হ'ব। বাকী সাতখন মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য অভিযান আকাৰত হাতত লোৱা হৈছে। অনাগত দিনত আমি গোৱালপাৰা, ধেমাজি, মৰিগাঁও আৰু কৰিমগঞ্জ জিলাতো একেধৰণৰ চৌহদ স্থাপন কৰিবলৈ বিচাৰিছোঁ।

***(১৩.৩)*** মহোদয়, বিগত বৰ্ষসমূহত জন্মগত বিসংগতি থকা শিশুসকলৰ সমস্যা দূৰ কৰাৰ অৰ্থে আমি কেবাটাও পদক্ষেপ গ্ৰহণ কৰিছোঁ। এইক্ষেত্ৰত আমি জন্মগত হৃদযন্ত্ৰ ৰোগৰ (CHD) আৰোগ্য আঁচনি আৰু ফটা তালুৰ অস্ত্ৰোপচাৰৰ চিকিৎসা আৰম্ভ কৰিছিলোঁ। মাৰাত্মক ৰোগসমূহৰ ফলত সৃষ্টি হোৱা বিত্তীয় দুৰৱস্থাজনিত প্ৰভাৱ নিৰসনৰ উদ্দেশ্যে আমাৰ চৰকাৰে কেতবোৰ অগ্ৰণী পদক্ষেপ হাতত লৈছে। সেইসমূহ হ'ল এনে ধৰণৰ—

(ক) জন্মগত হৃদৰোগ আঁচনিৰ অধীনত প্ৰায় ৮,১০০ হিতাধিকাৰী উপকৃত হৈছে। এই আঁচনিৰ অধীনত চৰকাৰে তেওঁলোকৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰৰ খৰচৰ লগতে অহা-যোৱা আৰু থকা-খোৱাৰ খৰচ বহন কৰে।

(খ) ১৪ বছৰতকৈ কম বয়সৰ যিবোৰ শিশু জটিল তথা মাৰাত্মক ৰোগত আক্ৰান্ত, সেই শিশুহঁতৰ চিকিৎসাৰ বাবে 'স্নেহস্পৰ্শ' আঁচনিৰ অধীনত বিত্তীয় সাহায্য আগবঢ়োৱা হয়। এতিয়ালৈকে এই আঁচনিৰ জৰিয়তে ৫৬০টা শিশু উপকৃত হৈছে।

(গ) তদুপৰি বিভিন্ন স্নায়ৱিক ৰোগ, বিশেষকৈ চেৰিব্ৰেল পাল্‌ছীত আক্ৰান্ত শিশুহঁতৰ দুৰ্দশাৰ কথা অনুধাৱন কৰি এনে শিশুবোৰৰ পৰিয়ালসমূহলৈ ৫০ হাজাৰ টকাৰ এককালীন বিত্তীয় সাহায্য আগবঢ়োৱা হয়। ইয়াৰ লগতে এই পৰিয়ালসমূহক ৩৬টা কিস্তিৰ প্ৰতিটোতে ২৫০০ টকাকৈ প্ৰদান কৰা হয়।

(ঘ) 'অটল অমৃত অভিযান'ৰ সা-সুবিধাসমূহৰ লগতে ৩,৬৬২গৰাকী হিতাধিকাৰীক জটিল ৰোগৰ চিকিৎসাৰ বাবে 'অসম আৰোগ্য নিধি'ৰ অধীনত ৩ লাখ টকা পৰ্যন্ত বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে।

***(১৩.৪)*** মহোদয়, মৃত্যুঞ্জয় ১০৮ জৰুৰীকালীন ৰেফাৰেল সেৱাৰ অধীনত ৩,৭৫,৫০৯ গৰাকী হিতাধিকাৰীয়ে বিনামূলীয়া ৰেফাৰেল সেৱা লাভ কৰিছে। আমি ১০০ খন নতুন এম্বুলেন্স ক্ৰয় কৰিছোঁ। ইতিমধ্যে সেৱাত থকা ১০৮ এম্বুলেন্সৰ সমষ্টিৰ সামূহিক শক্তি বৃদ্ধি কৰাৰ উদ্দেশ্যে এই ১০০ খন এম্বুলেন্সকো সেৱাত প্ৰবৃত্ত কৰাবলৈ আৰম্ভ কৰিছোঁ।

***(১৩.৫)*** মহোদয়, ইয়াৰ উপৰি বিশ্বনাথ চাৰিআলি, সোণাৰি আৰু মাজুলীস্থিত মহকুমা হাস্পতালক জিলা হাস্পতাললৈ উন্নীত কৰাটো স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি উন্নয়নৰ দিশত আমাৰ আন এক পদক্ষেপ। লগতে আমি গহপুৰত জি এন এম আৰু পেৰামেডিকেল প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিছোঁ।

***(১৩.৬)*** তদুপৰি ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা অসমক উত্তৰ-পূবৰ চিকিৎসা শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে আমি ঐকান্তিক প্ৰচেষ্টা হাতত লৈছোঁ। চিকিৎসা মহাবিদ্যালয় নথকা উত্তৰ-পূবৰ আন ৰাজ্যসমূহৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ বাবে আমাৰ চিকিৎসা মহাবিদ্যালয়সমূহত আসন সংৰক্ষণ কৰাৰ কথা আমি ঘোষণা কৰিছিলো। বৰ্তমান সংৰক্ষিত আসনৰ সংখ্যা তলত দিয়া ধৰণৰ—

(ক) মেঘালয়— ১০খন আসন
(খ) অৰুণাচল প্ৰদেশ— ২খন আসন
(গ) মিজোৰাম— ২খন আসন
(ঘ) নাগালেণ্ড— ২খন আসন

***(১৩.৭)*** মহোদয়, আমাৰ স্বাস্থ্য খণ্ডত নিয়োজিত শিক্ষকসকলৰ প্ৰতি সন্মান জনাই আমি ২০১৮-১৯ বিত্তীয় বৰ্ষত স্নাতক মহাবিদ্যালয়, বিশ্ববিদ্যালয়, কাৰিকৰী আৰু চিকিৎসা মহাবিদ্যালয়ৰ সকলো শিক্ষকলৈ সংশোধিত দৰমহা প্ৰদান কৰিছোঁ। ইয়াৰ দ্বাৰা ২,১৭১গৰাকী  স্বাস্থ্য খণ্ডৰ শিক্ষাবিদ উপকৃত হৈছে।

***(১৩.৮)*** আমাৰ চৰকাৰে ২০১৮-১৯ বৰ্ষত 'সঞ্জীৱনী- গ্ৰাম্য স্বাস্থ্য সেৱা যোজনা' নামৰ এখন বৃহৎ স্বাস্থ্য সেৱা আঁচনি আৰম্ভ কৰিছিল। ইয়াৰ লক্ষ্য হ'ল— সোঁচৰা আৰু আন ৰোগৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ত চিকিৎসা সেৱা প্ৰদান কৰা। ই বহুদিনীয়া ৰোগৰ ফলপ্ৰসূ চিকিৎসাৰ বাবে আগতীয়া ৰোগ নিৰ্ণয়, পৰীক্ষা, ৰেফাৰেল, পৰৱৰ্তী চিকিৎসা আৰু বিনামূলীয়া ঔষধ প্ৰদানৰ এক ব্যাপক কাৰ্যসূচীক সামৰি লৈছিল। মহোদয়, আজি এই পৱিত্ৰ সদনক মই গৌৰৱেৰে জনাওঁ যে এই আঁচনিৰ অধীনত ২০২১ৰ জানুৱাৰীলৈকে মুঠ ৮৭,২৭,৪৩১গৰাকী ৰোগীক চিকিৎসা প্ৰদান কৰা হৈছে।

***(১৩.৯)***নাগৰিকসকলক তেওঁলোকৰ পছন্দ অনুসৰি চিকিৎসা সেৱা আগবঢ়োৱাৰ অৰ্থে তথা *আয়ুস্*ৰ সৈতে আমাৰ পৰম্পৰাগত চিকিৎসা আন্তঃগাঁথনিৰ সংমিশ্ৰণ ঘটাবৰ অৰ্থে গোৱালপাৰাৰ দুধনৈত এখন নতুন আয়ুৰ্বেদিক মহাবিদ্যালয় স্থাপনৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ হৈছো।

## ১৪। শ্ৰম খণ্ড

মহোদয়, আমাৰ শ্ৰমিকসকলে কঠোৰ শ্ৰম কৰি কপালৰ ঘাম মাটিত পেলাই সততাৰে দৈনিক উপাৰ্জন কৰে। তেওঁলোকৰ মৰ্যাদা আৰু অধিকাৰক সুৰক্ষিত কৰি ৰখাটো আমাৰ চৰকাৰৰ এক প্ৰধান উদ্দেশ্য। এই সম্পৰ্কত আমাৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ওপৰত চমু আলোকপাত কৰিবলৈ বিচৰা হৈছে।

### *(১৪.১) শ্ৰম গৌৰৱ আঁচনি*

মহোদয়, এই আঁচনিৰ অধীনত নিৰ্মাণ খণ্ডৰ শ্ৰমিকৰ কৰ্মস্থলীৰ পৰিৱেশ চিনাক্তকৰণ তথা উন্নীতকৰণ, জীৱন ধাৰণৰ মান আৰু স্বাস্থ্য উন্নীতকৰণৰ লক্ষ্য লোৱা হৈছে। আঁচনিখনৰ অধীনত সুপৰিকল্পিত পঞ্জীয়ন অভিযানেৰে ৪,৫২,৪৬২সংখ্যক শ্ৰমিকৰ পঞ্জীয়ন কৰা হৈছে আৰু ১৮ৰ পৰা ৪০ বছৰ বয়সৰ ১০,৭৮৪গৰাকী শ্ৰমিকলৈ বাৰ্ষিক স্বাস্থ্য পৰীক্ষাৰ বাবে ৩০০০ টকাকৈ আগ বঢ়োৱা হৈছে। মুঠ ৩২৩.৫২ লাখ টকাৰ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে এই কাৰ্য সমাপন কৰা হৈছে। এতিয়ালৈ ৪১ৰ পৰা ৫৯ বছৰ বয়সৰ ১১,৭৫৪গৰাকী শ্ৰমিকক ৫ হাজাৰ টকাকৈ মুঠ ৫৮৭.৭০ লাখ টকাৰ এককালীন অনুদান আগবঢ়োৱা হৈছে।

### *(১৪.২) অসম চাহ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে বিত্তীয় সাহায্য*

মহোদয়, অসম চাহ নিগমৰ শোচনীয় বিত্তীয় অৱস্থাৰ কথা বিবেচনা কৰি আমাৰ চৰকাৰে এই নিগমৰ অধীনস্থ নিষ্ঠাৱান কৰ্মীবৃন্দক পেন্সনৰ দিশত সকাহ প্ৰদানৰ সিদ্ধান্ত লৈছিল। ইয়াৰ বাবে ২০১৮-১৯ বৰ্ষত ৯৯ কোটি টকা আবণ্টনেৰে এই পুঁজি মোকলাই দিয়া হৈছে।

## ১৫। বিত্তীয় খণ্ড

### *(১৫.১) ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান নিয়ন্ত্ৰণৰ প্ৰস্তাৱ*

মহোদয়, ক্ষুদ্ৰ বিত্তীয় খণ্ডসমূহৰ সৈতে জড়িত সমস্যাবোৰ সমাধানৰ উদ্দেশ্যে অলপতে আমাৰ চৰকাৰে অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান (ঋণদান

নিয়ামক) বিধেয়ক, ২০২০ উত্থাপন কৰিছে। এই বিধেয়কৰ মূল উদ্দেশ্য হ'ল এই বিত্তীয় প্ৰতিষ্ঠানসমূহলৈ সুস্থিৰতা আনি এই খণ্ডটোত গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰা। এই বিধেয়কখনৰ মূল উদ্দেশ্য হ'ল এই প্ৰতিষ্ঠানসমূহৰ কাম-কাজৰ বাবে এক সুস্থ পৰিৱেশ গঢ়ি তোলা আৰু আমাৰ জনসাধাৰণৰ ন্যায্য স্বাৰ্থ সুৰক্ষিত কৰা।

*(১৫.২) গ্ৰাম্য বেংকসমূহৰ বাবে উদগনি*

বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ ওপৰত আমাৰ চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। বেংকসমূহৰ সেৱা যাতে আওহতীয়া অঞ্চলৰ জনসাধাৰণৰ বাবেও উপলব্ধ হয় তাৰ বাবে আমি গ্ৰাম্য বেংকসমূহৰ বাবে এখন উদগনিমূলক আঁচনিৰ শুভাৰম্ভ কৰিছোঁ।

মহোদয়, ৰাজ্যখনৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণ বৃদ্ধিৰ বাবে গ্ৰাম্য বেংকসমূহক ৰাজ্যখনৰ বেংক নথকা অঞ্চলসমূহত ইয়াৰ শাখা আৰু ATM খোলাৰ বাবে উদগনিমূলক অনুদান প্ৰদান কৰা হৈছে। ইয়াৰ অধীনত অতিৰিক্ত মূলধনী অংশ হিচাপে অসম গ্ৰামীণ বিকাশ বেংকলৈ আমি ৩.৭০ কোটি টকাৰ অনুদান আগ বঢ়াইছোঁ।

**১৬। গৃহ**

অধ্যক্ষ মহোদয়, আইন-শৃংখলাজনিত পৰিস্থিতিৰ পৰিৱৰ্তনসমূহৰ পৰিপ্ৰেক্ষিতত নাগৰিকসকসৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে নতুন পৰিৱেশৰ সৈতে খাপ খাবলৈ সকলো ধৰণৰ প্ৰয়াস চলাইছে। গৃহ আৰু ৰাজনৈতিক বিভাগটোক প্ৰযুক্তিগতভাৱে উন্নীতকৰণ কৰা হৈছে আৰু আইন-শৃংখলা পৰিস্থিতি উন্নয়ন সাধনৰ অৰ্থে বিভাগটোৱে কাম কৰি আহিছে।

***(১৬.১)*** সকলো পৰিস্থিতিৰ ক্ষেত্ৰতে সন্মুখত থিয় হৈ আমাৰ ৰাজ্যখনলৈ অক্লান্ত সেৱা আগবঢ়াই অহা গৃহৰক্ষী বাহিনীৰ লোকসকলৰ বিত্তীয় অৱস্থাৰ উন্নীতকৰণৰ অৰ্থে এই বিভাগে হাতত লোৱা এক অন্যতম পদক্ষেপ হ'ল এই বাহিনীৰ লোকসকলৰ মজুৰি বৃদ্ধিৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ

বাজেটত ১২,১০০ লাখ টকাৰ আবণ্টন। এই পৱিত্ৰ সদনক মই জনাবলৈ পাই সুখী হৈছোঁ যে ১,২০০গৰাকী গৃহৰক্ষী বাহিনীৰ সদস্যৰ দৈনিক মজুৰি বৰ্তমানৰ ২৫০ টকাৰ পৰা বুনিয়াদী প্ৰশিক্ষণপ্ৰাপ্ত হোমগাৰ্ডৰ বাবে ৩০০ টকালৈ আৰু উন্নত প্ৰশিক্ষণ লাভ কৰা হোমগাৰ্ডৰ বাবে ৩১৫ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ দ্বাৰা এতিয়ালৈকে প্ৰায় ২৭,০০০গৰাকী গৃহৰক্ষী জোৱান উপকৃত হৈছে।

***(১৬.২)*** তদুপৰি ২০২০-২১ বিত্তীয় বৰ্ষত আৰক্ষীৰ ৰেছনৰ পৰিমাণ বৃদ্ধিৰ বাবে ৪০০ লাখ টকা আবণ্টন দিয়া হৈছে। ইয়াৰ দ্বাৰা ৭৪,১৭৫গৰাকী লোক উপকৃত হৈছে আৰু নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা গৈছে।

***(১৬.৩)*** মহোদয়, কাৰাবন্দীসকলক উৎপদনশীল কামত নিয়োজিত কৰাৰ লক্ষ্যৰে আমাৰ চৰকাৰে দক্ষ মহিলা কাৰাবন্দীসকলৰ দৈনিক মজুৰি ৭৫ টকাৰ পৰা ১০০ টকালৈ আৰু অদক্ষ মহিলা কাৰাবন্দীসকলৰ দৈনিক মজুৰি ৬৫ টকাৰ পৰা ৮০ টকালৈ বৃদ্ধি কৰিছে।

**১৭। সাংস্কৃতিক খণ্ড**

অধ্যক্ষ মহোদয়, মই দোহাৰিব খুজিছোঁ যে, আমাৰ চৰকাৰখন ক্ষমতালৈ আহিছিল অসমৰ জাতি-মাটি-ভেটি সুৰক্ষাৰ প্ৰতিশ্ৰুতিৰে। এই প্ৰতিশ্ৰুতিৰ এক অপৰিহাৰ্য অংগ হ'ল আমাৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ। অসমৰ সকলো প্ৰকাৰৰ সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষা, সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে চৰকাৰে পদক্ষেপ হাতত লৈছে, যাতে ৰাইজৰ মৌলিক সাংস্কৃতিক আৰু নান্দনিক সংবেদনশীলতা সক্ৰিয় আৰু গতিশীল হৈ থাকে। এনে দৃষ্টিভংগীৰে আমাৰ চৰকাৰে ভালেসংখ্যক আঁচনি গ্ৰহণ কৰিছে।

***(১৭.১)*** অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ শিল্পী আৰু কলা-কুশলীসকলক উদগনি দিয়াৰ উদ্দেশ্যে ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাজেটত ৫০০ লাখ টকা ধাৰ্য কৰা হৈছিল। একে উদ্দেশ্যেৰে চলিত ২০২০-২১ বিত্তীয় বৰ্ষতো এই আঁচনিৰ অধীনত ৯৭৪গৰাকী হিতাধিকাৰীৰ প্ৰত্যেককে ৫০,০০০ টকাকৈ এককালীন বিত্তীয় সাহায্য প্ৰদানৰ বাবে এটা মঞ্জুৰি প্ৰস্তাৱৰ প্ৰক্ৰিয়া চলি আছে।

*(১৭.২)* আমাৰ সংস্কৃতি সংৰক্ষণৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু সেয়ে আমাৰ চৰকাৰে সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ উদ্দেশ্যে ২০১৯-২০ বিত্তীয় বৰ্ষত ১,০৮৫ লাখ টকাৰ বাজেট ধাৰ্য কৰি ১০খন আঁচনি গ্ৰহণ কৰিছিল। এই সন্দৰ্ভত মই আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুৎ লহকৰৰ এটা প্ৰতিমূৰ্তি স্থাপন, গোৱালপাৰাত এটা প্ৰেক্ষাগৃহ স্থাপন আৰু ৰবীন্দ্ৰ ভৱন নৱীকৰণৰ কাম সম্পূৰ্ণ হৈ উঠিছে। চহকী অসমীয়া সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ লগতে ইয়াক বিশ্বৰ দৰবাৰত প্ৰদৰ্শন কৰিবলৈ অনাগত দিনবোৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নতুন চৌহদ ডিব্ৰুগড়, শিলচৰ, ডিফু, কোকৰাঝাৰ আৰু নতুন দিল্লীত মুকলি কৰা হ'ব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱালে ইতিমধ্যে ঘোষণা কৰা অনুসৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ তথা দৰ্শনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে শ্ৰীমন্ত শংকৰদেৱ মিছন আৰম্ভ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব।

*(১৭.৩)* মই পৱিত্ৰ সদনক জনাবলৈ পাই অত্যন্ত গৰ্ব আৰু সুখ অনুভৱ কৰিছোঁ যে ২০১৯-২০ বিত্তীয় বৰ্ষত চৰাইদেউ মৈদামৰ সংৰক্ষণৰ কামৰ বাবে ২৫০০ লাখ টকা আৰু একাদিক্ৰমে কুমাৰ ভাস্কৰবৰ্মন, চাওলুং চ্যু-কা-ফা আৰু মহাৰাজ নৰনাৰায়ণৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে ৩০০ লাখ টকা ধাৰ্য কৰা হৈছিল। প্ৰথমটো প্ৰকল্পৰ বাবে ই-টেণ্ডাৰিং আৰু দ্বিতীয়টো প্ৰকল্পৰ বাবে প্ৰস্তাৱ প্ৰস্তুত কৰা হৈছে।

*(১৭.৪) ধৰ্মজ্যোতি আঁচনি*

মহোদয়, আমাৰ ৰাজ্যৰ তীৰ্থযাত্ৰীসকলক পৱিত্ৰ স্থানসমূহ দৰ্শন কৰাত সহায়ক হোৱাকৈ আমি ২০১৯-২০ বিত্তীয় বৰ্ষত ৰাজসাহায্য ৭৫%লৈ বৃদ্ধি কৰিছোঁ। এই আঁচনিৰ অধীনত এতিয়ালৈকে ১৩,৯৩৯গৰাকী হিতাধিকাৰী উপকৃত হৈছে।

*(১৭.৫) ভাষা গৌৰৱ আঁচনি*

মহোদয়, আমাৰ খিলঞ্জীয়া লোকৰ ভাষাসমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ উদ্দেশ্যে আমি ভাষা গৌৰৱ আঁচনিখন প্ৰৱৰ্তন কৰিছিলোঁ। এই আঁচনিৰ

অধীনত ৰাজ্যখনৰ বিভিন্ন ভাষাৰ সাহিত্য সভাসমূহৰ অধীনত জনজাতীয় ভাষাসমূহৰ গৱেষণা কাৰ্যৰ বিকাশ ঘটোৱাৰ প্ৰয়াস কৰা হৈছে। এতিয়ালৈকে এই আঁচনিৰ অধীনত ৰাজ্যখনৰ ২১খন সাহিত্য সভালৈ মুঠ ৪৩.২০ কোটি টকা মঞ্জুৰ কৰা হৈছে।

***(১৭.৬) অসমীয়া ভাষাৰ ডিজিটেল সক্ষমতাৰ উৎকৰ্ষ কেন্দ্ৰ***

মহোদয়, যোৱা বছৰ আমি অসমীয়া ভাষাৰ ডিজিটেল সক্ষমতাৰ বাবে এক উমৈহতীয়া মঞ্চৰ বিষয়ে ঘোষণা কৰিছিলোঁ। এই উদ্দেশ্যে আমি উপযুক্ত ডিজিটেল মঞ্চৰ আৰ্হি প্ৰস্তুত আৰু বিকাশৰ বাবে এখন ৫ জনীয়া সমিতি গঠন কৰিছোঁ।

**১৮। ক্ৰীড়া আৰু যুৱ**

অধ্যক্ষ মহোদয়, ক্ৰীড়া আৰু ক্ৰীড়া সম্পৰ্কীয় আন্তঃগাঁথনিৰ উন্নয়ন আৰু খেলুৱৈসকলৰ লগতে যুৱচামৰ কল্যাণৰ বাবে কাম কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মহোদয়, আমি অসমক ভাৰতৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছোঁ।

***(১৮.১)*** বিগত ৫ বছৰত অসমত বহুতো গুৰুত্বপূৰ্ণ ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰা হৈছে। আমাৰ ৰাজ্যখন ২০১৭ চনত ভাৰতত অনুষ্ঠিত ১৭ বছৰ অনূৰ্দ্ধৰ FIFA বিশ্বকাপ প্ৰতিযোগিতাৰ সহ-উদ্যোক্তা আছিল আৰু ছেমি ফাইনেলৰ লগতে প্ৰতিযোগিতাৰ ৯খন খেল আমি অনুষ্ঠিত কৰিছিলোঁ। এই প্ৰতিযোগিতা অনুষ্ঠিত কৰি আমি আন্তঃগাঁথনিমূলক সফলতা প্ৰদৰ্শনৰ লগতে আতিথ্যৰ বাবে জনাজাত ৰাজ্য হিচাপে উৎকৃষ্ট আতিথ্যৰ নিদৰ্শনো দাঙি ধৰিবলৈ সক্ষম হৈছিলোঁ। একেদৰে, আমি ৮৩তম ছিনিয়ৰ ৰাষ্ট্ৰীয় বেডমিণ্টন চেম্পিয়নশ্বিপ, দ্বিতীয় ভাৰতীয় মুকলি আন্তঃৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতা আৰু খেলো ইণ্ডিয়া য়ুথ গেম্‌ছ, ২০২০ আয়োজন কৰিছিলোঁ। এই বৰ্ষৰ শেষৰ ফালে অনুষ্ঠিত হ'বলগীয়া পুৰুষৰ এফ আই এইচ (FIH) হকী জুনিয়ৰ বিশ্বকাপ, ২০২১ৰ সহ-উদ্যোক্তা হিচাপে প্ৰতিযোগিতাখন আয়োজন কৰাৰ

আশা ৰাখিছোঁ। অধ্যক্ষ মহোদয়, বিগত বৰ্ষত আমি ১৭ বছৰ অনূৰ্দ্ধৰ ফিফা মহিলা বিশ্বকাপৰ সহ-উদ্যোক্তা হোৱাৰ কথা আছিল, কিন্তু ক'ভিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত এই প্ৰতিযোগিতাখন বাতিল হৈছিল। তৎসত্ত্বেও ২০২২ চনৰ পুনৰ নিৰ্ধাৰিত বিশ্বকাপৰ সময়ছোৱাত কেইখনমান খেল অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰিম। এই সফলতাসমূহে অসমক ভাৰতৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত আমি যে সঠিক দিশতেই আগেবাঢ়িছোঁ, সেইটোকেই প্ৰতিপন্ন কৰিছে।

*(১৮.২)* মই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছোঁ যে আমি আমাৰ প্ৰতিশ্ৰুতি অনুসৰি প্ৰখ্যাত ক্ৰীড়াবিদ হিমা দাসক উপ-আৰক্ষী অধীক্ষকৰূপে নিযুক্তি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। আইন সংশোধনীৰ প্ৰয়োজন হোৱা হেতুকে এই প্ৰক্ৰিয়াত কিছু বিলম্ব হৈছিল। এই প্ৰয়োজনীয় সংশোধনীৰ অনুমোদনত সহযোগ কৰাৰ বাবে মই মোৰ সন্মানীয় সতীৰ্থসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

*(১৮.৩)* ক্ৰীড়াৰ নতুন শৈক্ষিক প্ৰতিষ্ঠান স্থাপনৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আমাৰ চৰকাৰে ২০১৮-১৯ বিত্তীয় বৰ্ষত ১৫০০ লাখ টকাৰ বাজেট আবণ্টন দিছিল। সেই অনুসৰি আমি ইতিমধ্যে ডিব্ৰুগড়ৰ চাবুৱাত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰিছোঁ। অনাগত দিনবোৰত আমাৰ পৰম্পৰাগত ক্ৰীড়াৰ উন্নয়ন সাধনৰ প্ৰতি আমি বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ বিচাৰিছোঁ, যাতে এই ক্ৰীড়াসমূহক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যাব পৰা যায়।

## ১৯। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ

মহাশয়, আমাৰ চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সম-উন্নয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। এই লক্ষ্য পূৰণৰ বাবে আমি নিম্নোক্ত পদক্ষেপসমূহ গ্ৰহণ কৰিছোঁ।

*(১৯.১)* আমাৰ চৰকাৰে ২০১৮-১৯ বৰ্ষত বড়ো আন্দোলনৰ সময়ত প্ৰাণাহুতি দিয়া লোকসকলৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ এককালীন সাহায্য দিয়াৰ

কথা ঘোষণা কৰিছিল আৰু আমি ৩০০ হিতাধিকাৰীক এই সাহায্য প্ৰদান কৰিছোঁ।

### *(১৯.২) ষষ্ঠ অনুসূচীৰ এলেকালৈ বিশেষ অনুদান*

অধ্যক্ষ মহোদয়, ২০১৮-১৯ বৰ্ষত ষষ্ঠ অনুসূচীৰ এলেকালৈ তিনি বছৰৰ বাবে মুঠ ১,০০০ কোটি টকাৰ বিশেষ অনুদান আগবঢ়াবলৈ আমি প্ৰতিশ্ৰুতি দিছিলোঁ আৰু এই প্ৰতিশ্ৰুতিমৰ্মে ২০১৮-১৯ বৰ্ষত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদলৈ ১৬০ কোটি টকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদলৈ ৮৬ কোটি টকা আমি মোকলাই দিছোঁ।

### *(১৯.৩) বড়ো চুক্তি আৰু জনগোষ্ঠীটোৰ বাবে ব্যৱস্থাৱলী*

অধ্যক্ষ মহোদয়, আমি সকলোৰে জানো যে ২০২০ চনৰ ২৭ জানুৱাৰীত এন ডি এফ বি, আবছু, ইউ বি পি অ'ৰ মাজত এখন ঐতিহাসিক নিষ্পত্তি চুক্তি স্বাক্ষৰিত হৈছিল। এই নিষ্পত্তি চুক্তিখনৰ লক্ষ্যৰ লগত সংগতি ৰাখি বি টি চি অঞ্চলত শিক্ষা, উদ্যোগ আৰু নতুন আন্তঃগাঁথনি নিৰ্মাণত অগ্ৰাধিকাৰ প্ৰদানেৰে আমি বিশেষ প্ৰকল্প হাতত ল'ম। এইখিনিতে মই বিনম্ৰভাৱে দৃঢ়তাৰে প্ৰকাশ কৰো যে আমাৰ চৰকাৰে বড়োচুক্তি ৰূপায়ণৰ ক্ষেত্ৰত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। দীঘলীয়া বিৰতিৰ অন্তত অতি কমসময়ৰ ভিতৰত ক্ষিপ্ৰতাৰে এই চুক্তিখন সম্পন্ন কৰাটোৱে ইয়াকেই সূচাইছে। আমি এতিয়া নতুনকৈ গঠন হোৱা বি টি চি পৰিষদৰ পৰা এই দিশত নিৰ্দিষ্ট প্ৰস্তাৱৰ বাবে অপেক্ষা কৰি আছোঁ।

### *(১৯.৪) জনজাতি সম্প্ৰদায়লৈ স্বীকৃতি আৰু অনুদান প্ৰদান*

অধ্যক্ষ মহোদয়, আমাৰ প্ৰতিশ্ৰুতি পূৰণ কৰি মৰাণ, মটক আৰু কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ আইন আৰু বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত আমালৈ সহযোগিতা আগ বঢ়োৱাৰ বাবে এই পৱিত্ৰ সদনৰ সকলো সদস্যলৈ এই সুযোগতে মই ধন্যবাদ জ্ঞাপন কৰিলোঁ। আমাৰ চৰকাৰে মৰাণ, মটক, চুতীয়া আৰু আহোম সম্প্ৰদায়ৰ ঐতিহাসিক

কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ বাবে প্ৰত্যেক সম্প্ৰদায়লৈ ১২৫ কোটি টকাকৈ, অৰ্থাৎ সৰ্বমুঠ ৫০০ কোটি টকাৰ বিশেষ পেকেজ আগবঢ়োৱাৰো সিদ্ধান্ত লৈছে।

**২০। নগৰ অঞ্চলৰ আন্তঃগাঁথনি**

মহাশয়, অসমৰ সকলো খণ্ডতে অৰ্থনৈতিক বিকাশৰ বাবে এক বহনক্ষম আৰু শক্তিশালী পথ আন্তঃগাঁথনিৰ অত্যন্ত প্ৰয়োজন। এইক্ষেত্ৰত নগৰীয়া স্থানীয় নিকায় আৰু চহৰসমূহত পথ আৰু নলা-নৰ্দমা ব্যৱস্থাৰ উন্নয়ন সাধন কৰাৰ অৰ্থে এক ব্যাপক কৰ্মপন্থা হাতত লোৱা হৈছে। সম্প্ৰতি ইয়াৰ অধীনত ৪০১ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ৪৩ কিঃ মিঃ দৈৰ্ঘ্যৰ নলা-নৰ্দমা নিৰ্মাণ কৰা হৈছে। ষ্ট্ৰীট লাইটৰ বিল পৰিশোধৰ বাবে অসমৰ ৭৬টা নগৰীয়া স্থানীয় নিকায়লৈ অতিৰিক্তভাৱে ১৫.৮৫ কোটি টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে।

**২১। সামাজিক খণ্ড**

মহোদয়, জনসাধাৰণৰ সামাজিক কল্যাণৰ হকে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই লক্ষ্য আগত ৰাখি আমি উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত সামাজিক অপশক্তিবোৰৰ বিৰুদ্ধে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰি আহিছোঁ।

মহোদয়, আমি লক্ষ্য কৰিছোঁ যে সাম্প্ৰতিক সময়ত যুৱক-যুৱতীসকলৰ মাজত ড্ৰাগছ আসক্তিৰ পৰিমাণ বৃদ্ধি হৈ এক ভয়ংকৰ প্ৰত্যাহ্বান হিচাপে দেখা দিছে আৰু ইয়াক প্ৰতিহত কৰাৰ বাবে আমি ৯খন জিলা ক্ৰমে ধুবুৰী, ওদালগুৰি, কামৰূপ, কামৰূপ (মহানগৰ), নগাঁও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ আৰু গোৱালপাৰাত সজাগতা ৰেলী আৰম্ভ কৰিছোঁ। ই উৎসাহজনক সঁহাৰি লাভ কৰিছে।

***(২১.১)*** মহোদয়, সমাজৰ বুনিয়াদী স্তৰত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলৰ গুৰুত্বৰ কথা উপলব্ধি কৰি আমাৰ চৰকাৰে অংগনৱাড়ী কৰ্মীৰ দৰমহা ১,০০০ টকা আৰু অংগনৱাড়ী সহায়িকাৰ

৫০০ টকাকৈ বৃদ্ধিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্তৰ ফলত প্ৰায় ৬১,৫০২গৰাকী অংগনৱাড়ী কৰ্মী আৰু ৫৬,০০৮গৰাকী অংগনৱাড়ী সহায়িকা উপকৃত হৈছে।

*(২১.২)* মহোদয়, ক'ভিড-১৯ মহামাৰীৰ সময়ত আৰু স্বাভাৱিক অৱস্থাতো আশাকৰ্মীসকলৰ ঐকান্তিক প্ৰচেষ্টাৰ কথা মই এই সুযোগতে স্বীকাৰ কৰিব বিচাৰিছোঁ। এই সমগ্ৰ কাম-কাজৰ কথা বিবেচনা কৰি লগতে তেওঁলোকৰ সুস্বাস্থ্য আৰু স্বাচ্ছন্দ্য জীৱনৰ কথা চিন্তা কৰি আমাৰ চৰকাৰে তেওঁলোকৰ মজুৰি বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লৈছে। সেই মতে প্ৰায় ৩২,৫৪৬ গৰাকী আশাকৰ্মীয়ে ২০১৮-১৯ বৰ্ষৰ পৰা মাহিলী ১,০০০ টকাকৈ বৰ্দ্ধিত হাৰত মজুৰি লাভ কৰিছে।

*(২১.৩)* মহোদয়, পেঞ্চনাৰসকলৰ অবিবাহিত কন্যা সন্তানসকলৰ, যিসকলৰ কোনো আয়ৰ উৎস নাথাকে, তেওঁলোকক সামাজিক নিৰাপত্তা দিয়াৰ বাবে ২০১৮-১৯ বৰ্ষত আমাৰ চৰকাৰে তেওঁলোকক নিৰ্ধাৰিত ভাত্তা আগবঢ়াবলৈ বৃহৎ পদক্ষেপ লৈছে।

**২২। পৰিবহণ খণ্ড**

***(২২.১) ভ্ৰমণ সাৰথি***

অধ্যক্ষ মহোদয়, অসম ৰাজ্যিক পৰিবহণ নিগমৰ জৰিয়তে গুৱাহাটীত বয়োজ্যেষ্ঠ নাগৰিক আৰু মহিলাসকলৰ বিনামূলীয়া পৰিবহণৰ বাবে পৰিবহণ বিভাগৰ এখন উদ্ভাৱনীমূলক আঁচনি ৰূপায়ণ কৰি থকা হৈছে। এই পৱিত্ৰ সদনৰ সদস্যসকল নিশ্চয় অৱগত যে গুৱাহাটীৰ কিছুমান নিৰ্দিষ্ট পথত চলাচলৰ বাবে ২৫খন গুলপীয়া ৰঙৰ বাছৰ ফ্লেগ অফ কৰি যোৱা মাহত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আনুষ্ঠানিকভাৱে এই আঁচনিখনৰ শুভাৰম্ভ কৰিছিল।

***(২২.২) উবেৰাইজেছন আঁচনি***

ৰাজ্যখনৰ সকলো অঞ্চলতে যোগাযোগ ব্যৱস্থা অধিক সুচল কৰাৰ লক্ষ্যৰে আমি এই আঁচনিখনৰ পৰিকল্পনা কৰিছোঁ। আমি এই আঁচনিখনৰ বাবে এক

অনন্য ৰূপায়ণ ব্যৱস্থাৰ কথা বিবেচনা কৰিছোঁ। এই আঁচনিৰ জৰিয়তে পৰিবহণ খণ্ডত উদ্যোগীক সা-সুবিধা লাভ কৰিব পৰাকৈ গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলক উদগনি যোগোৱা হয়। আঁচনিখনৰ অধীনত নতুন বাছ ক্ৰয়ৰ বাবে ১০ শতাংশ ৰাজসাহায্য, ১৫ শতাংশ সুদবিহীন ঋণ আৰু ৬৫ শতাংশ ঋণ প্ৰদানৰ জৰিয়তে উদগনি যোগোৱা হ'ব। অসম ৰাজ্যিক পৰিবহণ নিগমে এতিয়ালৈকে এই আঁচনিৰ অধীনত মুঠ ২৫০গৰাকী হিতাধিকাৰীক বাছনি কৰিছে।

**২৩। শক্তি খণ্ড**

***(২৩.১)*** *মুখ্যমন্ত্ৰী আকাশদ্বীপ যোজনা (MMADY)*

আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱালৰ প্ৰদূষণমুক্ত অসমৰ সপোনক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে আমি 'মুখ্যমন্ত্ৰী আকাশদ্বীপ যোজনা' সফলতাৰে ৰূপায়ণ কৰিছোঁ। এই আঁচনিৰ অধীনত ৩৪ লাখতকৈ অধিক পৰিয়াললৈ ৯ ৱাট ক্ষমতাৰ বিদ্যুৎ ৰাহি কৰিব পৰা ৪টাকৈ এল ই ডি বাল্ব যোগান ধৰা হৈছে।

***(২৩.২) জ্যোতিষ্মান অসম***

মোৰ পূৰ্বৰ বাজেট ভাষণত মই আশ্বাস দিছিলোঁ যে আমি প্ৰতিটো পৰিয়াললৈ ৩০ ইউনিটলৈকে বিনামূলীয়া বিদ্যুতৰ যোগান ধৰিম। এই আঁচনিৰ অধীনত ৫০ লাখতকৈ অধিক গ্ৰাহক উপকৃত হৈছে আৰু ইয়াৰ বাবে ৰাজ্যিক ৰাজকোষৰ পৰা প্ৰতি মাহে ব্যয় হয় ৭০ কোটি টকা।

***(২৩.৩)*** অধ্যক্ষ মহোদয়, শক্তি খণ্ডত কৰ্মৰত কৰ্মচাৰীসকলৰ দুখ-দুৰ্দশাৰ অন্ত পেলাবলৈ আমাৰ চৰকাৰে ব্যৱস্থা হাতত লৈছে। শক্তি খণ্ডৰ কৰ্মচাৰীৰ পেঞ্চন নিধিলৈ আমাৰ চৰকাৰে ৯৫০ কোটি টকাৰ আৱণ্টন আগবঢ়াইছে। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে এই ধনৰাশিৰে বিগত ৩ বছৰত প্ৰায় ১৯,০০০ পেঞ্চন লাভ কৰা কৰ্মচাৰী উপকৃত হৈছে।

মহোদয়, উল্লিখিত কথাখিনিৰ সৈতে ৰাজ্যৰ অৰ্থনীতিৰ সম তথা দীৰ্ঘস্থায়ী বিকাশ তথা আমাৰ সকলো চৰকাৰী কাম-কাজৰ ক্ষেত্ৰতে সামাজিক

ন্যায় তথা সমতাৰ বাবে আমাৰ চৰকাৰে গ্ৰহণ কৰা অগ্ৰাধিকাৰপ্ৰাপ্ত তথা বৃহৎ পদক্ষেপসমূহৰ ওপৰত মই আলোকপাত কৰিবলৈ চেষ্টা কৰিছোঁ। অসমৰ জনসাধাৰণে আমাৰ চৰকাৰৰ ওপৰত ৰখা আস্থাৰ বাবে আৰু তেখেতসকলে আমাক ৫ বছৰ সময়ৰ এক সুস্থিৰ কাৰ্যকাল প্ৰদান কৰাৰ বাবে মই এই সুযোগতে তেখেতসকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমি সাধ্য অনুসৰি অসমৰ জনসাধাৰণক সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছোঁ। মই আজিৰ এই বাজেট ভাষণ সমাপ্ত কৰাৰ আগতে ৰাজ্যখনৰ শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ লক্ষ্যত উপনীত হোৱাৰ দিশত গ্ৰহণ কৰা অবিৰত প্ৰচেষ্টাৰ বাবে এই সদনৰ সন্মানীয় সদস্যসকল, ৰাজ্য চৰকাৰৰ বিষয়া তথা কৰ্মচাৰীসকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহোদয়, এই লেখানুদান বাজেটখন উত্থাপন কৰাৰ আগতে সদনক মই এই কথা অৱগত কৰিব বিচাৰোঁ যে অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা আইন অনুসৰি  বাজেটৰ সৈতে দাখিল কৰিবলগীয়া বিভিন্ন বিতং প্ৰতিবেদনসমূহ পূৰ্ণাংগ বাজেটখন উত্থাপন কৰাৰ সময়ত দাখিল কৰা হ'ব।

মহোদয়, উক্ত বক্তব্যৰে মই ২০২১-২২ বৰ্ষৰ বাবে অন্তৰ্বৰ্তীকালীন বাৰ্ষিক বিত্তীয় প্ৰতিবেদন আৰু দাবী মঞ্জুৰিসমূহ উত্থাপন কৰিলোঁ। ইয়াত বিভিন্ন ব্যয় সম্পৰ্কে ক্ষুদ্ৰ শিতান পৰ্যায়ত (Minor Head Level) বিতংভাৱে উল্লেখ কৰা হৈছে। বিভিন্ন বাধ্যবাধকতামূলক আৰু অন্যান্য প্ৰয়োজনীয় ব্যয় সম্পৰ্কীয় প্ৰতিশ্ৰুতিবদ্ধতা পূৰণ কৰাৰ অৰ্থে পৰৱৰ্তী সময়ত দাখিল কৰিবলগীয়া বিতং সাধাৰণ বাজেটৰ আগতে ১ এপ্ৰিল, ২০২১ৰ পৰা ৩০ ছেপ্টেম্বৰ, ২০২১লৈ— এই ছয় মাহৰ বাবে মই ৬০,৭৮৪.০৩ কোটি টকা মুঠ ব্যয়ৰ এক লেখানুদান বাজেট উত্থাপন কৰিলোঁ। এতিয়া মই সদনৰ বিবেচনাৰ অৰ্থে দাবী মঞ্জুৰিসমূহ উত্থাপন কৰিলোঁ।

অধ্যক্ষ মহোদয়, ক'ভিড-১৯ মহামাৰীৰ সংক্ৰমণ যেতিয়া তুংগত আছিল, তেতিয়া আমি পেট্ৰ'ল, ডিজেল আৰু সুৰাৰ ওপৰত অতিৰিক্ত উপ-কৰ আৰোপ কৰিছিলোঁ। এতিয়া এই মহামাৰীৰ প্ৰকোপ বহুখিনি হ্ৰাস পাইছে, ৰোগীৰ সংখ্যা

কমিছে আৰু ক'ভিড-১৯ ৰোগ পৰীক্ষা কেন্দ্ৰৰ প্ৰয়োজনীয়তাও হ্ৰাস পাইছে। সেয়েহে স্বাস্থ্য খণ্ডৰ ওপৰত হোৱা ব্যয় যথেষ্ট হ্ৰাস পাইছে। সেয়েহে ৰাজ্যিক কেবিনেটে ক'ভিড-১৯ৰ সময়ছোৱাত আৰোপ কৰা অতিৰিক্ত উপ-কৰ আৰু কৰ উঠাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পৱিত্ৰ সদনক মনত পেলাই দিব বিচাৰোঁ যে অতিৰিক্ত উপ-কৰ আৰোপ কৰাৰ ফলত প্ৰতি লিটাৰ পেট্ৰ'ল আৰু প্ৰতি লিটাৰ ডিজেলৰ সৰ্বোচ্চ খুচুৰা মূল্য ৫ টকাকৈ বৃদ্ধি পাইছিল। মহোদয়, এই অতিৰিক্ত উপ-কৰ উঠাই দিবলৈ মই আগবঢ়োৱা প্ৰস্তাৱত সন্মতি প্ৰদান কৰাৰ বাবে মোৰ কেবিনেট সতীৰ্থসকলক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেই অনুসৰি আজি মাজনিশাৰ পৰা প্ৰতি লিটাৰ পেট্ৰ'ল আৰু প্ৰতি লিটাৰ ডিজেলৰ মূল্য ৫ টকাকৈ হ্ৰাস পাব। ইয়াৰ দ্বাৰা সমগ্ৰ অসমৰ লাখ লাখ গ্ৰাহক উপকৃত হ'ব। সেইদৰে বিগত বৰ্ষত বিভিন্ন সুৰাৰ ওপৰত আৰোপ কৰা গড় হিচাপত প্ৰায় ২৫% অতিৰিক্ত উপ-কৰ উঠাই দিয়া হৈছে।

**माननीय** অধ্যক্ষ মহোদয়, এই চৰকাৰখনৰ অন্তিমখন বাজেট উপস্থাপনৰ শেষ মুহূৰ্তত উপনীত হৈ বিগত সময়ছোৱাৰ পৰা বৰ্তমানৰ এই লহমালৈ আমাক আগ বঢ়াই দিয়া সমগ্ৰ পৰিক্ৰমাটো মোৰ চকুৰ আগত ভাঁহি উঠিছে। মোক প্ৰায়েই প্ৰশ্ন কৰা হয় যে মোৰ কিহৰ ইমান লৰা-লৰি, কিয় বাৰু মই দিনটোত চৌবিছ ঘণ্টাতকৈ দুঘণ্টামান বেছিকৈ সময় বিচৰা মানুহখিনিৰ শাৰীত থাকোঁ।

মহোদয়, যিসকলে মোৰ এই গতি আৰু উদ্দেশ্যক প্ৰশ্ন কৰে, তেওঁলোকৰ বাবে মোৰ এটাই উত্তৰ— মই এই জীৱন বাছি লৈছোঁ, মোৰ সহকৰ্মীবৃন্দই এই জীৱনকে বাছি লৈছে যাতে আমি প্ৰতিটো মুহূৰ্ত জীয়াই থাকিব পাৰোঁ, প্ৰতি পলে পলে কামত জড়িত হ'ব পাৰোঁ আৰু জীৱনটো উদ্‌যাপন কৰিব পাৰোঁ। বেঞ্জামিন ফ্ৰেংকলিনৰ ভাষাত— হেৰোৱা সময় যে নাহে উভতি।

অধ্যক্ষ মহোদয়, সঠিক সময় বুলি কোনো কথা থাকিব নোৱাৰে। একমাত্ৰ সত্য হ'ল— সময় মাথোন এটাই আৰু সেয়া হ'ল বৰ্তমান।

যোৱা চাৰি বছৰ ন মাহৰ প্ৰতিটো দিনতে আমি যিবোৰ সিদ্ধান্ত গ্ৰহণ

কৰিছিলোঁ আৰু যিবোৰ বিকল্প বাছনি কৰিছিলোঁ, সেইবোৰে আমাৰ ইতিহাস নিৰ্মাণ কৰিছিল যি ইতিহাস ভৱিষ্যতৰ সময়ে মনত ৰখাটো আমি বিচাৰোঁ। আমাৰ ৰাজ্যখনৰ ভৱিষ্যতৰ ওপৰত আমাৰ কাৰ্যাৱলীৰ প্ৰভাৱ কেনে ধৰণৰ হ'ব, সেই কথাও আমি মনত ৰাখিছিলোঁ। জীৱনকালত এনে সুযোগ মুষ্টিমেয় ভাগ্যৱানেহে লাভ কৰে যিসকলে লক্ষ লক্ষ মানুহৰ জীৱনযাত্ৰা প্ৰভাৱান্বিত কৰিব পাৰে আৰু বিকল্প নিৰ্বাচনৰ সুবিধা লাভ কৰে।

অধ্যক্ষ মহোদয়, আমি সচেতনভাৱে উত্তৰ প্ৰজন্মৰ বাবে এনে এক পৰম্পৰা সৃষ্টিৰ প্ৰয়াস কৰিছিলোঁ যি পৰম্পৰাই বহন কৰে আশা, শান্তি আৰু সমৃদ্ধিৰ মলয়া। এই পৱিত্ৰ সদনৰ সজিয়াত থিয় হৈ মই অনুভৱ কৰিছোঁ যে মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰৰ বাবে এয়া সত্য অন্বেষণৰ সময় - আমি বিচাৰিছোঁ আমি কৰা কামৰ খতিয়ান ইতিহাসে লওক। আমাৰ ইতিহাস, আমাৰ সংস্কৃতি, জনগণ আৰু আমাৰ পৰম্পৰা ৰক্ষাৰ বাবে আমাৰ চৰকাৰে কৰা প্ৰচেষ্টাৰ প্ৰকৃত মূল্যায়ন হওক। যোৱা পাঁচ বছৰত আমি লক্ষ লক্ষ যুৱক-যুৱতী আৰু পুৰুষ-মহিলাৰ সপোন আৰু আকাংক্ষাৰ মুখামুখী হ'লোঁ। সেই সপোনক স্বয়ম্, অৰুণোদয়, কনকলতা মহিলা সবলীকৰণ যোজনা, প্ৰজ্ঞান ভাৰতী, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আদি অলেখ আঁচনিৰ যোগেদি ৰূপায়ণ কৰাৰ পণ ল'লোঁ। অন্ত্যোদয়ৰ প্ৰতি আমাৰ চৰকাৰৰ দায়বদ্ধতাই আমাক জ্যেষ্ঠজন আৰু আৰ্তজনৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰেৰণা দিলে। সমাজৰ শেষ প্ৰান্তত থকা উপান্ত- নিঃস্বজনলৈকো আমি আমাৰ সহায়ৰ হাত সম্প্ৰসাৰিত কৰি দিলোঁ আৰু ৰাজ্যখনৰ উন্নয়ন আৰু বিকাশৰ যাত্ৰাত আমি তেওঁলোককো সহযাত্ৰী কৰি ল'লোঁ। আমাৰ চাহ জনগোষ্ঠীৰ ভাই-ভনীসকল আজি এক বৈদ্যুতিন বিপ্লৱ (Digital Revolution)ৰ অংশীদাৰ হৈছে। খেতিপথাৰত প্ৰযুক্তিৰ সহায় ল'বলৈ আমাৰ কৃষকসকল আজি সক্ষম হৈ উঠিছে। এনে সমুদায়সমূহৰ বাবে বিত্তীয় অন্তৰ্ভুক্তিকৰণ আজি আৰু এটা অচিনাকি শব্দ হৈ থকা নাই, এয়া তেওঁলোকৰ জীৱনৰ এক এৰাব নোৱাৰা

অংগত পৰিণত হৈছে। মহোদয়, কৰ্কট ৰোগীৰ পৰিচৰ্যাই হওক বা অটল অমৃত অভিযানেই হওক, এনে আঁচনিৰ ফলস্বৰূপে আন্তঃৰাষ্ট্ৰীয় মানৰ চিকিৎসাৰ বাবে আজি আৰু তেওঁলোকে সম্পত্তি বন্ধকত ৰখাৰ প্ৰয়োজন নাই। সকলো জাতি-জনগোষ্ঠীক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ আমি এক মিলনৰ সেতু গঢ়িলোঁ। বড়ো চুক্তি সম্পাদন আৰু ৰূপায়ণ, স্বায়ত্বশাসিত পৰিষদসমূহলৈ সচা অৰ্থত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, ষষ্ঠ অনুসূচীৰ সংস্কাৰ আদি আমাৰ চৰকাৰৰ দিনতে প্ৰাণ পাই উঠিল। অধ্যক্ষ মহোদয়, এই চৰকাৰৰ দিনত এটাও সাম্প্ৰদায়িক অস্থিৰতা সৃষ্টিকাৰী ঘটনা নঘটাকৈ থাকিল। অসমৰ জনগণ আৰু অসমৰ প্ৰশাসনত জড়িত লোকসকলৰ বাবে ইয়াতকৈ সন্মানৰ কথা আৰু একো হ'ব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, মই কোনো ভৱিষ্যদ্ৰষ্টা নহওঁ। ভৱিষ্যতৰ বুকুত কি লুকাই আছে সেয়া মই দেখা নাই। মই অতীত-স্মৃতিৰ কুঞ্জকুটীৰতো বাস কৰিব বিচৰা নাই। আমি আৰু আমাৰ চৰকাৰে বৰ্তমানত বাস কৰিব খুজিছোঁ আৰু এই সময়ৰ প্ৰতিটো সুযোগ ৰাজ্যৰ বিকাশৰ কামত ব্যৱহাৰ কৰিছোঁ। আমি কৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈছোঁ। আমি পিছ পৰি থাকিব খোজা নাছিলোঁ, আমি পৰাজিত হ'বও খোজা নাছিলোঁ। নিয়তিয়ে বহুদিন ধৰি আমাক নিজৰ ধৰণে নিয়ন্ত্ৰিত কৰিছিল। কৰ্মকে আমি ধৰ্ম বুলি লৈছোঁ; প্ৰতিটো পল-অনুপল আমি সেই জনতাৰ সেৱাত ব্যয় কৰিব খুজিছোঁ যি জনতা আমাৰ বাবে চিৰপূজ্য। তাৰ বাবে আমি আমাৰ সমস্ত শক্তি প্ৰয়োগ কৰিছোঁ আৰু ৰাজ্যখনক আশা আৰু সপোনৰ কাম্যভূমিৰূপে গঢ়ি তুলিবলৈ আমি হাতে হাত ধৰি কাম কৰিছোঁ। আমাৰ কামৰ দ্বাৰা আমি যাতে অনুশোচনাত দগ্ধ হ'ব নালাগে, আমি তেনেদৰে আগ বাঢ়িছোঁ আৰু আমাক বিশ্বাস কৰা প্ৰতিগৰাকী নাগৰিকৰ ভৱিষ্যত শক্তিশালী কৰাৰ বাবে আমি একত্ৰিত হৈ কাম কৰিছোঁ। তেওঁলোকৰ প্ৰতি আমি আমাৰ সেৱা আগ বঢ়াইছোঁ আৰু এই সেৱাৰ ধাৰা আমৃত্যু অব্যাহত থাকিব।

এইখিনিতে মই মোৰ পূজনীয় পিতৃ, কবি-গীতিকাৰ তথা অনুবাদক, প্ৰয়াত

শ্ৰীকৈলাশ নাথ শৰ্মাদেৱৰ 'সহস্ৰ গীতিমালিকা'ৰ অন্তৰ্ভুক্ত ২৫ নং গীতটিৰ এই মহত্বপূৰ্ণ কথাখিনি স্মৰণ কৰিব খোজোঁ ঃ

জীৱন ডিঙা মোৰ
চপাই ঘাটে ঘাটে,
জনে জনে সুধিলোঁ
কি লাগে লোৱা
ডিঙা মোৰ নাহে
উভতি আৰু এই ঘাটে।
এই বাটে জীৱনে মোৰ
মাগিলে মেলানি,
এই বাটে নাহোঁ উভতি
নেপাতোঁ পাতনি,
নবজাবা কামনা বীণ
আৰু এই ঘাটে।
ৰূপৰ শিখা মোৰ
জ্বলি জ্বলি শেষ হ'ব,
কালৰ আঁচোৰ লাগি
দেহাও যে অৱশ হ'ব,
ডিঙা হ'ব খালী
মনাই কোনোবা ঘাটে।

অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন এই চৰকাৰৰ এজন মন্ত্ৰী হিচাপে আৰু এই পৱিত্ৰ সদনৰ সদস্যসকলৰ এজন সতীৰ্থ হিচাপে সেৱা আগ বঢ়াবলৈ পোৱাটো মোৰ বাবে এক পৰম সন্মান আৰু সৌভাগ্যৰ বিষয়।

মই গণেশ গগৈদেৱৰ এফাকি উদ্দীপনাময় কবিতাৰে মোৰ আজিৰ বক্তব্য সামৰিবলৈ ওলাইছোঁ। এই মুহূৰ্তত মই মোৰ মাতৃভূমিৰ প্ৰতি সেৰা জনাইছোঁ আৰু সেই জনতালৈ প্ৰণিপাত জনাইছোঁ যি জনতা জনাৰ্দনৰ সেৱাত নিজকে উৎসৰ্গিত কৰি আমি ধন্য হৈছোঁ।

**স্বৰ্গ বিচাৰি নেযাওঁ জননী,**
**আৰু যে স্বৰ্গ নাই;**
**তয়েই আমাৰ চিৰ সাধনাৰ**
**চৰম লক্ষ্য ঠাই।**

মই জানো যে আমাৰ শিৰত প্ৰতিগৰাকী অসমীয়াৰ আশীৰ্বাদ আছে। অসমৰ প্ৰত্যেক নাগৰিকৰ সমুখত শিৰনত কৰি সামৰণি মাৰিলোঁ।

**জয় আই অসম।**

**জয় হিন্দ।।**

২০২১

অসম চৰকাৰী ছপাশালত মুদ্রিত
গুৱাহাটী-২১